Assam
Legislative Assembly
Debates



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

No. 7

The 24th March, 1995

Price—Rs. 30·00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 24th March, 1995

The House met at 8·30 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravarty. Speaker in the Chair.

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

Hon'ble Speaker : Now, Question no. 101.

* **Shri Dewan Joynal Abedin :** Sir, point of order. Sir, it relates Transport Department. Sir, I have a question on the 'Naranarayan stetu'. It was approved. Yesterday, I have received a letter from your secretary. It attracts Rules 37, 50 of the 'Rules of Procedure and Conduct of Business. Sir, this Rule, it shall not relate to the matter of Minister.

Hon'ble Speaker : Please meet me, I will look into it. I cannot say now. Please meet me after this session.

বিষয় ঃ ফেৰী চলাচলৰ ব্যৱস্থা।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

* ১০১। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* Speech not corrected

গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী চলাচলৰ ব্যৱস্থা উন্নত কৰিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীশিৱশম্ভু ওজা (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ
গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী চলাচলৰ ব্যৱস্থা উন্নত কৰিবৰ বাবে চৰকাৰে কম পানীত তিব্ৰ গতিত চলাচল কৰিব পৰাকৈ ২১ খন সৰু নাও সাজিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জানেনে যে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত চলা ফেৰী ব্যৱস্থাও যোৱা বিত্তীয় বাৰ্ষিকত কেইবা বাৰো চৰকাৰীভাবে বন্ধ কৰা হৈছিল আৰু সেইবিলাক চলাচল কৰিবৰ কাৰণে কিবা নতুন ব্যৱস্থা কৰিছে নেকি ?

* শ্ৰীশিৱশম্ভু ওজা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আৰু বন্ধ হৈ থকা নাই।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ গুৱাহাটী আৰু গুৱাহাটীৰ মাজত যি ২১ খন তিব্ৰ গতিৰ সৰু নাও সজাৰ ব্যৱস্থা লৈছে, কেতিয়াৰ পৰা এই নাও কেইখন চলাচল কৰিব পৰা হ'ব অনুগ্ৰহ কৰি জনাবনে ?

* শ্ৰীশিৱশম্ভু ওজা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিত্তীয় বছৰতে হ'ব।

Mr. Speaker : Question no. 102, Questioner Shri Hiteswar Deka, Minister Health and Family Welfere is to reply.

Now, Starred Question No. 102 Hon'ble Member Shri Hiteswar Deka.

বিষয় ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে ঃ

* ১০২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

* Speech not corrected

(ক) কামৰূপ জিলাৰ – (১) মধুকুছি আৰু (২) হালধাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ উদ্দেশ্যে চৰকাৰে ইতিমধ্যে মাটি অধিগ্ৰহণ কৰাটো সঁচা নেকি ?

খ) যদি সঁচা এই মাটি কেতিয়া অধিগ্ৰহণ কৰা হৈছে ?

গ) উল্লিখিত ঠাই দুখনত "প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ" স্থাপনৰ কাম আৰম্ভ হৈছে নেকি ?

ঘ) যদি হোৱা নাই, কেতিয়াৰ পৰা আৰম্ভ হ'ব ?

ডাঃ ভূমিধ্ৰৱ বৰ্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় সঁচা।

(খ) মধুকুছী - ১৯৮৮ চনত।
হালধা—১৯৮৮ চনত।

(গ) মধুকুছী আৰু হালধাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ দুখনৰ নিৰ্ম্মাণৰ কাম আৰম্ভ হোৱা নাই।

(ঘ) প্ৰশাসনিক অনুমোদন পালেহে নিৰ্ম্মাণৰ কাম আৰম্ভ কৰিব পৰা যাব।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মধুকুছি হালধাত দুটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কথা মই ব্যক্তিগত ভাবে মাননীয় মন্ত্ৰী মহোদয়ক কৈ আছোঁ। তেখেতে আজি সদনৰ মজিয়াত কৈছে যে ১৯৮৮ চনতে মধুকুছিৰ মাটি অধিগ্ৰহণ কৰিছে। কিন্তু আজি কিমান বছৰ হৈ যোৱাৰ পিছতো তাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হোৱা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰোঁ যে কেতিয়াৰ পৰা হয়াৰ কাম আৰম্ভ হ'ব অৰ্থাৎ কোন সময়ৰ পৰা কাম আৰম্ভ হ'ব, জনাবনে ?

* ডাঃ ভূমিধ্ৰৱ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মধুকুছিৰ স্বাস্থ্য কেন্দ্ৰৰ কাৰণে মই চেংচন কৰি দিছোঁ। আৰু তাত এটা ফেমিলি ওৱেল

* Speech not corrected

ফেয়াৰ চাৰ— ডিভিজন চেণ্টাৰ এটা খোলা হৈছে, তাত ২ লাখ ৯ হাজাৰ টকা পি, এইচ, চি স্বাস্থ্য কেন্দ্রত দিয়া হৈছে আৰু তেওঁলোকে চেষ্টা কৰি আছে। অতি সোনকালে হ'ব বুলি ধৰি লৈছোঁ।

* শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে ১৯৮৮ চনতে মাটি অধিগ্রহণ কৰা হৈছিল, সেইটো সঁচা নহয়। আচলতে আজি ৩৬ বছৰ ধৰি হালধাৰ মাটি অধিগ্রহণ কৰা হৈছে। কিন্তু অহা দ্বিতীয় বছৰতো ইয়াৰ কাম আৰম্ভ নহ'ব। গতিকে আৰু কিমান দিন ইয়াত প্রাথমিক স্বাস্থ্য কেন্দ্র নোহোৱাকৈ থাকিব আৰু কেতিয়া ইয়াৰ কাম আৰম্ভ হ'ব ?

* ডাঃ ভূমিধৰ বৰ্ম'ণ (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোঁৱেই হালধাত কৰিব পৰা হোৱা নাই, কেৱল মধুকুছিতহে কাম আৰম্ভ কৰিবলৈ দিয়া হৈছে। গতিকে হালধাত কেতিয়ালৈ হ'ব ঠিক কব নোৱাৰিম।

* শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মধুকুছি এচ / টি এৰিয়া আৰু হালধা এচ / চি এৰিয়া। গতিকে দুয়োটা এৰিয়া সামৰি লোৱাৰ প্রতিশ্রুতি দিলেহে মই ভাবিব পাৰিম যে কাম আৰম্ভ হ'ব।

* ডাঃ ভূমিধৰ বৰ্ম'ণ (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয় মই, কৈছোঁৱেই যে প্রশাসনিক অনুমোদন পালেহে কাম আৰম্ভ কৰিব পৰা হ'ব।

* শ্রীআনোৱাৰ হুছেইন : মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি বাঙামাটিত এটা উপ-স্বাস্থ্য কেন্দ্র আপ গ্রেডেচন কৰাৰ কাৰণে যোৱা বাৰৰ কাৰণে মাননীয় মন্ত্রী মহোদয়ক মই জনাইছিলোঁ। কিন্তু আজি এবছৰে পি, এইচ, চিয়ে কৰা নাই। এইটো কেতিয়া হ'ব জনাবনে ?

* ডাঃ ভূমিধৰ বৰ্ম'ণ (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এই প্রশ্নটো পিছত বিবেচনা কৰি চাই লম।

* শ্রীকালিৰঞ্জন দেব : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমষ্টি কাটিগড়ায় ৬০ শতাংশৰ বেশী অনুসূচীত জাতিৰ লোক আছে এবং এটি সীমান্তবর্তি অঞ্চলে অবস্থিত। এখানে ১৯৮৩ ইংতে ৮ বিঘা জমি একটি পি, এইচ, সি স্থাপনৰ

* Speech not corrected

জন্য অধিগ্রহণ করা হয়েছিল। ১৯৮৮ ইংতে চীফ মেডিকেল এণ্ড হেল্‌থ অফিসার The then Chief Medical Officer, Primary Health Centre there. তারপর আমি বিভাগীয় মন্ত্রী মহোদয়ে সঙ্গে এ ব্যাপারে অনেক যোগাযোগ করেছি। এবং তিনি সদনে আশ্বাস দিয়েছিলেন যে এটা করা হবে। Please let me know the position immediately. Whether the Government is aware that 60 percent belonging to S. C. ? আমি মন্ত্রী মহোদয়ের নিকট থেকে স্পষ্ট ভাবে জানতে চাই যে এ, পি, এইচ. সি করার তাদের কোন সদিচ্ছা আছে কিনা এবং যদি সদিচ্ছা থেকে থাকে সেটা কখন করা হবে ?

* ডাঃ ভূমিধ্বর বর্ম্ণ (স্বাস্থ্য মন্ত্রী) : এ কথা আমি এখন বলতে পারবো না। বিধান সভার অধিবেশন শেষ হবার পর মাননীয় সদস্য আমার সঙ্গে এ ব্যাপারে কথা বললে বিভাগীয় সচিবকে ডেকে এনে এই পি, এইচ, সি যে সমস্যা সেটা সমাধান করে দিব।

* শ্রীমতী রেণুপমা ব্রাজখোৱা : অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমত কিমান প্রাথমিক স্বাস্থ্য কেন্দ্র অনুমোদন পাই আছে আৰু গৃহ নির্মাণ হোৱা নাই ? দ্বিতীয় কথা কৈছে এই প্রাথমিক স্বাস্থ্য কেন্দ্র বিলাকত যিমান বিলাক নার্চ নিযুক্তি দিয়া হৈছে সেইবিলাক স্বাস্থ্য কেন্দ্রত আছে নে নাই জনাবনেকি ?

* ডাঃ ভূমিধ্বর বর্ম্ণ (স্বাস্থ্য মন্ত্রী) : চাৰ, কিমান বিলাক নির্মাণৰত অৱস্থাত আছে সেই হিচাবটো এতিয়া লগত নাই। আকৌ পি, এইচ, চি বিলাকত বা চাব চেণ্টাৰ কিছুমানত যিবিলাক নার্চ আছে তেওঁবিলাক বেলেগে বেলেগে থাকিবলৈ বাধ্য হোৱা কথাটো অস্বীকাৰ নকৰো, কিয়নো কিছুমান চাব চেণ্টাৰ এনেকুৱা জনবসতি এলেকাৰ বাহিৰত আছে যে তাত ছোৱালী এজনী অকলশৰে থকাটো অসুবিধা কাৰণে বেলেগত থাকিবলৈ লয়।

* শ্রীমিশ্বন ৱঞ্জন দাস : ৰাণিবাৰিত যিটো মেডিকেল চাব চেণ্টাৰ আছে সেইটো পি, এইচ, চিলৈ ৰূপান্তৰ কৰাৰ কাৰণে দাবী জনাইছে আৰু বর্ত্তমান থকা পাচ বিঘা মাটিৰ লগতে আৰু সাত বিঘা মাটি দিয়াৰ কাৰণে

* Speech not corrected

আণ্ডাৰষ্টেণ্ডিং দিছে আৰু জিলা অফিচাৰৰ পৰা প্ৰস্তাৱো আহিছে। তেনে অৱস্থাত মই মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো যে অহা বিত্তীয় বছৰৰ ভিতৰতে এইটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰম্ভ কৰিবনে ?

* ডাঃ ভূমিধ্ৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) : চাৰ, এইটো ৰেকৰ্ড মোৰ হাতত নাই। প্ৰশ্নটো মধুকুছিৰ কথালৈহে আছিল, মাননীয় সদস্যই যদি মোৰ লগত আলোচনা কৰে তেতিয়াহলে সুবিধা হ'ব। ইয়াৰ উপৰিও জিলা হেল্‌থ কমিটি যিখন আছে তাত মাননীয় সদস্যসকলো সদস্য, জিলাৰ উপায়ুক্ত গৰাকী চিয়াৰম্যান আৰু যুটীয়া সঞ্চালক এগৰাকী মেম্বাৰ চেক্ৰেটাৰী থকা সেই সমিতিৰ যোগে প্ৰাঅ'ৰিটি দি প্ৰস্তাৱটো আহিলে পুজি সাপেক্ষে আমি ব্যৱস্থা লব পাৰিম।

* ডাঃ কমলা কলিতা : চাৰ, মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে জিলা পৰ্য্যাংৰ কমিটিৰ কথা কৈছে এই জিলা ভিত্তিক কমিটি বিলাকে কি কৰি আছে আৰু এই কমিটিৰ বৈঠক বহিছে নে নাই ? যদি হৈছে কামৰূপ জিলাত এই কমিটিৰ কেইখন বৈঠক হৈছে জনাবনে ?

* ডাঃ ভূমিধ্ৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) : চাৰ, এই কমিটি বিলাক কৰি দিয়াৰ কেইবা মাহো হৈছে আৰু কিছুমান ঠাইত কমিটি বহিছে বুলি কাৰ্য্যবিৱৰণীও পাইছো। আগতে মাননীয় সদস্য সকলে খবৰ পোৱা নাই বুলি কৈছিল। পিচে বিধান সভাৰ লগে লগে প্ৰত্যেক মাননীয় সনস্যলৈ তাৰ কপি পঠিয়াবলৈ কৈছো আৰু কপি পঠোৱা হৈছে বুলিও গম পাইছো।

* ডাঃ কমলা কলিতা : কামৰূপ জিলাত এখনো বৈঠক বহা নাই। যদি কামৰূপ জিলাতো গঠন কৰা হৈছে, তেনে কমিটি তেনেহ'লে ডি চি বা যুটীয়া সঞ্চালকৰ হেমাহিৰ কাৰণে বহা নাই নেকি, আৰু যদি সেইটো হয় কমিটি বহুৱাৰ আশ্বাস দিব নে ?

* ডাঃ ভূমিধ্ৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) : নোটিফিকেশ্বন দিয়াৰ পিছত আকৌ ডব্লিউ-টি যোগে জিলাৰ উপায়ুক্ত সকলক জনাই কমিটি বহাৰ কাৰণে সোঁৱৰাই দিয়া হৈছে।

---

* Speech not corrected

মাননীয় অধ্যক্ষ : আছিল মধুকুছি এতিয়া আহি পালেগৈ কমিটি। এতিয়া আৰু পৰিপূৰক নহব। এতিয়া প্ৰশ্ন নং ১০৩।

Mr. Speaker : Now, Starred Question No. 103 Hon'ble Member Shri Badan Barua.

Re : Children Healths to Japanese encephalitis.

Shri Badan Barua asked :

* 103 Will the Minister of Health be pleased to state :

(a) How many children have died due to Japanese encephalitis. Tuberculosis, Malaria, Kala-azar, Diorrea, Disentry and Typhoid during the calender year 1993 and 1994. (Please submit a list district wise).

(b) Have the Government taken any preventive measures to arrest the causes of child mortality as stated in (a) above ?

(c) If so, what are the measures ?

(d) How many community Health Officers are there in Assam ?

Dr. Bhumidhar Barman (Minister of Health and Family Welfare) replied :

(a) During 1993, 455 Nos, children died due to Japanese encephalitis, Tuberculosis, Malaria, Kala-azar, Diorrea, Disentry and Typhoid and 515 Nos.

---

* Speech not corrected

children died in 1994. District wise list is enclosed at Annexure- I. (See the Annexure—I)

(b) Yes.

(c) Remedial measures taken are as follows :

(i) Field Laboratories and camp Hospital were Organised for prompt examination of cases for treatment.

(ii) Field staff were mobilised for survey of fever cases and for taking preventive measures.

(iii) Indoor Residual insecticidal spray was undertaken.

(iv) Medical team from District Head quarter and Medical College staff visited the affected areas and rendered treatment wherever very necessary.

(v) Safe drinking water were provided to people through P. H. E. Department and were educated through I. E. C. about Hygiene and environmental senitation Stool samples were collected and sent for culture. I. L. C. activities were activated for desimination of information about the benefit of personal Hygiene and properly senitation. Voluntary organisation, group discussion were organised para-medical staffs trained.

(d) There are 3466 Nos. Community Health Officers in the State.

* ডাঃ ভূমিধ্রব বর্ম্মণ (স্বাস্থ্য মন্ত্রী) : চাব, কমিউনিটি হেল্‌থ অফিচাব নাই, সেইটো মানে আচলতে ডাক্তব সকলকে বুজোৱা হৈছে। মুঠতে ৩৪৬৬ জন আছে বাজ্যখনত।

* Speech not corrected

* শ্রীবদন বরুৱা : অধ্যক্ষ মহোদয়, সর্ব্বভাৰতীয় আয়ুর্বিজ্ঞান প্রতিস্থানৰ প্রফেচৰ অৰ এমেৰিটাচ শ্রীবি-ৰামনিঙ্গম স্বামী মেডিকেল ৰিচার্চ কাউন্সিলৰ ডিৰেক্টৰ জেনেৰেল আৰু তেখেতৰ ৰিপোর্ট মতে কমিউনিটি হেল্‌থ অফিচাৰ বিলাকৰ ট্রেইনিং থাকিব লাগে পাবলিক হেল্‌থৰ ক্ষেত্রত। এইটো এই সকলৰ ক্ষেত্রত আছে নেকি? আৰু দ্বিতীয় কথা হৈছে পাবলিক হেল্‌থ ইন্‌ষ্টিটিউট কৰিবলৈ সপ্তম আৰু অষ্টম পৰিকল্পনাত ধৰা হৈছিল সেই আঁচনিৰ বিষয় অলপ কবনে?

* ডাঃ ভূমিধ্রৱ বর্মণ (স্বাস্থ্য মন্ত্রী) : চাৰ, এই ডাক্তৰ সকলৰ কাৰণে চেহিনাৰ, ওৰাৰ্কচপ আদি কৰা হল আৰু তাৰ যোগেদি পাবলিক হেল্‌থৰ ওপৰত ট্রেইনিং দিয়া হয় আৰু সেই ধৰণে বাহিৰৰ পৰাও পাবলিক হেল্‌থৰ ওপৰত ডিপ্লমা আদি লয়। আমাৰ ইয়াতো তেনে ইন্‌ষ্টিটিউট কৰাৰ কাৰণে পৰীক্ষা কৰি চাম। বর্ত্তমান নাই।

* শ্রীবদন বরুৱা : চাৰ, ভাৰত চৰকাৰে সপ্তম আৰু অষ্টম পৰিকল্পনাত এইটো কৰিবলৈ জোৰ দিছিল কিন্তু আজি সপ্তম আৰু অষ্টম পৰিকল্পনা শেষ হোৱাৰ পিচতো কিয় এইটো হোৱা নাই আৰু কিয় দেৰী কৰা হৈছে মন্ত্রী মহোদয়ে জনাবনে?

* ডাঃ ভূমিধ্রৱ বর্মণ (স্বাস্থ্য মন্ত্রী) : চাৰ, গোটেই কথাখিনি আমাৰ দৃষ্টিগোচৰ হোৱা নাছিল। মাননীয় সদস্য গৰাকীয়ে কৈছে যেতিয়া পৰীক্ষা কৰি যিখিনি পাৰি কৰিম।

* শ্রীবদন বরুৱা : মাননীয় অধ্যক্ষ মহোদয়, Prof, of All India Institute of Medical Council. Shri Ramalinga Swami recomended for opening of Public Health Institute. এইটো কৰিব লাগে বুলি জোৰ দি আছে। সপ্তম আৰু অষ্টম শেষ হৈ গল যদিও কিয় আজিলৈকে একো হোৱা নাই? মন্ত্রী মহোদয়ে এই বিষয়ে সদনত জনাব নেকি?

* ডাঃ ভূমিধ্রৱ বর্মণ (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো

---

* Speech not corrected

যে গোটেই কথাটো মোৰ দৃষ্টিগোচৰ হোৱা নাই। মাননীয় সদস্য গৰাকীয়ে কৈছে যেতিয়া বিষয়টো পৰীক্ষা কৰি চাম।

* শ্রীবদন বরকৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত বুঢ়া গোসাই থান'ৰ ওচৰত মিনি হেল্‌থ চেণ্টাৰ এটা আছে। তালৈ ডাক্তৰ নাযায়। যিজন ডাক্তৰক তাত দিয়া হৈছে ঘৰতে ক্লিনিক খুলি থাকে। সেই সম্পর্কে গোটেই বিষয়টো তদন্ত কৰি লৈ য'ত ডাক্তৰ যায় তাৰ দিহা কৰিব নেকি ?

* ডাঃ ভূমিধ্বৰ বর্মণ (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতৰ সমষ্টিলৈ গৈছো। বুঢ়া গোসাই থানৰ ওচৰত থকা হাস্পাতালখনৰ ডাক্তৰ জনৰ নাম আছিল ৰতন দাস। অভিযোগ পাইছো আৰু তদন্তও কৰিছো। ডাক্তৰজন তাত নাথাকে। মাজে-সময়ে তালৈ যায়। সেই ঠাইৰ ডাক্তৰ এজনে প্রতিশ্রুতি দিছে। তেখেতকে তাত দিয়া হব।

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৪-৯৫ চনত ৫১৫ জনৰ মৃত্যু হোৱাৰ উপৰিও কলাজ্বৰত মৃত্যু হোৱা আৰু কেচ আছে নেকি ?

* ডাঃ ভূমিধ্বৰ বর্মণ (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩ চনত তিনিচুকীয়াত এটা কলাজ্বৰত মৃত্যু হোৱা এটা কেচ আছে।

* শ্রীপানীৰাম ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, মেলেৰীয়া আৰু কলাজ্বৰ সম্পর্কত মই দেখিছো, নলবাৰী জিলাৰ সমগ্র ট্রাইবেল এলেকাৰ ভিতৰত প্রত্যেক বছৰে শ শ লোক মৃত্যু হয়। যোৱা বাৰ নলবাৰীত ৩৫ জন লোক মৃত্যু হোৱা কথাটো মাননীয় মন্ত্রী মহোদয়ে জানে। সেই কাৰণে মই আগতিয়াকৈ কব বিচাৰিছো যে মেলেৰীয়া অধ্যুষিত তামুলপুৰ আৰু চাপাগুৰী অঞ্চলত ডি, ডি, টি ছটিওৱাৰ ব্যৱস্থা মন্ত্রী মহোদয়ে কৰাব নেকি ?

* ডাঃ ভূমিধ্বৰ বর্মণ (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বাৰ টকা পইচাৰ অভাৱৰ কাৰণে কিছু অসুবিধা হৈছিল। কিন্তু এই-বাৰ আমাৰ সেইটো হোৱা নাই। আমাৰ মাননীয় সদস্য সকলে জানে যে আমাৰ কেন্দ্রীয় স্বাস্থ্য উপ-মন্ত্রী শ্রীপৱন সিং ঘাটোৱাৰ

* Speech not corrected

I do not know as yet. সেই কাৰণে ঠায়ে ঠায়ে সাপেক্ষে ডি, ডি, টি ছটিওৱাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে আৰু দিয়া হৈছে।

* শ্রীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, জাপানীত এন-কেফেলাইটিজ ৰোগত বহুতো মানুহ মৰিছে। জনসংখ্যা ৰক্ষণা-বেক্ষণৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে।

* ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিজেই কৈছে যে ইনজেকচনটো দামী। তেনেকুৱা ব্যৱস্থা আমি কৰিব পৰা নাই। আমি এই বিষয়ত কেন্দ্রীয় চৰকাৰৰ পৰা সাহায্য বিচাৰিম।

* শ্রীগহীন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মেডিকেল আৰু চিভিল হস্পিতাল বিলাকত বেমাৰীবিলাকে ভাল চিকিৎসা নাপায়। কিন্তু নার্চিং হোমত ভাল চিকিৎসা পায়। চৰকাৰী হস্পিতাল আৰু মেডিকেলত চিকিৎসাৰ কাৰণে গলে বেমাৰী মৃত্যু মুখত পৰে। কিন্তু নার্চিং হোম বিলাকত গলে ১ বা ২ সপ্তাহৰ ভিতৰত বেমাৰী ভাল হৈ আহে। এইবিলাক কিয় হবলৈ পায় চৰকাৰে জনাবনে ?

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই কব লাগে।

* শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সংষ্টি অসম-মেঘালয় সীমান্তৱর্ত্তী অঞ্চলত থকা মাতেঘাৰ আৰু বালাপাৰাত ৫-৬ জন মানুহ মৰিছে। সেই অঞ্চল বিলাকত মেলেৰীয়া নিবাৰণৰ কাৰণে ডি, ডি, টি ছটিওৱা হৈছিল নে ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যেৱাৰাৰ আমাৰ কিছু দিগদাৰি হৈছিল। এইবাৰ এপ্রিলৰ প্রথম সপ্তাহৰ পৰাই ডি, ডি, টি ছটিয়াবলৈ নিৰ্দ্দেশ দিয়া হৈছে। এই বিষয়ে জইন ডিৰেক্টৰক জনোৱা হৈছে আৰু চেংচনও দিয়া হৈছে।

* শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মহ মৰা যন্ত্র গুৱাহাটীলৈ আনিবলৈ চৰকাৰে পৰামর্শ দিছে নে নাই ?

---

* Speech not corrected

* ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) . মাননীয় অধ্যক্ষ মহোদয়, মই এই সম্পর্কত একো নাজানো ।

* শ্রীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মেলেৰীয়াৰ লগত মহৰ সম্পর্ক আছে। ডি, ডি, টি ছটিওৱাৰ কাম চলিছে যদিও বিধায়কৰ আৱাস গৃহত ইমান ম'হ হৈছে আঠুৱাৰ তলত সোমাই থাকিব লাগে। যোৱা বছৰ ধোৱা দিয়া গাড়ী এখন আছিল। সেইখন কলৈ গ'ল? মাননীয় অধ্যক্ষ মহোদয়ে বিধায়কৰ আৱাস গৃহলৈ নাযায় কাৰণে কথাটো গম নাপায়। এবাৰ এম, এল, এ হোষ্টেলৰ ভিতৰত সোমাই চাবৰ কাৰণে অনুৰোধ কৰিলো ।

মাননীয় অধ্যক্ষ : মই ৰাতি সদায়ে যাওঁ। মই যেতিয়া হোষ্টেলৰ ভিতৰত গৈ আছো তেতিয়া আপুনি গাড়ী লৈ গৈ আছে ।

* শ্রীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মই নাজানো মাননীয় সদস্য সকলে কিয় ভয় কৰে ।

* শ্রীমুকুট শর্মা (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আপুনি যেতিয়া যায় তেতিয়া মাননীয় সদস্য গৰাকী আহি থাকে ।

* শ্রীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ম'হবিলাক গোণা ম'হৰ দৰে ।

* ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক আচলতে জি, এম, চিয়ে দিব লাগে। প্রথম সপ্তাহত তেওঁলোকে য'দি নিদিয়ে, তেতিয়া দৰকাৰ হলে আমিয়ে দিম ।

* শ্রীদিলীপ কুমাৰ সনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বয়স হৈছে আমি ডাঙৰ মানুহ হিচাবে কওঁ, মহ মৰা ধোৱাবোৰ দিলে চকু আৰু হার্টৰ অনিষ্ট হয়। গতিকে ধোঁৱাৰ পৰিবর্তে অন্য ব্যৱস্থা কৰিব লাগে ।

Mr. Speaker : Now Question No. 104, Questioner is absent and his placed Hon'ble Shri H. N. Goswami is authorised to question.

---

* Speech not corrected

Now, starred question No. 104 Hon'ble Member Dr. Zoii Nath Sarma.

বিষয় : স্বাস্থ্য সঞ্চালকালয়ত খৰচ হোৱা টকাৰ হিচাপ

ডঃ জয়নাথ শর্ম্মাই সুধিছে :

* ১০৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) যোৱা ৩১/৩/৯৩ আৰু ৩১/৩/৯৪ তাৰিখলৈ স্বাস্থ্য বিভাগৰ

(ক) স্বাস্থ্য সেৱা সঞ্চালক

(খ) স্বাস্থ্য শিক্ষা সঞ্চালক

(গ) পৰিয়াল কল্যাণ সঞ্চালক

উক্ত তিনিজন সঞ্চালকে কোন কোন শিতানত কিমান টকা ব্যয় কৰিছে ?

(খ) উক্ত তিনিজন সঞ্চালকে মাৰ্চ্চ '৯২ মাৰ্চ্চ '৯৩ আৰু মাৰ্চ্চ '৯৪ চনত কাক কাক কিমান টকা পৰিশোধ কৰিছে ?

(গ) ঔষধ কিনাৰ বাবে কোন জিলাত উক্ত সময়চোৱাত কিমান টকা ব্যয় কৰা হৈছে ?

ডাঃ ভূমিধ্বৰ বৰ্ম্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) স্বাস্থ্যসেৱা সঞ্চালক

১৯৯২-৯৩ চনত স্বাস্থ্য সেৱা সঞ্চালকে সাধাৰণ শিতানত বেতনৰ বাহিৰে খৰচ — ৪,৬৬,১৯,৭৫২ টকা, পৰিকল্পিত শিতানত বেতনৰ বাহিৰে খৰচ - ৪,১৯,৫০,০৬৭ টকা।

১৯৯৩-৯৪ চনত সাধাৰণ শিতানত বেতনৰ বাহিৰে খৰচ— ৪,৭৭,৫৬,০৯৭ টকা, আৰু পৰিকল্পিত শিতানত খৰচ—৩,১২,৬৫,০২৯ টকা ব্যয় কৰা হৈছে।

* Speech not corrected

(খ) স্বাস্থ্য শিক্ষা সঞ্চালক

১৯৯২-৯৩ চনত মুঠ ৬,৫৯,১৪,০০০ টকা আৰু ১৯৯৩-৯৪ৰ বিত্তীয় বছৰত মুঠ ৭,৯৭,৭৮,০০০ টকা খৰচ কৰিছে।

(গ) পৰিয়াল কল্যাণ সঞ্চালক

১৯৯২-৯৩ বিত্তীয় বছৰত মুঠ ১৭,৭৬,৯৭,০০০ টকা আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰত মুঠ ২৩,৮৬,১১,০০০ টকা খৰচ কৰিছে।

(ঘ) উক্ত সময়চোৱাত কাক কাক কিমান টকা পৰিশোধ কৰিলে :

(১) স্বাস্থ্য সেৱা সঞ্চালক তালিকাক আৰু (ক-১)ত দেখুউৱা হ'ল। (See the Annexure – (II)

(২) স্বাস্থ্য শিক্ষা সঞ্চালক তালিকা (গ)ত দেখুওৱা হ'ল। (See the Annexure– (III)

(৩) পৰিয়াল কল্যাণ সঞ্চালক—(ঙ)ত দেখুওৱা হ'ল। (See the Annexure– IV)

(গ) এই সময়ছোৱাত ঔষধ কিনাৰ বাবে কোন জিলাত কিমান টকা পৰিশোধ কৰিলে—

(১) স্বাস্থ্য সেৱা সঞ্চালক—তালিকা (খ) আৰু (খ-১) দেখুওৱা হ'ল। (See the Annexure– V)

(২) স্বাস্থ্য শিক্ষা সঞ্চালক—তালিকা (ঘ)ত দেখুওৱা হ'ল। (See the Annexure– VI)

(৩) পৰিয়াল কল্যাণ সঞ্চালক—তালিকা (চ)ত দেখুওৱা হ'ল। (See the Annexure – VII)

* শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মহোদয়ে পৰিয়াল কল্যাণ সঞ্চালকত ১৯৯৩/৯৪ বিত্তিয় বছৰত মুঠ ২৩,৮৬,১১০০ টকা খৰচ কৰিছে কিন্তু গাওঁ অঞ্চলত যিবিলাক চাব চেণ্টাৰ আছে সেইবিলাকৰ বেচি

* Speech not corrected

ভাগেই ভাড়া ঘৰত চলি আছে আৰু কিছুমান ভঙা-চিঙা ঘৰত চলি আছে আৰু কোনো কোনো ঠাইত ভাড়া দিব নোৱাৰাৰ কাৰণে চাব চেণ্টাৰ বন্ধ কৰি দিবলগীয়া হৈছে। ফলত ফেমেলী ওৱেলফেয়াৰৰ যিবিলাক স্বাস্থ্য সেৱা সেইবিলাক সম্পূৰ্ণৰূপে ব্যাঘাত হৈছে। চাব চেণ্টাৰ বিলাক চলি থকা ভাড়া ঘৰ বিলাকৰ অৱস্থা অতি শোচনীয় গতিকে এই চাব চেণ্টাৰ বিলাক যাতে ভাল ধৰণে চলাই পৰিয়াল কল্যাণৰ কাম সঠিক ভাবে কৰিব পাৰে তালৈ দৃষ্টি ৰাখি স্বাস্থ্য বিভাগে ডি, আৰ, ডি,এৰ লগত যোগাযোগ কৰি চাব চেণ্টাৰ বিলাক চালু কৰিবৰ কাৰণে নিজাকৈ ঘৰ তৈয়াৰ কৰি লব লাগে। পৰিয়াল কল্যাণ সঞ্চালকে কাম কাজ বিলাক সুচাৰুৰূপে কৰিব পাৰে। এই বিষয়ে মন্ত্ৰী মহোদয়ে চিন্তা কৰিব নে ?

* ডাঃ ভূমিধ্ৰৱ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথা খিনি সত্য, আমাৰ যিবিলাক চাব চেণ্টাৰ গাওঁ অঞ্চলত ভাড়া ঘৰত চলি আছে সেইবিলাকৰ অৱস্থা বৰ বেয়া। মাননীয় সদস্য গৰাকীয়ে যিটো পৰামৰ্শ দিছে সেইমতে ডি, আৰ, ডি, এৰ জৰিয়তে কৰাৰ কাৰণে চেষ্টা কৰা হব। এই বিষয়ে আমি আগতেই অনুৰোধ কৰিছিলো কিন্তু সেইটো এতিয়াও হৈ উঠা নাই। মাননীয় সদস্য সকল নিজেই ডি, আৰ, ডি, এৰ গভৰ্ণিং বডিৰ সদস্য গতিকে তেখেত সকলে নিজেই আলোচনা কৰি জিলা ভিত্তিত এইটো সিদ্ধান্ত কৰি লব পাৰে আৰু টকা দিব পাৰে। ইতিমধ্যে ওৱৰ্ল্ড বেংকৰ পৰাও ভালেখিনি টকা আহিছে আৰু প্ৰয়োজনীয় ঘৰ বিলাক তৈয়াৰ কৰি লোৱাৰ কাৰণে সিদ্ধান্ত হৈছে। এই ক্ষেত্ৰত আমি ২ লাখতকৈ অধিক টকাকৈ জিলা বিলাকত খৰচ কৰিব পাৰিম আৰু এই টকাৰে ভালেখিনি কাম কৰিব পাৰিম বুলি আশা কৰিছো। তাৰোপৰি টাটাৰ পৰা সহায় পাম ৫ কোটি টকা পৰিয়াল কল্যাণৰ কাৰণে আমি কাম আৰম্ভ কৰিব পাৰিম।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মেডিকেল ডিপাৰ্টমেণ্টত জানিবলৈ পোৱা মতে জইণ্ট ডাইৰেক্টৰৰ দায়িত্বত এখন চেণ্ট্ৰেল কমিটি আছে। তেওঁলোকৰ নিৰ্দেশ মতেই কাম চলি থাকে, তেওঁলোকে বিধায়ক সকলৰ লগত বিশেষ যোগাযোগ নাৰাখে, গতিকে জইণ্ট ডাইৰেক্টৰক বিধায়ক

* Speech not corrected

সকলৰ লগত যোগাযোগ কৰাই দিব লাগে আৰু এই সম্পৰ্কত চিঠি ইচু কৰিব লাগে। তাৰোপৰি হস্পিতালৰ কাৰণে ঔষধ কিনোতেও এই চেণ্ট্রেল কমিটিৰ নিৰ্দ্দেশ মতে কিনিবলগীয়া হয়। ফলত বিভিন্ন জিলাত বিভিন্ন বেমাৰৰ কাৰণে যিবিলাক ঔষধ প্ৰয়োজন হয় সেইবিলাক সময়ত পোৱা নাযায়। গতিকে জিলা ভিত্তিত ঔষধৰ প্ৰয়োজনীয়তাৰ ওপৰত লক্ষ্য ৰাখি বিধায়ক সকলৰ লগত স্বাস্থ্য বিভাগে যোগাযোগ ৰখাৰ ক্ষেত্ৰত যথাযথ ব্যৱস্থা লব লাগে। তাৰোপৰি মেডিকেল হস্পিতালৰ ক্ষেত্ৰত আমি দেখিছো পি, ডব্লিউ, ডি, বিভাগে ঘৰ মেৰামতি নিৰ্মাণৰ কথা বিলাক চাই, পানী যোগানৰ ক্ষেত্ৰত জনস্বাস্থ্য, বিভাগে চাই আৰু বিদ্যুতৰ যোগান সম্পৰ্কত বিদ্যুত বিভাগে চাই। কিন্তু এই তিনিটা বিভাগৰ পৰস্পৰ কোৱৰ্ডিনেশ্যন নাই, গতিকে এই ক্ষেত্ৰত কোনো কণ্ট্রোল নাইকিয়া হৈছে। গতিকে এজন কণ্ট্রোলাৰ প্ৰয়োজন।

* ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে মেডিচিন পাৰ্চেজ সম্পৰ্কত যিটো কথা কৈছে সেই বিষয়ে আমি আলোচনা কৰিছো আৰু সেই মৰ্মে জিলা ভিত্তিত কি কি ঔষধৰ প্ৰয়োজন হব সেই সম্পৰ্কত এখন লিষ্ট তৈয়াৰ কৰিব আৰু সেইখন চোৱাৰ কাৰণে চেণ্ট্রেলী এখন স্কুটিনি কমিটি থাকিব আৰু সেইমতে চাই চিতি দিয়াৰ পাচত মেডিচিন পাৰ্চেজিং কৰিব পাৰিব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, এইটো আকৌ ২ নম্বৰী কাম হব।

* ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) : তেতিয়াহলে এই বিষয়টো আমি এম, এল, এ কমিটিতেই আলোচনা কৰিলে ভাল হব।

* শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এই যে ডি. আৰ, ডি, এত কাম কৰিবলৈ দিয়াৰ কথা কৈছে সেইটো চিন্তাৰ বিষয় হৈছে কিয়নো ডি, আৰ, ডিয়েক ১ কোটি ২০ লাখ টকাকৈ দিয়া হৈছিল কিন্তু তাৰ মাত্ৰ শতকৰা ৪০ ভাগ কামহে হৈছে, গতিকে এতিয়াও তেনে অৱস্থাই হব। আমাৰ সন্দেহ হয় ডি, আৰ. ডিয়েই কি কাম কৰিব? আমি জানিব

* Speech not corrected

পাৱো নেকি যে মন্ত্রীয়ে নজনাকৈ বিষয়াই আঁচনি গ্রহণ কৰিছে, গতিকে কেনেধৰণৰ আঁচনি গ্রহণ কৰিছে সেই বিষয়ে সদনৰ মজিয়াত দাখিল কৰিব নোৱাৰিনে ?

* ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্রী) : এই কমিটিৰ চেয়াৰমেন হ'ল চেক্রেটাৰী।

Mr. Speaker : Question No. 105, Shri Pani Ram Rabha,

বিষয় ঃ চিকিৎসালয় P. H. C. লৈ উন্নতিকৰণ

শ্রীপানীৰাম ৰাভাই সুধিছে ঃ

* ১০৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) হাৰিভাঙ্গা ৰাজ্যিক চিকিৎসালয়খন P. H. C. লৈ উন্নতিকৰণৰ বাবে ব্যৱস্থা লৈছিল নেকি ?

খ) যদি লৈছিল কেতিয়াকৈ কাম আৰম্ভ কৰিব জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়। হাৰিভাঙ্গা ৰাজ্যিক চিকিৎসালয়খনক প্রাথমিক স্বাস্থ্য কেন্দ্রলৈ উন্নীত কৰাৰ বাবে স্বাস্থ্য বিভাগৰ চিঠি নং H L A. 640/93/28 Dated 23/3/94 যোগে মুঠ ১৫,৯৯,১০০ টকাৰ অনুমোদন দিয়া হয়।

খ) অসম বিধান সভাৰ অনুসূচীত জাতি আৰু জনজাতি কল্যাণ সমিতিয়ে এই চিকিৎসালয়ৰ নির্মাণ কার্য্য স্থগিত ৰাখিছে।

* শ্রীপানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, হাৰিভাঙ্গা ৰাজ্যিক চিকিৎসালয় পি, এইচ, চি লৈ উন্নতিকৰণ কৰিবলৈ মই ১৯৯১ চনতে এই বিধান সভালৈ নির্ব্বাচিত হৈ আহিলো। আৰু তেতিয়াৰ পৰা ১৯৯১-৯২, ১৯৯২/৯৩, ১৯৯৩/৯৪ আৰু এতিয়া ১৯৯৫/৯৬ চনতো এই একেটা প্রশ্নকেই কৰি আছে। মন্ত্রী মহোদয়ে পঢ়ি দিয়া চিঠিৰ নম্বৰ অনুসৰি চেংচন হৈছিল আৰু যোগাযোগ হৈছিল। কিন্তু চেংচন লেটাৰ দিয়াৰ

* Speech not corrected

পাচতো বিধান সভাৰ কমিটিয়ে এইটো সম্পূর্ণ বন্ধ কৰি দিলে সেইটো নুবুজিলো। এতিয়া সেইটো উঠাই লৈ অতি সোনকালে পুনৰ নিৰ্ম্মানৰ বাবে কাম আৰম্ভ কৰিবলৈ মন্ত্রী মহোদয়ে নিৰ্দ্দেশ দিবনে ?

মাননীয় অধ্যক্ষ : শ্রীৰাভা ডাঙৰীয়া, যিহেতু ইয়াত বিধান সভাৰ কমিটিৰ প্রশ্ন উঠিছে আপুনি মোৰ লগত যোগাযোগ কৰিব। ডিচিচনটো মই দিব লাগিব।

* **শ্রীমিলন বড়ো :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, হাৰিভাঙ্গা পি, এইচ, চি কৰিবলৈ কোন হেডৰ পৰা টকা দিবলৈ দিছিল ? টি, এচ, পি, মে এচ, চি, পিৰ পৰা ?

* **ডাঃ ভূমিধ্রৰ বর্ম্মন (স্বাস্থ্য মন্ত্রী) :** টি, এচ, পি।

* **শ্রীমিলন বড়ো :** টি, এচ, পি শিতানত থকা টকা কেনেকৈ বাজ্যিক চিকিৎসালয়ত দিছে ? টি, এচ, পি এলেকা নথকাকৈ এই টকা কেনেকৈ দিছে ? এই টকাটো নিদিয়াৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো। এই বিষয়ে মন্ত্রী মহোদয়ে জনাবনে ?

* **ডাঃ ভূমিধ্রৰ বর্ম্মন (স্বাস্থ্য মন্ত্রী) :** ওচৰে পাজৰে টি, এচ, পিৰ এলেকা আছে। সকলোৰে উন্নতি হব।

* **শ্রীমিলন বড়ো :** মাননীয় অধ্যক্ষ মহোদয়, টি, এচ, পিৰ এলেকা নথকাকৈ কেনেকৈ সেই টকা দিছে মন্ত্রী মহোদয়ে জনাবনে ? টি, এচ, পি এলেকাৰ উন্নতিকৰণৰ টকা আন হেডত দিলে টি, এচ, পিৰ এলেকা কেনেকৈ উন্নতিকৰণ হ'ব ?

মাননীয় অধ্যক্ষ : কমিটিয়ে বিবেচনা কৰিছে, পিচত মই চাম।

* **শ্রীচন্দন চক্রবর্ত্তী :** মাননীয় অধ্যক্ষ মহোদয়, অনুসুচিত জাতি আৰু জনজাতিৰ কম্পোনেণ্ট প্লেনৰ টকাটো এচ, চি, এচ, টিৰ উন্নয়নৰ কাৰণে ৰখা হয়। এই টকাটো টি, এচ, পি আৰু এচ, চি, পি আচনিত খৰছ কৰিব লাগে। যদি কমিটিয়ে আন এটা হেডলৈ দিয়াৰ কাৰণে ডিচিচন লৈছে

* Speech not corrected

তেন্তে এই টকাটো মিচইউজ কৰা হৈছে। টকাটো যাতে মিচইউজ নহয় তাৰ বাবে মন্ত্রী মহোদয়ে চাবনে ?

মাননীয় অধ্যক্ষ : সেইটো মই চাম।

* শ্রীগোস্বামী পেগু (মন্ত্রী) : এই বিষয়ে পিচত আলোচনা কৰিবলৈ মই মাননীয় অধ্যক্ষক অনুৰোধ কৰিলো।

Mr. Speaker : Now Question No. 106, Questioner Shri Nagen Sarma, Minister, Health to reply.

বিষয় : অসমত P. H. C.ৰ সংখ্যা

শ্রীনগেন শর্ম্মাই সুধিছে :

* ১০৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমত মুঠ P. H. C. ৰ সংখ্যা কিমান ?

খ) ওপৰত উল্লেখ কৰা P. H. C. সমূহত ১৯৯৩ আৰু ১৯৯৪ চনত কিমান টকাৰ ঔষধ যোগান ধৰা হৈছে ?

গ) নলবাৰী চহৰত স্থাপন কৰা ২০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয় খনৰ গৃহ নির্মাণৰ কাম সম্পূর্ণ কৰা হৈছেনে ?

ডাঃ ভূমিধৰ বর্ম্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) অসমত মুঠ P. H. C. ৰ সংখ্যা ৫৪৫ খন।

খ) এই প্রাথমিক স্বাস্থ্য কেন্দ্র সমূহত
১৯৯২-৯৩ চনত— ১,৩০,৫০,৪০০,০০ টকা
১৯৯৩ ৯৪ চনত— ১,৩৩,০২,৮৪০ টকাৰ ঔষধ যোগান ধৰা হৈছিল।

গ) নলবাৰী চহৰত স্থাপন কৰা ২০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়ৰ বর্হি-বিভাগৰ গৃহ নির্মাণৰ কাম সম্পূর্ণ হৈছে। ভিতৰৰ কাম সম্পূর্ণ হোৱা নাই।

* Speech not corrected

* শ্রীনগেন শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে পি, এইচ, চিৰ বাবে ১৯৯২/৯৩ চনত ১,৩১,৫০,৪০০,০০ টকা খৰছ কৰা বুলি উল্লেখ কৰিছে। ১৯৯৩/৯৪ চনত ১,৩৩,০২,৮৪০ টকা খৰছ কৰিছে বুলি উল্লেখ কৰিছে। মন্ত্রী মহোদয়ে এই টকা খিনিৰ ঔষধ কিনা বুলি কৈছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ঔষধ কিনোতে অদৰকাৰী ঔষধো কিনা হৈছিল ? কিমান অদৰকাৰী ঔষধ কিনা হৈছিল ? দ্বিতীয়তে মন্ত্রী মহোদয়ে অসামৰিক চিকিৎসালয়ৰ গৃহ নির্ম্মাণৰ কাম চলি আছে বুলি কৈছে। এই গৃহ নির্ম্মাণৰ কাম ১৯৯৫-৯৬ চনত সম্পূর্ণ হব নেকি ? ইয়াৰ ইন্দোৰৰ কাম আৰম্ভ হৈছে নেকি ?

* ডাঃ ভূমিধ্বৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) : মই নিজেই ডাক্তৰ। অদৰকাৰী ঔষধ কিনাৰ ক্ষেত্রত মই কব বিচাৰিছো যে, হস্পিতালত কি কি ঔষধৰ প্রয়োজন হয় ঔষধ কিনাৰ কাৰণে নির্দ্দেশ দিয়া আছে। তেওঁলোকৰ লিষ্ট তৈয়াৰী কৰি ঔষধ কিনিব। আৰু সেই লিষ্টখন যেতিয়া পাৰ্চেজ বোৰ্ডলৈ আহিব তেতিয়া অদৰকাৰী ঔষধ আছে যদি ধৰা পৰিব। স্কুটিনীৰ ব্যৱস্থা কৰা হৈছে। এই মর্ম্মে নির্দ্দেশ দিয়া হৈছে। নলবাৰী যিখন চিভিল হস্পিতালৰ কথা কৈছে, ইন্দোৰৰ যিখিনি কাম আছে তাৰ বাবে টকা দিয়া হৈছে। ১৯৯৫/৯৬ চনত গোটেই নহলেও প্রায় চলিব পৰাকৈ কমপ্লিট হব।

* শ্রীনগেন শর্ম্মা : নলবাৰী হস্পিতাল খনত অপাৰেচন থিয়েটাৰ নোহোৱাৰ কাৰণে, ৰোগীসকল গুৱাহাটীলৈ আহিব লগা হয়। ১৯৯৫/৯৬ চনৰ ভিতৰত অপাৰেচন থিয়েটাৰ এটা কৰিব পৰা যাবনে ? মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* ডাঃ ভূমিধ্বৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) : মাননীয় সদস্য গৰাকীয়ে ঠিক কথাই কৈছে। নলবাৰীত অপাৰেচন থিয়েটাৰ নথকাৰ কাৰণে দুখীয়া মানুহ খিনিৰ বিশেষকৈ অসুবিধা হৈছে। তেওঁলোকো গুৱাহাটীলৈ আহিব লগা হয়। ১৯৯৫/৯৬ চনৰ ভিতৰত অপাৰেচন থিয়েটাৰ এটা হলে দুখীয়া মানুহ খিনিৰ সুবিধা হব। তাৰ কাৰণে ব্যৱস্থা লম।

---

* Speech not corrected

* শ্রীনজরুল হক : মাননীয় অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্রী মহোদয়ৰ পৰা স্পষ্টিকৰণ বিচাৰিছো যে, গোৱালপাৰা চিভিল হস্পিতালটো নৰক কুন্দত পৰিণত হৈছে। এতিয়া যিটো নতুন বিল্ডিং বনোৱা হৈছে সেইটো সোনকালে অপেন কৰাৰ ব্যৱস্থা কৰিবনে ? কোন তাৰিখে অপেন কৰিব এই সদনত মাননীয় মন্ত্রী মহোদয়ে তাৰিখটো ঘোষণা কৰিবনে ?

* ডাঃ ভূমিধ্বৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, গোৱালপাৰা চিভিল হস্পিতালৰ যিটো নতুন কন্ট্রাকচন হৈছে তাৰ আউট দ'বটো সম্পূর্ণ হৈছে আৰু ইনদ'বটোৰ কাম চলি আছে। মই নিজেই ভাবিছো যে, এপ্রিল মাহৰ ভিতৰতে আউট দ'বটো আৰু তাত যিখিনি বেমাৰী ৰাখিব পাৰি সেইখিনিৰ ব্যৱস্থা কৰি এপ্রিল মাহৰ ভিতৰতে অপেন কৰিব পাৰিম এই সম্পর্কত মই মাননীয় সদস্যৰ লগত আলোচনা কৰি ডেট ঠিক কৰিম।

* শ্রীনগেন শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী অসামৰিক চিকিৎসালয়ৰ যিখিনি মাটি আছে তাৰ পকাৰ ওৱালৰ ফালে কোনোবাই বে-দখল কৰিছে। ইয়াৰ ব্যৱস্থা মন্ত্রী মহোদয়ে লবনে ?

* ডাঃ ভূমিধ্বৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, বে-দখল কৰা মই এতিয়াও শুনা নাই। আজি খবৰ লম আৰু যদিহে বে-দখল কৰিছে তেনেহলে উচ্ছেদ কৰা হব। (Interruptions noise in the House)

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, তেখেতে কৈছে যে, নলবাৰী হস্পিতালৰ মাটি বে-দখল কৰাটো তেখেতৰ দৃষ্টিগোচৰ হোৱা নাই। এই কথাটো স্বাস্থ্য মন্ত্রীয়ে শুদ্ধ কথা কোৱা নাই। দিষ্ট্রিক চাব দিভিজনেল প্লেনিঙৰ মিটিঙটো এইটো আলোচনা হৈছে। তেখেতৰ জোৱায়েকে এইটো বে-দখল কৰিছে। গতিকে এইটো ভাঙিবনে নাই জনাব লাগে।

* ডাঃ ভূমিধ্বৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, যদিহে বে-দখল কৰিছে তেনেহলে ভাঙিবৰ বাবে ব্যৱস্থা লম।

Mr. Speaker : Now Question no. 107, Dr. Kamala Kalita, Minister, Health to reply.

---

* Speech not corrected

বিষয় : আধাৰশিলা স্থাপন।

ডাঃ কমলা কলিতাই সুধিছে :

* ১০৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ছয়গাওঁ সমষ্টিৰ অন্তর্গত জামুগুৰী প্রাথমিক স্বাস্থ্য কেন্দ্রটোৰ কেতিয়া আধাৰশিলা স্থাপন কৰা হৈছিল ?

(খ) উক্ত চিকিৎসালয়খনৰ নির্মাণ কার্য্য সম্পূর্ণ হ'ল নে ?

(গ) উক্ত চিকিৎসালয়খনৰ বাবে পদসমূহ মঞ্জুৰী দিয়া হল নেকি ?

ডাঃ ভূমিধ্রৰ বৰ্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ছয়গাওঁ সমষ্টিৰ অন্তর্গত জামুগুৰী প্রাথমিক স্বাস্থ্য কেন্দ্রৰ আধাৰশিলা ১৯৮৮ চনৰ ৬ মে তাৰিখে স্থাপন কৰা হৈছিল।

(খ) সম্পূর্ণ হোৱা নাই। শতকৰা ৮৫ শতাংশ কাম হৈছে।

(গ) হোৱা নাই।

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ উত্তৰ মন্ত্রী মহোদয়ে ১৯৯২ চনৰ বাজেট অধিবেশনতো দিছিল যে ৮৫ শতাংশ কাম সম্পূর্ণ হৈছে। আৰু এতিয়া ১৯৯৫ চনতো ৮৫ শতাংশ কাম সম্পূর্ণ হৈছে বুলি কৈছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো কিমান শতাংশ কাম সম্পূর্ণ হলে হস্পিতালৰ পদ বিলাক মঞ্জুৰি দিয়াৰ ব্যৱস্থা কৰিব ?

* ডাঃ ভূমিধ্রৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, যদিও আগতে কমতে দিয়া হৈছিল আৰু মাননীয় সদস্য আগতে স্বাস্থ্য মন্ত্রীও আছিল তেখেতে জানে বালিকুছিত ২০ শতাংশ কাম হোৱাৰ পিচতে পদৰ বাবে মঞ্জুৰী দিয়া হৈছিল। কিন্তু এতিয়া আমি ঠিক কৰিছো ৮০ শতাংশ কাম হোৱাৰ পিচতে মঞ্জুৰী দিম।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে ৮০ শতাংশ কাম হোৱাৰ পিচতে পদৰ মঞ্জুৰী দিয়া হব। কথা হৈছে ১৯৯২ চনতে ৮৫

* Speech not corrected

শতাংশ কাম সম্পূর্ণ হৈছে আৰু সেই হস্পিতালৰ পদ সমূহ মঞ্জুৰী কৰাৰ কাৰণে মই নিজেও বাৰম্বাৰ চিঠি লিখিছো। কিন্তু এই চিকিৎসালয়ৰ পদসমূহ ৩ বছৰ ধৰি মঞ্জুৰী নকৰাৰ কাৰণ কি জনাবনে ?

* ডাঃ ভূমিধ্বৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, এই চিকিৎসালয়ৰ পদ মঞ্জুৰীৰ বাবে দিয়া মোৰ মনত আছে। ছয়গাওঁত আন এখন হস্পিতালৰ পদ মঞ্জুৰী হৈছে। কিন্তু এইখনৰ হৈছেনে নাই এইটো ঠিক এতিয়া কব নোৱাৰো।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাবনে যে, এই বাজেট অধিবেশন চলি থকাৰ সময়তে এই চিকিৎসালয়ৰ পদ সমূহ মঞ্জুৰী কৰাৰ ব্যৱস্থা কৰিবনে ?

* ডাঃ ভূমিধ্বৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, মই আগতেই এইটোৰ সম্পৰ্কে নিৰ্দ্দেশ দিছিলো। এই সম্পৰ্কে এখন চিঠিও আহিছে। মই এটা কপি পাইছো আৰু মাননীয় সদস্য কলিতা ডাঙৰীয়ালৈ চিঠিখন মাৰ্ক কৰি দিছো। ছয়গাওঁৰ চি, এইচ, চিটো হৈছেনে নাই এইটো মনত নাই। যদিহে হোৱা নাই তেনেহলে কৰাৰ কাৰণে ই এণ্ড দি বিভাগক অতি সোনকালে জনাম।

Mr. Speaker : Now Question No. 108, Questioner Shri Alauddin Sarkar. Minister, Panchayat to reply.

বিষয় : আঞ্চলিক পঞ্চায়ত পৰিষদলৈ ক্ষমতা হস্তান্তৰ।

শ্রীআলাউদ্দিন সৰকাৰে সুধিছে :

* ১০৮। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ৰাজ্যৰ গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়ত পৰিষদবোৰলৈ কি কি ক্ষমতা হস্তান্তৰ কৰা হৈছে ?

(খ) উক্ত ক্ষমতা সমূহ বাস্তবায়ন কৰিবলৈ চৰকাৰী বিষয়া পৰ্য্যায়ত কিদৰে সহায় আগবঢ়োৱা হৈছে ?

* Speech not corrected

(গ) কেন্দ্রীয় তথা ৰাজ্য চৰকাৰৰ আচনি সমূহ বাস্তবায়নৰ ক্ষেত্ৰত উক্ত অনুষ্ঠান সমূহলৈ পোনপতীয়াকৈ ধনৰ যোগান ধৰা হৈছেনে ?

(ঘ) গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়ত পর্য্যায়ত কোন কোন বিষয়ৱৰীয়াক নিয়োজিত কৰা হৈছে উক্ত ধন ৰক্ষনাবেক্ষণ আৰু আচনি সমূহ কার্য্যকৰী কৰাৰ ক্ষেত্ৰত ?

ডাঃ ভূমিধ্ৰৱ ৰৰ্ম্মণ (পঞ্চায়ত বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম পঞ্চায়ত আইন ১৯৯৪ ৰ বিধান অনুযায়ী গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তবোৰে বর্ত্তমান ঠেলা, বিক্সা, গৰুৰ গাড়ী, চাইকেল, বিভিন্ন সামগ্রীৰ দোকান ইত্যাদিৰ ওপৰত কৰ আদায় কৰি আছে। তাৰ উপৰিও জৰাহৰ ৰোজগাৰ আচনি ৰূপায়ন, IRDP আচনিৰ হিতাধিকাৰীৰ নিৰ্ব্বাচন আদিৰ ক্ষমতাও পঞ্চায়তক দিয়া হৈছে। আঞ্চলিক পঞ্চায়ত সমূহক সেইবিলাকৰ এলেকাৰ অধীনস্থ বজাৰ, ফেৰীঘাট আৰু মীন মহলৰ পত্তন দিয়াৰ ক্ষমতাও দিয়া হৈছে।

(খ) খণ্ড উন্নয়ন বিষয়াসকলক আঞ্চলিক পঞ্চায়তৰ পদেন সচিব হিচাবে নিযুক্তি দিয়া হৈছে। উন্নয়ন খণ্ডৰ অন্যান্য বিষয়া কর্মচাৰী সকলেও পঞ্চায়তৰ দ্বাৰা আচনি ৰূপায়ন কৰাত সহায় সহযোগ কৰি আছে।

(গ) গাওঁ পঞ্চায়ত সমূহলৈ জিলা গ্রামীন বিকাশ অভিকৰণৰ [DRDA] যোগেদিহে ধনৰ যোগান ধৰা হৈছে।

(ঘ) আঞ্চলিক পঞ্চায়ত বিলাকত জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া / খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তা আৰু সম্প্রসাৰণ বিষয়াসকলক মকৰল কৰা হৈছে। গাওঁ পঞ্চায়তত সচিব নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তত চাকৰী চৰকাৰীকৰণ কৰা পঞ্চায়ত কর্মচাৰী সকলক নিয়োগ কৰা হৈছে।

* শ্রীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে পঞ্চায়ত সমূহৰ পৰা কৰ সংগ্রহৰ বাবে যি তৃতীয় আৰু চতুর্থ শ্রেণীৰ কর্মচাৰীৰ প্রয়োজন হয় সেই কর্মচাৰী সকলক নিযুক্তিৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ? দ্বিতীয়তে পঞ্চায়ত কর্মচাৰী

* Speech not corrected

সন্থাৰ যি দাবী আছিল সেই দাবী বিলাক বাস্তৱত ৰূপায়িত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

* ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, এতিয়া পঞ্চায়ত বিলাক আগৰ দৰে নাই। এতিয়া বহুত শক্তিশালী হৈছে। তেওঁলোকে ২ টকা কিলোৰ চাউল দিয়াৰ পাৱাৰ পাইছে। এতিয়া পঞ্চায়ত সমূহৰ ক্ষমতা বহুত বেছি। পঞ্চায়ত চেক্রেটৰিৰ পদ বিলাকো প্রভিনচিয়েলাইজ কৰা হৈছে। যোগ্যতা অনুসৰি তেওঁলোকক প্রমোচনো দিয়া হৈছে।

* শ্রীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই পঞ্চায়ত চেক্রেটাৰী সকলে ঠিকমতে দৰমহা পাইছেনে নাই ?

* ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, আগতে কেইমাহ মানৰ দৰমহা পালে। এতিয়াও হৈ যাব।

(Starred question No. 109 to 120 could not be taken up, as the Question Hour was over. However, the replies of the said questions deemed to have been laid on the table of the House)

বিষয় : জন্ম মৃত্যুৰ পঞ্জীয়ন

শ্রীৰামেশ্বৰ প্রানোৱাৰে সুধিছে :

* ১০৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) মাৰ্ঘেৰিটা মহকুমাৰ জন্ম মৃত্যুৰ পঞ্জীয়ন কেটেটং প্রাথমিক স্বাস্থ্য কেন্দ্রত কৰা হয় বুলি চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে জয়ৰামপুৰ, বৰডুমছা- ফিলবাৰী পেঙেৰী আৰু ডিগৰৈৰ পৰা কেটেটঙলৈ দূৰত্ব আৰু যাতায়ত ব্যৱস্থাৰ কথা অবগত আছেনে ?

---

* Speech not corrected

(গ) উক্ত কেন্দ্রত পঞ্জীয়ন কৰা কামৰ বাবে কেইজন কর্মচাৰীক নিযুক্তি দিয়া হৈছে আৰু এনে এখন ভিতকৰা আৰু যাতায়তৰ সুব্যৱস্থা নথকা ঠাইত এনে এটা আৱশ্যকীয় বাধ্যতামূলক কামৰ দায়িত্ব দিয়াত বাইজৰ আপত্তি আৰু অসুবিধা দূৰ কৰাৰ কিবা ব্যৱস্থা হাতত লৈছেনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জানো।

(খ) হয় আছে।

(গ) উক্ত কেন্দ্রত পঞ্জীয়ন কৰা কামৰ বাবে দুজন কর্মচাৰী নিয়োগ কৰা হৈছে আৰু বাইজৰ অসুবিধা দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

বিষয় : চিকিৎসালয়ত নুন্যতম ঔষধ।

শ্ৰীচন্দ্রমোহন পাটোৱাৰীয়ে সুধিছে :

* ১১০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বর্ত্তমান মেডিকেল কলেজকে ধৰি অসমৰ সকলো চিকিৎসালয়ত নুন্যতম ঔষধ, বেণ্ডেজ আনকি বেজি দিবলৈ ব্যৱহাৰ কৰা স্পিৰিটকনো যে নাই সেই বিষয়ে স্বাস্থ্য মন্ত্রী অৱগতনে ?

(খ) যদি অৱগত তেনেহলে ইয়াৰ কাৰণ কি, আৰু ইয়াৰ নিৰাময়ৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বর্ত্তমান মেডিকেল কলেজকে ধৰি অসমৰ সকলো চিকিৎসালয়ত নুন্যতম ঔষধ, বেণ্ডেজ আনকি বেজি দিবলৈ ব্যৱহাৰ কৰা স্পিৰিট নোহোৱা কথাটো সঁচা নহয়।

(খ) প্রশ্ন নুঠে।

বিষয় : চিটি বাছৰ ষ্টপেজ।

শ্রীপৰিমল শুক্লবৈদ্যয়ে সুধিছে :

* ১১১। মাননীয় পৰিবহণ বিভাগৰ মন্ত্রীয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গুৱাহাটী মহানগৰীৰ ১৪ নং চিটি বাছ কাছাৰীৰ পৰা লখৰালৈ চলে, কিন্তু গধূলি ৬ বজাৰ পিছৰ পৰা লখৰালৈ নগৈ- লালগণেশত ঘূৰাই কিয়, চৰকাৰ অৱগত নে ?

(খ) উক্ত পথত চিঠি বাছৰ ষ্টপেজ কাগজে কলমে থাকিলেও বাস্তৱিকতে য'তে ততে ৰখাই আৰু নিয়মিত গতিবেগতকৈ বহুত কম গতিবেগত চলাই যাত্রীক বহুত অসুবিধাত পেলোৱাৰ খবৰ দিয়াৰ পাচতো বিভাগীয় কৰ্তৃপক্ষই কিয় কোনো ব্যৱস্থা গ্রহণ নকৰে ?

শ্রীশিৱশঙ্কৰ ওজা (পৰিবহণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ১৪নং চিটিবাছ লখৰালৈ চলি আছে।

(খ) চিটি বাছ নির্দিষ্ট ষ্টপেজতে ৰাখে আৰু বাছৰ গতিবেগ নিয়ন্ত্রিত কৰি চলোৱা হয়।

বিষয় : স্বাস্থ্য কেন্দ্রৰ সংখ্যা।

শ্রীভূপেন ৰায়ে সুধিছে :

* ১১২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বঙাইগাওঁ জিলাৰ বর্ত্তমান কিমানখন প্রাথমিক স্বাস্থ্য কেন্দ্র, বাজিক চিকিৎসালয় আৰু ত্রিশখন বিছনাযুক্ত চিকিৎসালয় আছে অনুগ্রহ কৰি জনাবনে ?

(খ) উক্ত চিকিৎসালয় সমূহত প্রয়োজন অনুযায়ী চিকিৎসক ফার্মাচিষ্ট, নাৰ্চ আদি আছেনে ?

(গ) যদি নাই, তেনেহলে পদ সমূহ খালী হৈ আছে নেকি ? যদি খালী হৈ আছে, পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা অতি শীঘ্রে লবনে ?

(ঘ) বাঙাপানী, চাকলা, সৃজনগ্রাম আৰু লাওঁবাৰীত কিমান দিন ধৰি চিকিৎসক নাই, অনুগ্রহ কৰি জনাবনে ?

ডাঃ ভূমিধ্বৰ বৰ্মণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বঙাইগাওঁ জিলাত বৰ্ত্তমান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ—২৪ খন
ৰাজ্যিক চিকিৎসালয়—১৪ ,,
৩০ খন বিছনাযুক্ত চিকিৎসালয়— ৪ ,, আছে।

(খ) কেইখন মানত নাই।

(গ) হয়, খালী হৈ আছে। খালী হৈ থকা পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(ঘ) সৃজনগ্ৰাম প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে ৰাঙাপানী ঝাওঁবাৰী ৰাজ্যিক চিকিৎসালয়ত চিকিৎসকে কাম কৰি আছে। চাকলা, ককিলা ৰাজ্যিক চিকিৎসালয়ত যোৱা ২০/৩/৯৫ ইং তাৰিখে এজন চিকিৎসকে কামত যোগদান কৰিছে। সৃজনগ্ৰাম প্ৰাথমিক চিকিৎসালয়ত বৰ্ত্তমান চিকিৎসক নাই যদিও চিকিৎসক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। ইতিমধ্যে এটা জ্যেষ্ঠ চিকিৎসকৰ পদত ডাঃ তাৰিণী চৌধুৰীক নিযুক্তি দিয়া হৈছে।

(Starred Question No. 113 was postponed)

বিষয় ঃ বৃদ্ধ পেঞ্চন।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

* ১১৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত ১৯৯১ চনৰ পৰা আজিলৈকে কিমানজন বৃদ্ধ (বুঢ়া) মানুহক (ভাট্টা) পেঞ্চন দিয়া হৈছে তাৰ ব্লক আৰু জিলা ভিত্তিত এটি তালিকা সদত দাখিল কৰিবনে ?

(খ) ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ অসমত কিমানটা নতুন অঙ্গনবাদী ব্লক আই, চি ডি, এছ প্ৰজেক্ট মঞ্জুৰী ভাৰত চৰকাৰে দিছে আৰু কিমানজনে নিযুক্তি পাইছে তাৰে তালিকা এটি সদনত দাখিল কৰিবনে ?

(গ) অসমত অঙ্গনবাদী চেণ্টাৰ কিমানটা আছে আৰু ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ সৰ্বমুঠ কিমান টকা খৰছ হৈছে জনাবনে ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ৪৩,৫০০ জন। জিলা ভিত্তিত বৃদ্ধ পেঞ্চন পোৱা লোকৰ তালিকা লগত গাঠি দিয়া হ'ল। খণ্ড উন্নয়ণ ভিত্তিত পেঞ্চন পোৱা লোকৰ তালিকা সদ্যহতে আমাৰ হাতত নাই। তথ্য সমূহ সংগ্রহ কৰি থকাৰ ব্যৱস্থা কৰা হৈছে। পোৱা হলে সদনত দাখিল কৰা হ'ব।

(See the Annexure—VIII)

(খ) ১৯ টা নিয়োগৰ সংখ্যা ৩৯৭। তালিকা সদনৰ মজিয়াত পেছ কৰা হ'ল।

(গ) অসমত মুঠ ১১,৫১০ টা অঙ্গনবাদী কেন্দ্র আছে আৰু মুঠ খৰছ ২৯ কোটি ৫ লাখ টকা।

বিষয় : নতুন P. H. C.

মৌলানা আব্দুল জলিলৰাগিৰীয়ে সুধিছে :

* ১১৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) যমুনামুখ সমষ্টিৰ চিতলমাৰিত নতুন P. H. C. নির্মাণ কৰাৰ কোনো প্রস্তাব চৰকাৰৰ বিবেচনাধীন হৈ আছেনে ?

(খ) যোৱা A. G. P. চৰকাৰৰ সময়ত উক্ত চিতলমাৰিত এখন P. H. C. নির্মাণৰ প্রস্তাৱ স্থানীয় বিধায়কে আগবঢ়োৱা কথাটো সঁচানে ?

(গ) চিতলমাৰিত P. H. C. নির্মাণৰ বাবে প্রয়োজনীয় মাটি স্বাস্থ্য বিভাগে P. W. D. (B) চমজাই দিয়া কথাটো সঁচানে ?

(ঘ) চিতলমাৰিত P. H. C. নির্মাণৰ কাম কেতিয়া আৰম্ভ হব ?

ডাঃ ভূমিধৰ বর্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) সঁচা নহয়।

(গ) হয়।

(ঘ) গড়কাপ্তানী বিভাগে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ওচৰত এতিয়াও প্ৰাক-কলন দাখিল কৰা নাই। গড়কাপ্তানী বিভাগে প্ৰাক-কলন দাখিল কৰাৰ পিছত পুঁজি সাপেক্ষে প্ৰশাসনীয় অনুমোদন দি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো নিৰ্মাণৰ ব্যৱস্থা কৰিব পৰা যাব।

বিষয় ঃ E. C. G. MACHINE.

শ্ৰীক্ৰৱকুমাৰ সেনে সুধিছে ঃ

* ১১৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰীৰ ২০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়ত E. C. G. মেচিন (Machine) আছেনেকি ?

(খ) যদি নাই নথকাৰ কাৰণ অনুগ্ৰহ কৰি জনাবনে ?

(গ) যদি নাই অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিপ্ৰৱ বৰ্ম্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰীৰ ২০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়ত E. C. G, মেচিন বৰ্ত্তমান নাই।

(খ) কোনো অসামৰিক চিকিৎসালয়তে পুঁজিৰ অভাৱত E. C. G. মেচিন দিয়া হোৱা নাই।

(গ) পুঁজিৰ সাপেক্ষে ভৱিষ্যতে E. C. G. মেচিন দিয়াৰ সম্পৰ্কে বিবেচনা কৰা হব।

বিষয় ঃ মণ্ডল কমিচনৰ ৰিপোৰ্ট।

শ্ৰীপ্ৰণৱ কুমৰ নাথ, জিজ্ঞাসা কৰছেন ঃ

* ১১৭। মাননীয় ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জনাবেন কি ?

(ক) আসাম চরকার মণ্ডল কমিশনের রিপোর্ট এর সিদ্ধান্ত অনুযায়ী ২৭% ও বি সি দের জন্য সংরক্ষন ব্যবস্থা চালু করেছেন কি ? যদি হয় কখন কি ভাবে, যদি না কেন ?

(খ) আসামে জিলা ভিত্তিক ও বি সি দের প্রকৃত জনসংখ্যার হিচাব পাওয়ার জন্য রাজ্য সরকার (সেনসাস) গণনার ব্যবস্থা করিয়েছেন কি ?

(গ) যদি হয় কখন কি ভাবে, যদি না কেন ?

শ্রীগোস্বেশ্বর পেগু (ভৈয়াম জনজাতি এবং অন্যান্য পিছপরা শ্রেণীর কল্যান বিভাগের মন্ত্রী) উত্তর দিয়েছেন :

(ক) মণ্ডল কমিশনের প্রতিবেদনে কোনো নির্দ্দিষ্ট শতাংশ সংরক্ষনের সুপারিশ নাই। তবে, এই প্রতিবেদনের ভিত্তিতে অসম সরকার ১৫ (নেরো) শতাংশ সংরক্ষনের ব্যবস্থা করিয়াছে।

(খ) জনগণনার (Census) ব্যবস্থা কেন্দ্রীয় সরকারের এক্তিয়ারভুক্ত। তবে অনুন্নত শ্রেণীর জনসংখ্যার জিলা ভিত্তিক তথ্য সংগ্রহের উদ্দেশ্যে যথাবিহিত ব্যবস্থা গ্রহণের জন্য রাজ্য সরকার নবগঠিত অনুন্নত শ্রেণী কমিশনের সঙ্গে আলোচনা করিতেছেন।

বিষয় ঃ জিলা পরিষদৰ নিৰ্ব্বাচন।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে :

* ১১৮। মাননীয় পাৰ্ব্বত্য অঞ্চল বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা দুখনৰ জিলা পৰিষদৰ নিৰ্ব্বাচন কেতিয়া অনুস্থিত হব লাগিছিল, বৰ্তমান উক্ত জিলা পৰিষদ দুখনৰ নিৰ্ব্বাচন অনুস্থিত হবনে ?

(খ) যদি হয়, কেতিয়া অনুস্থিত হব ?

(গ) যদি নহয়, নোহোৱাৰ কাৰণ কি ?

শ্রীগোবিন্দ চন্দ্র লাংঠাচা (পাৰ্বত্য অঞ্চল বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) কার্বি আংলং জিলা পৰিষদৰ নিৰ্ব্বাচন ১৯৯৪ চনৰ জানুৱাৰী মাহৰ ভিতৰত আৰু উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলা পৰিষদ নিৰ্ব্বাচন ১৯৯২ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত অনুষ্ঠিত হব লাগিছিল।

কিন্তু, উক্ত জিলা পৰিষদ দুখনৰ নিৰ্ব্বাচনৰ তাৰিখ এতিয়ালৈকে নিৰ্দ্ধাৰণ কৰা হোৱা নাই। সময়মতে ভোটাৰ তালিকা সংশোধন নোহোৱাৰ কাৰণে, জিলা দুখনৰ আইন শৃংখলাৰ অৱনতি হোৱাৰ বাবে আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ত (চিভিল কল নং ২৬৬৮/৯৪ আৰু চিভিল কল নং ২৮৩৪/৯৪) আৰু ভাৰতৰ উচ্চতম ন্যায়ালয়ত (এচ, এল, পি নং ১৭৩১৬-১৭৩১৭/৯৪) নিৰ্ব্বাচন সম্পৰ্কীয় গোচৰ বিধাবাধীন হৈ থকাৰ কাৰণে এতিয়ালৈকে নিৰ্ব্বাচন অনুষ্ঠিত কৰিব পৰা হোৱা নাই।

(খ) ভাৰতৰ উচ্চতম ন্যায়ালয়ত ৰাজ্যিক চৰকাৰে দাখিল কৰা বিশেষ আবেদনৰ মৰ্মে দিয়া ৰায়ত ৰাজ্যিক চৰকাৰক উপৰোক্ত গোচৰত ২২ আৰু ৩১ আগষ্ট ১৯৯৪ তাৰিখত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায় সংশোধনীৰ বাবে আবেদন কৰিবলৈ নিৰ্দ্দেশ দিছে। এই সংশোধনী গোচৰ নিষ্পত্তি হোৱাৰ পিচত জিলা পৰিষদ দুখনৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰিব পৰা যাব।

(গ) জিলা পৰিষদ দুখনৰ নিৰ্ব্বাচন নপতাৰ অন্য কাৰণ চৰকাৰে দেখা নাই।

Re : Establishment of Cancer Institute.

Shri Parameswar Brahma asked :

* 119. Will the Minister of Health & Family Welfare be pleased to state :

(a) Whether steps has been taken up for establishing Upendra Nath Brahma Memorial Cancer Institute of Kokrajhar as declared by the Government ?

Dr. Bhumidhar Barman (Minister Health & Family Welfare) replied :

(a) At present there is no proposal for estabilshment of Upendra Nath Brahma Memorial Cancer Institute at Kokrajhar.

বিষয় : চিকিৎসালয়ৰ আচবাব যোগান।

শ্রীকোম্বেশ্বৰ বৰুৱাই সুধিছে :

* ১২০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) মন্ত্রী মহোদয়ে নিজে গৈ গহপুৰৰ ৩০ খন বিছনাযুক্ত হস্পিটেলখন মুকলি কৰাৰ পিচতো আজিলৈকে ইয়াৰ বিছনাপত্র আচবাব আদিৰ যোগান ধৰা হোৱা নাই, ফলত বাইজৰ অসুবিধা হৈছে। ইয়াৰ বিষয়ে চৰকাৰ জ্ঞাত নে ?

(খ) যদি জ্ঞাত ইয়াৰ আশু ব্যৱস্থা গ্রহণ কৰিবনে ?

ডাঃ ভূমিধ্বৰ বৰ্ম্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) গহপুৰ ৩০ খন বিছনাযুক্ত হস্পিটেলখনৰ বাবে কাঠৰ আচ-বাব আদি যোগান ধৰা হৈছে।

এই চিকিৎসালয়ৰ বাবে স্পাট যুক্ত বিচনাপত্র যোগান ধৰিবৰ বাবে বিহীত ব্যৱস্থা লৈ থকা হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় : স্বাস্থ্য কেন্দ্র নির্ম্মাণ।

শ্রীজীউৰাম বড়োই সুধিছে :

২৪৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) দৰং জিলাৰ খৈৰাবাৰী ৩০ খন বিচনাযুক্ত স্বাস্থ্য কেন্দ্র নির্মাণ কার্য্যৰ আৰু কলাইগাওঁ সমষ্টিৰ পাৰিয়াপাৰা গাওঁত অৱস্থিত উপস্বাস্থ্য কেন্দ্রৰ বিষয়ে অৱগতনে ?

(খ) যদি অৱগত তেতিয়াহলে স্বাস্থ্য কেন্দ্ৰ দুটাৰ নিৰ্ম্মাণৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে আৰু ইংবাজী ১৯৯১-১৯৯২ চনৰ অধিবেশনত দৰং জিলাৰ কালাইগাওঁত আৰু ভকতপাৰাত ৩০ খন বিছনাযুক্ত চিকিৎসালয় প্ৰতিষ্ঠা কৰাৰ বাবে আশ্বাস দিয়াৰ পিচতো কিয় প্ৰতিষ্ঠা কৰা হোৱা নাই ?

(গ) দৰং জিলাৰেই কবিৰ আলি ভকতপাৰা কালাইগাওঁ আৰু খৈৰাবাৰীত অৱস্থিত ৰাজ্যিক চিকিৎসালয় সমূহৰ গৃহ বিলাকৰ অৱস্থাৰ বিষয় অবগতনে ? যদি অবগত এই গৃহ বিলাকৰ পুনৰ নিৰ্ম্মাণৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দৰং জিলাৰ খৈৰাবাৰী ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ নিৰ্ম্মাণ কাৰ্য্যৰ বিষয়ে চৰকাৰ অবগত, কিন্তু কালাইগাওঁ সমষ্টিৰ পাৰিয়াপাৰা গাওঁত উপস্বাস্থ্য কেন্দ্ৰৰ বিষয়ে চৰকাৰ অবগত নহয়। আৰু এই ক্ষেত্ৰত চৰকাৰৰ হাতত কোনো প্ৰস্তাব নাই।

(খ) খৈৰাবাৰী ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ শতকৰা ৮৬ ভাগ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠিছে। দৰং জিলাৰ কালাইগাওঁত ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মাণৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু ভকত পাৰাত ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ প্ৰশাসনীক অনুমোদন আগন্তুক বিত্তীয় বছৰত পুঁজি সাপেক্ষে দিব পৰা যাব।

(গ) সম্পূৰ্ণ অৱগত। ৰাজ্যিক চিকিৎসালয় কেইখনৰ গৃহ নতুনকৈ সাঁজি তুলিবৰ বাবে বিভাগীয় প্ৰশাসনীয় অনুমোদনৰ বাবে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ মহাবিদ্যালয় স্থাপন।

শ্ৰীমহেন্দ্ৰ বৰাই সুধিছে ঃ

২৪৩। মাননীয় বয়ন আৰু বেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিতাবৰত এখন বেচম মহাবিদ্যালয় অনুষ্ঠিত হোৱাৰ কথা আছিল, এইটো সত্য নে ?

(খ) যদি সত্য কেতিয়াকৈ হ'ব ?

শ্রীমতী অমিয়া গগৈ (হস্ত তাঁত আৰু বস্ত্র শিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়, সত্য।

(খ) প্রয়োজনীয় পুঁজিৰ যোগান হোৱাৰ লগে লগে।

Re : "Handloom package Scheme"

Shri Sasha Kamal Handique.

247. Will the Minister of Handloom & Textile be pleased to State.

(a) Whether it is a fact that trainess under Handloom package Schemes are not getting their stipend & other assistance though the Central Government had released the fund since 2 years back ?

(b) If so, when the entire trainees will get their stipend and allowances ?

Smti. Amiya Gogoi (Minister, Handloom Textile & Sericulture.) replied :

(a) It is not a fact—Out of the total 1000 Nos. of trainees 800 have been provided of stipend.

(b) Entire trainees will get their stipend as soon as the required fund is released.

বিষয় - ঘৰ ভাড়াৰ ৰাজহুৱা আবেদন।

শ্রীমুলিন মহন্তই সুধিছে :

২৪৮। মাননীয় গৃহ নির্মান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গুৱাহাটীৰ খাৰঘূলি পাহাৰৰ অসম ৰাজ্যিক গৃহ নির্মান পৰিষদৰ ঘৰ ভাড়া আঁচনি মতে নির্মিত ই ডব্লিউ এচ/এল আই জি/আবাস গৃহত থকা লোক সকলে যোৱা ২১/২/৯১ তাৰিখৰ পৰা ঘৰ ভাড়া

নিদিয়াকৈ থকাতো সত্য নে কি ?

(খ) এই সন্দর্ভত ৫/২/৯১ তাৰিখে চৰকাৰৰ ওচৰত ৰাজহুৱা আবেদন দাখিল কৰিছিল নেকি ?

(গ) যদি দাখিল কৰিছিল এই সন্দর্ভত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে জনাবনে ?

শ্ৰীবলোৱাম্ন নাগ (গৃহ নিৰ্মান বিভাগৰ মন্ত্ৰী, স্বতন্ত্ৰ দায়িত্ব প্ৰাপ্ত ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ই ডব্লিউ এচ বিল্ডিঙৰ ৯৬ জন আবাসিকৰ ভিতৰত ৯১ জন আবাসিক ঘৰ ভাড়া দি থকা নাই আৰু এল, আই, জি আবাস গৃহৰ মুঠ মুঠ ৬ টা ফ্লেটৰ এজনেও ভাড়া আদায় দিয়া নাই।

(খ) ৫/২/৯১ তাৰিখে ৰাইজৰ পৰা এখন আবেদন অসম ৰাজ্যিক গৃহ নিৰ্মান পৰিষদৰ কাৰ্যালয়ত পোৱা হৈছে।

(গ) আবেদনৰ ওপৰত তলত দিয়া ব্যৱস্থা সমূহ গ্ৰহণ কৰা হৈছে।

(১) যোৱা ইংৰাজী ২১/১০/৯২ তাৰিখে বিজুলী যোগান ধৰা হল।

(২) পানী যোগানৰ সন্দর্ভত গুৱাহাটী পৌৰ নিগমৰ পানীৰ পাইপ আদি পৌৰ নিগমৰ অনুমতি সাপেক্ষে পৰিষদে যোৱা ইং ২০/৪/৯২ তাৰিখে কৰাই দিছে। এতিয়া নিগমৰ জলধাৰৰ পৰা পানী সংযোগ দিলে আবাসিক সকলে পানী পাব। কিন্তু এই কাম পৌৰ নিগমে এতিয়ালৈ কৰি দিব পৰা নাই। উল্লেখিত পাহাৰত পৌৰ নিগমৰ পুৰনি পানী লাইনৰ পৰা উক্ত আবাসিক সকলে পানী পাই আছে।

(৩) ঘৰ ভাড়াৰ সন্দর্ভত যিহেতু ভাড়া নিৰ্মানৰ ব্যয়ৰ ওপৰত ভিত্তি কৰি নিৰ্দ্ধাৰণ কৰা হৈছে সেয়েহে ভাড়াৰ পুনৰ নিৰ্দ্ধাৰণ কৰাৰ প্ৰশ্ন নুঠে।

বিষয় : বৃদ্ধ পেঞ্চন।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

২৪৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ ৩০ জুনলৈকে কিমানলৈ বৃদ্ধ পেঞ্চন দিয়া হৈছিল ?

(খ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২৮ ফেব্রুৱাৰীলৈকে কিমান বৃদ্ধ লোকক নতুনকৈ পেঞ্চন দিয়া হৈছে ?

(গ) বৃদ্ধ পেঞ্চন ভোগী ব্যক্তি সকললৈ নিয়মিত ভাবে পেঞ্চন আদায় দিয়া হৈছে নে ?

(ঘ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

(ঙ) বৃদ্ধ পেঞ্চন সমূহ নিয়মিত ভাবে আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ৩২,৭৫৮।

(খ) ১৯৯১ চনৰ ১ নবেম্বৰৰ পৰা অতিৰিক্ত ১০,৭৪২ জনলৈকে নতুনকৈ বৃদ্ধ পেঞ্চন দিয়া হৈছে।

(গ) হোৱা নাই।

(ঘ) দ্বিতীয় নাটনি ।।

(ঙ) প্রয়োজনীয় ব্যৱস্থা হাতত লোৱা হৈছে।

Re : Action Sale of A. S. T. C Buses

Shri Rampyare Rabidas asked :

250 Will the Minister of Transport be pleased to State :

(a) How many A. S. T. C. buses were sold through auction during 91-92, 92-93, 93-94, 94-95 under each division of A. S. T. C.

(Please give a statement mentioning total, number of buses (auctioned) alongwith rate, date of auction and name of purchasers).

(b) Whether any priors notices for auction sale are published through News paper & other medium for wide publicity. ?

Sri Siva Sambhu Oja (Minister of Transport) replied :

(a) The number of buses were sold during the years asked for detailed below.

1991–92	18 Nos.
1992—93	137 „
1993–94	33 „
1994–95	91 „

A statement showing the particulars sought for is placed on the table of the House.

(b) Yes, wide publicity is made through News papers (both local and outside the State).

Re : Assam Homeopathy Act. 1955

Shri Samarendra Nath Sen asked :

251. Will the Minister of Health be pleased to state :

(a) Whether the Government is aware that Homeopathy is getting very popular in India and Government of India is also sponsoring it ?

(b) Is it a fact that to solve Registration problem of Homeopathy Practitioners of India and to make it uniform all over the country, Central Council of Homeopathy, New Delhi convened a joint conference in 1985, attended by all the States including Assam and it was decided to grant Registration to non-registered Homeopathy practitioners according to their length of practice and experience and all the States of N. E. region were requested to amend their Act within two years because in "The Assam Homeopathy Act of 1955" it was written that experience of 5 years upto 1955 which was the guiding

principle of Assam as well as other states of N. E. Region ?

(c) If so, why the Government of Assam is not amending the said act ?

(d) Is it fact that for not getting their registration many good Homeopathy practitioners with their vast experience are facing extreme difficulty ?

(e) If so, whether the Government would amend the act and grant registration ?

Dr. Bhumidhar Barman (Minister of Health and F. W.) replied :

(a) Yes, Government of India is sponsoring the Government Homeopathy Medical Colleges of the State by extending grants-in-aid.

(b) Yes, a joint conference of the Central Council of Homeopathy was held on 12th, 13th and 14th October, 1980 at New Delhi and the conference recommneded that the Homeopathic practitioners who got experience under postal or correspondance course and applied for registration till 31-08-78 might be granted registration within two years considering the fact that they were not aware of the central Act. Such registration was discontinued with effect from 15.9.1978.

(c) There was no recommendation for ammendment of the Assam Homeopathic Act, 1955.

(d) Yes, such registration has already been discontinued with effect from 15.9.1978.

(e) In view of (d) above question of amendment of the Act does not arise.

বিষয় : এম্বুলেন্স কিনাৰ প্ৰস্তাৱ।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

২৫২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা বিত্তীয় বছৰত স্বাস্থ্য বিভাগে কেইখনমান এম্বুলেন্স কিনাৰ যি প্ৰস্তাৱ কৰিছিল তাক কাৰ্য্যকৰী কৰা হলনে বা ভবিষ্যতে কাৰ্য্যকৰী হবনে ?

(খ) যোৰহাট অসামৰিক চিকিৎসালয়ত ইয়াৰ এখন এম্বুলেন্স যোগান ধৰাৰ আশ্বাস কাৰ্য্যকৰী হবনে ?

(গ) যোৰহাট অসামৰিক চিকিৎসালয়ত এটা জেনেৰেটৰ স্থাপন হোৱাৰ দিনাৰ পৰাই অকামিলা হৈ থকাটো সত্যনে, যদি সত্য এই ক্ষেত্ৰত ইয়াৰ বিকল্পৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(ঘ) যোৰহাট অসামৰিক চিকিৎসালয়ত ৰোগীৰ প্ৰেস্ক্ৰিপচনকে ধৰি অন্যান্য কামৰ বাবে প্ৰতিদিনে প্ৰয়োজনীয় ৫ দিস্তা কাগজ যোগান বিভাগে দিব নোৱাৰাৰ কাৰণ কি ? লগতে ধোবাই পাৰ লগা পইচা আদায় নিদিয়াত অস্ত্ৰোপচাৰ কক্ষত অচলাৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে ? যদি অৱগত, এই দুয়োটা ক্ষেত্ৰত কি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঙ) ২৭/৮/৯৩ ত চিকিৎসালয় খনত অনুষ্ঠিত চিকিৎসালয় উপদেষ্টা সমিতিয়ে গ্ৰহণ কৰা প্ৰস্তাৱ সমূহ বাস্তৱত ৰূপায়িত কৰাৰ দিশত চৰকাৰে আজি পৰ্য্যন্ত কি ব্যৱস্থা গ্ৰহণ কৰিলে জনাবনে ?

ডাঃ ভুমিধৰ বৰ্ম্মণ (স্বাস্থ্য-ও-পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৱা বিত্তীয় বছৰত ১০ খন এম্বুলেন্স কিনাৰ প্ৰস্তাৱ আছিল। বৰ্ত্তমান চৰকাৰে এই টকা মুকলি কৰি দিয়াত গাড়ীসমূহ কিনাৰ ব্যৱস্থা কৰি আছে।

(খ) যোৱহাট অসামৰিক চিকিৎসালয়ত এখন এম্বুলেন্স দিয়াৰ ব্যৱস্থা কৰা হব।

(গ) সত্য নহয়। জৰুৰী বৈদ্যুতিক ওয়েৱিঙৰ বিজুতিৰ বাবে বৰ্ত্তমান অচলাৱস্তাত আছে। মেৰামতিৰ ব্যৱস্থা লোৱা হৈ আছে।

(ঘ) কিছুদিনৰ বাবে পূজিৰ অভাৱত সময়মতে কাগজ পত্ৰৰ আৰু ধোৱাৰ পাৱ লগা পইছা দিব পৰা নাছিল। বৰ্ত্তমান পূজিৰ উন্নত হোৱাত কাগজ পত্ৰ আৰু ধোৱাৰ পইছা দিয়া হৈ আছে।

(ঙ) ২৭-৮-৯৩ ত চিকিৎসালয়খনত অনুস্থিত চিকিৎসালয় উপদেষ্টা সমিতিয়ে গ্ৰহণ কৰা প্ৰস্তাৱ সমূহ পূজি সাপেক্ষেহে বিহিত ব্যৱস্থাৰ বাবে বিবেচনা কৰা হয়।

Re : Repairing of P. H. C.

Shri Derhagra Mushahari asked :

253. Will the Minister of Health & Family Welfare be pleased to State :

(a) Whether Government is aware of the fact that Kumarikata Primary Health Centre building is about to be broken down ?

(b) If yes, whether decission is taken to repair the said building and if so when will be repaired ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

(a) Yes, but Kumarikata is a State Dispensary, not a Primary Health Centre.

(b) The P. W. D. has been requested to submit the plan and estimate for repairing the building. The Joint Director of Health Service, Nalbari also intimated the matter to the Principal Secretary, Bodo land Autonomous Council, Kokrajhar since

the Kumarikata State Dispensary falls under the B. A. C. area. Necessary sanction will be accorded dependig upon availability of fund.

বিষয় ঃ মেডিকেল সাব সেন্টারর সংখ্যা

শ্রীমধুসূদন তেওয়ারী জিজ্ঞাসা করছেন ঃ

২৫৪। মাননীয় স্বাস্থ্যও পরিয়াল কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলাৰ মোট কতটি মেডিকেল সাব সেন্টার আছে এবং তাহাদের নাম কি ?

(খ) ফার্মাসিষ্ট বিহীন কতটি সে সাব সেন্টার আছে এবং তাহাদের নাম কি ?

(গ) ফার্মাসিষ্ট বিহীন মেডিকেল সাবসেন্টার গুলিতে ফার্মাসিষ্ট দেওয়া ব্যবস্থা লওয়া হইবে কি ? এবং কখন ?

ডাঃ ভূমিধর বর্মণ (স্বাস্থ্য আরু পরিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কৰিমগঞ্জ জিলাত মুঠতে ১৮ টা উপ-স্বাস্থ্য কেন্দ্র আছে। কেন্দ্র কেইখনৰ নাম এনে ধৰণৰ (১) ব্রজেন্দ্র নগৰ (২) মাৰজাতকান্দি (৩) আংলাৰ বজাৰ (৪) চৰগোলা (৫) দেওধৰ (৬) ব্রজৰংঘাট (৭) কলকলিঘাট (৮) চেৰাগি (৯) মালুৱা (১০) আলোকাৰগুল (১১) লামাবাতাবৰী (১২) ফাকুৱা (১৩) চানিঘাট (১৪) ববাপুজি (১৫) কুকিটল (১৬) ৰাণীবাৰী (১৭) চিঞাৰিয়া (১৮) কছাৰিগাওঁ।

(খ) ফার্মাচিষ্ট নথকা উপ-স্বাস্থ্য কেন্দ্র মুঠ ৯ খন। নাম সমূহ এনে ধৰণৰ (১) মালুৱা (২) ৰাণীবাৰী (৩) কছাৰিগাওঁ (৪) ফাকুৱা (৫) চানি-ঘাট (৬) ববাপূজি (৭) কুকিটলা (৮) চিঞাৰিয়া (৯) কেছাৰিগাওঁ

(গ) ফার্মাচিষ্ট নথকা উপ-স্বাস্থ্য কেন্দ্র সমূহত ফার্মাচিষ্ট পদ সৃষ্টি কৰিব পৰা নাযাব।

বিষয় ঃ I.R.D.P. আৰু J.R.Y. বাবে টকা অনুমোদন।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

২৫৫। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰলৈ ভাৰত চৰকাৰে I.R.D.P আৰু J.R.Y শিতানত ধেমাজি জিলাৰ বাবে ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনৰ বাবে কিমান টকা অনুমোদন দিছে ?

(খ) I.R.D.P আৰু J.R.Y ৰ কাম সম্পূর্ণ কৰি তুলিবৰ বাবে অসম চৰকাৰলৈ কেন্দ্রীয় চৰকাৰে কিমান টকা আজিৰ তাৰিখলৈ মুকলি কৰি দিছে ?

(গ) এই আঁচনিৰ অধীনত ধেমাজি জিলাত কিমানটা ৰাস্তা, কিমান খন দলং নতুনকৈ নির্মাণ কৰা আৰু মেৰামতি কৰাত ব্যয় কৰা হ'ল এখন তালিকা প্রস্তুত কৰি আৰু সম্পূর্ণ কৰা কামৰ এখন তালিকা দাখিল কৰিব ?

শ্রীগৌতম ৰায় (ৰাজ্যিক গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) লাখ টকাৰ হিচাবত

	১৯৯৩-৯৪		১৯৯৪-৯৫
I.R.D.P	—	৪০.০০	— ৩৮.৫০
J.R.Y	—	২৫৮.৯৮	— ২৮৫.০৮
(খ) I.R.D.P	৩৯.৭৮	—	৫২.৫০
JRY	২১৬.৯২	—	২৫৭.০০

(গ) পৰিশিষ্ট "ক" ত তালিকা সমূহ গাঠি দিয়া হ'ল।

Re : Family Planning.

Shri Mission Ranjan Das asked :

256. Will the Minister of Health & Family Welfare be pleased to state,

(a) Whether the news under caption "Dispur dumps family

planning scheme" appeared in local daily namely "The Sentinel" dated 20-2-95 has come to the notice of the Government ?

(b) If Yes, Whether the Government has contradicted full contents of the news item or not, state it in detail ?

Dr. Bhumidar Barman (Minster of Health and Family Welfare) replied :

(a) Yes.

(b) We have been facing difficulties due to non avilitibity of fund implementation of Family Welfare programme. The Chief Secretary Assam has endo-resed a fil in this connection to Addl. Chief Secretary Finance Deptt. for releasing more fund.

বিষয় ঃ CIVIL HOSPITAL ৰ সংখ্যা।

শ্রীগহীন চন্দ্র দাসে সুধিছে ঃ

২৫৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমত কিমানখন Civil Hospital আছে ?

(খ) নগাওঁ Civil Hospital খনত কিমানখন বিচনা আছে ?

(গ) উক্ত Hospital অৰ বিপৰীতে কিমান চিকিৎসকৰ Post আছে ?

(ঘ) বৰ্ত্তমান এই Hospital খনত কিমানজন চিকিৎসকে কাম কৰি আছে বিভাগে জানেনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত ২৪ খন অসামৰিক চিকিৎসালয় (Civil Hospital) আছে।

(খ) নগাঙঁ অসামৰিক চিকিৎসালয়ত (Civil Hospital) ১৯০ খন বিচনা আছে ।

(গ) উক্ত অসামৰিক চিকিৎসালয়ত ৩৩ টা চিকিৎসকৰ পদ (Post) আছে ।

(ঘ) বৰ্তমান এই অসামৰিক চিকিৎসালয়খনত (Civil Hospital) ৫১ জন চিকিৎসকে কাম কৰি আছে । ৩৩ জনৰ ওপৰৰ অতিৰিক্ত ডাক্তৰ সকলক তাৰ পৰা পঠিওৱাৰ ব্যৱস্থা কৰি থকা হৈছে ।

Re : Upgradation of Family Welfare Sub-Centre.

Sri Kali Ranjan Deb asked :

258. Will the Minister of Health & F. W. be pleased to state ?

(a) Whether there has been any progress about Upgradation of Family Welfare Sub-Centre at Kinnokhal in Katigora Constituency of Cachar District to a Primary Health Centre for which Hon'ble Minister also gave assurance ?

(b) Also, whether Government. is aware about the fact that about 60% inhabitants of the area belong to Seheduled Caste the area is situated just on Indo-Bangladesh Border where there is no good road communication ?

(c) In view of all above factors, whether Government. will take urgent step to complete construction of the P. H. E. there

Dr. Bhumidhar Barman (Minister Health & F. W.) replied :

(a) No Such processing.

(b) Yes

(c) Does not arise.

বিষয় : B. A. C. ৰ গাওঁৰ জৰগাঠনি।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

২৫৯। মাননীয় ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) Bodoland Autonomous Council ত কিমানখন গাওঁ অন্তর্ভুক্ত কৰা হৈছে। (প্রতিখন গাওঁৰ বিপৰীতে মুঠ জনসংখ্যা, ST আৰু SC জনসংখ্যাৰ তালিকা সদনৰ মেজত দাখিল কৰিব।

(খ) B. A. C. ত অন্তর্ভুক্ত কৰা গাওঁ সমূহ Bodo Accord অনুযায়ী অন্তর্ভুক্ত কৰা হৈছেনে ?

(গ) B. A. C. ত অন্তর্ভুক্ত কৰা কিমানখন গাওঁ ৫০ শতাংশতকৈ অধিক জনজাতীয় লোক আৰু কিমানখন গাওঁত এজনো জনজাতীয় লোক নাই ?

(ঘ) B. A. C. ত অন্তর্ভুক্ত কৰা গাওঁৰ কিমানখনৰ তথ্যপাতি (জনসংখ্যা আদি চৰকাৰৰ হাতত নাই ?

শ্রীগোমেশ্বৰ পেগু (ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২৫৭০ খন গাওঁ। প্রত্যেকখন গাওঁৰ বিপৰীতে মুঠ জনসংখ্যা আৰু জনজাতিৰ জনসংখ্যাৰ তালিকা সদনত দাখিল কৰা হ'ল। অনুসূচীত জাতিৰ জনসংখ্যা সংগ্রহ কৰি থকা হৈছে। বিতং তালিকা সদনত ভৱিষ্যতে দাখিল কৰা হব।

(খ) হয়।

(গ) ১০২৩ খন গাওঁত ৫০ শতাংশৰ অধিক আৰু ৫৬০ খন গাওঁত জনজাতি লোক নাই।

(ঘ) প্রশ্ন নুঠে।

বিষয় : বৃদ্ধ পেঞ্চনৰ ব্যৱস্থা।

শ্রীযতীন মালীয়ে সুধিছে :

২৬০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) সমাজ কল্যাণ বিভাগৰ জৰিয়তে বৃদ্ধ পেঞ্চন দিয়াৰ ব্যৱস্থা কেতিয়াৰ পৰা আছে ?

(খ) উক্ত বৃদ্ধ পেঞ্চনৰ হিতাধিকাৰী বৰ্ত্তমান অসমত কিমান আছে ? (বিভাগৰ দ্বাৰা স্বীকৃত)

(গ) বৃদ্ধ পেঞ্চনৰ এই টকাৰ শতকৰা ১০০ ভাগ কেন্দ্রীয় চৰকাৰৰ পৰা প্রতি বছৰে পোৱাটো সঁচানে ?

(ঘ) যদি সঁচা হয় তেন্তে (১৯৯২-৯৩) (৯৩-৯৪) (৯৪-৯৫) বিত্তীয় বছৰত কেন্দ্রীয় চৰকাৰে উক্ত শিতানত টকা নিদিয়াটো সঁচানে, যাৰ ফলত বিগত ১৮ মাহৰ ওপৰ উক্ত পেঞ্চনৰ টকা দিব পৰা নাই ?

(ঙ) এইটো, সঁচানে শেহতীয়া ভাবে ১৯৮৯ চনৰ (Pay Commission) নে অনুমোদন জনাইছে যে এগৰাকী মানুহক সাধাৰণ ভাৱে খাই জীয়াই থাকিবলৈ মাহেকত ৪৫০ টকাৰ দৰকাৰ। আপোনাৰ বিভাগে সেই অনুমোদনৰ ভিত্তিত বৃদ্ধ পেঞ্চনৰ হাৰ মাহেকত ১০০ টকাৰ পৰা ৪৫০ টকালৈ বঢ়াবৰ্কৈ বিবেচনা নকৰেনে বাৰু ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৩ চনৰ ১৫ আগষ্টৰ পৰা।

(খ) ৪৩,৫০০

(গ) সপ্তম বিত্তীয় আয়োগৰ অনুমোদন ক্রমে কেন্দ্রীয় চৰকাৰে পৰিকল্পনা বৰ্হিভূত অনুদান হিচাবে এই পেঞ্চন আঁচনিৰ ধন মঞ্জুৰ কৰে। কেন্দ্রীয় চৰকাৰে পোনপটীয়া ভাবে সমাজ কল্যাণ বিভাগক এই অনুদানৰ ধন মঞ্জুৰী নিদিয়ে। ৰাজ্যৰ বিত্তীয় বিভাগে সমাজ কল্যাণ বিভাগক এই মঞ্জুৰীৰ ধন আদায় দিয়ে।

(ঘ) ৰাজ্যিক বিত্তীয় বিভাগে ১৯৯২ ৯৩ চনত বৃদ্ধ ভাট্টা শিতানত ধাৰ্য্য কৰা। ৫,৭৬,৬৪,০০০ টকাৰ বিপৰীতে মুঠ ১,২৩,৫০,০০০ টকা মোকোলাই দিছে। ১৯৯৩-৯৪ চনত উক্ত শিতানত নির্দ্ধাৰিত ৫,১৬,৪২,০০০ বিপৰীতে মুঠ ১,৯৯,৫৮,৪০০ টকা মোকলাই দিছে আৰু

আৰু ৯৪-৯৫ চনত বৃদ্ধ ভাট্টা শিতানত নির্দ্ধাৰিত ৫,০৮,২৪,০০০ টকাৰ বিপৰীতে ১৯৯৬ ৰ ফেব্রুৱাৰী মাহলৈ মুঠ ৬৩,৫৪,২০০ টকাৰ মোকলাই দিছে।

(ঙ) উক্ত পৰামৰ্শটো পৰীক্ষা কৰি চোৱা হব।

বিষয় : বজাৰৰ অনুমতি।

শ্রীনজমুল হুকে সুধিছে :

২৬১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবেনে :

(ক) গোৱালপাৰা মহকুমা পৰিষদৰ অন্তর্গত খৰতুজা আঞ্চলিক পঞ্চায়তৰ সভাপতিজনে মহকুমা পৰিষদৰ অনুমতি নোলোৱাকৈ নতুনকৈ অবৈধভাৱে বহুৱা নতুন বাশবাৰী বজাৰ সম্পর্কে চৰকাৰে কিবা অনুমতি দিছেনে ?

(খ) যদি দিয়া নাই, তেন্তে নতুন বাশবাৰী বজাৰখন ভঙ্গ কৰি দিয়াৰ বাবে চৰকাৰে ঘোষণা কৰিবনে ?

(গ) উক্ত বাশবাৰী নতুন বজাৰ কৰাৰ নামত পঞ্চায়ত সভাপতিজনে মাৰপিত কৰি বলপূর্বক সাহজাহান আলী (সাজা) নামৰ দুখীয়া মানুহজনৰ ৫ বিঘা মাটি বে-দখল কৰাৰ কথা চৰকাৰে জানেনে, যদি নেজানে, তেন্তে তদন্তৰ ব্যৱস্থা কৰা হবনে ?

ডাঃ ভূমিধৰ বর্মণ (পঞ্চায়ত বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) দিয়া নাই।

(খ) তদন্ত কৰি যাৱতীয় ব্যৱস্থা লোৱা হব।

(গ) গোৱালপাৰা জিলাৰ উপাযুক্তৰ পৰা বিতং প্রতিবেদন বিচৰা হৈছে।

বিষয় : মেডিকেল কলেজ এর ডাক্তর, নার্চ ইত্যাদি।

শ্রীবদ্রী নাৰায়ণ সিং জিজ্ঞাসা করছেন :

২৬২। মাননীয় স্বাস্থ্য বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) শিলচর মেডিকেল কলেজ এর ডাক্তর নার্স, ঔষধ, তুলা এমন কি বেন্দেজ বাধার কাপড়। পর্যান্ত নেই, ইহা সরকার অবগত আছেন কি ?

(খ) যদি অবগত, তবে উক্ত অভাব গুলির দূরীকরনের ব্যবস্থা নিবেন কি ?

ডাঃ ভূমিধৰ বৰ্ম'ণ (স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডাক্তৰ আৰু নাৰ্চ কিছু কম থকাটো সঁচা। সাধাৰণ ঔষধ ও বেণ্ডেজ প্ৰায়ে থাকে।

(খ) চৰকাৰে উক্ত অভাৱ অভিযোগ দূৰীকৰণৰ ব্যৱস্থা লৈ আছে।

Re :—Panchayat Election in Bilasipara Sub-Division.

Shri Giasuddin Ahmed asked :

263 Will the Minister of Panchayat be pleased to state :

(a) Whether it is a fact that election process was started in the Gaon Panchayat created within the Bilasipara (Civil) Sub-Division area by Government Notification No. PDA. 251/90/44 dtd. 30-10-91.

(b) Whether it is a fact that after election notices were issued, nomination papers received and scrutinised, the Government suddenly by an executive orders dtd. 3-2-92 stayed the said election process ?

(c) Whether it is a fact that after staying the said election process the Government issued fresh notification i. e, No. PDA, 251/90/Pt-1/53, dtd. 11-2-92 abolishing the Gaon Panchayats created by the earlier notification dtd. 30-10-91 and making fresh delimination of Gaon Panchayats in the Sub-Division ?

(d) Whether it is a fact that election was subsequently held illegally in the Gaon Panchayats created by the illegal notification dtd. 11-2-92 ?

(e) Whether it is a fact that a writ petition was filed in Hon'ble Gauhati High Court challenging the illegal notification dtd. 11-2-92 and also the election held in pursuance thereof ?

(f) Whether it is a fact that the said writ petition (Vide Civil Rule No. 432 of 1992) was allowed and that the notification dated 11-2-92 and the election held in pursuance thereof were quashed by the Hon'ble High Court directing the State Government to hold Gaon Panchayat election in continuation of the process started according to the notification dated 30-10-91 referred to in question No. (a) above ?

(g) If so, under what authority the Government has flagrantly disobeyed the direction of the Hon'ble High Court by persistently refusing to hold Panchayat Election in the Bilasipara Sub-Division inspite of repeated personal representation by this questioner ?

Dr. Bhumidhar Barman (Minister, Panchayat and Health & Family Welfare) replied :

(a) Yes.

(b) Yes.

(c) Yes.

(d) The election was held before the High Court passed judgment on 12-1-93 in Civil Rule No. 432 of 1992.

(e) Yes,

(f) Yes.

(g) Government has not disobeyed the direction of the Hon'ble High Court. It is true that Government has not been able to hold the election as per the direction of the High Court due to some unavoidable circumstances. At one stage, it was decided to hold the election in October, 1993. As the existing

electoral rolls of the concerned Legislative Assembly Constituencies are taken as the draff roll for Panchayat election, the Department faced a difficulty as the electoral rolls were in the process of revision around October, 1993. Moreover, Officers like S.D.O, Circle Officers, B.D.O.s etc. Were engaged in revision of electoral rolls and disposal of claims and objections etc. We therefore, asked the S.D.O. Bilasipara whether he was in a position to hold the Panchayat election in Bilashipara Sub-Division. The S D.O, Bilasipara Vide his letter No. BD, 28/91/222, dated 30-10-93 informed the Government that it would be inconvenient for him to conduct the Panchayat election as A.C.S. Officers, B.D.O.s and other Officers were busy in the process of revision of electoral rolls, which he expected to be completed only towards the end of December, 1993. We asked for the opinion of the Legal Remembrancer about the electoral roll which can be used for holding the election to the Panchayats in Bilasipara Sub-Division. The Legal Remembrancer opined on 7-2-94 that "the electoral roll in force of the Assam Legislative Assembly, prepared under the provisions of the Representation of peoples Act, 1951, shall be the list of voters for holding Panchayat election. If the electoral roll for Bilasipara Sub-Division has been finalised / published, the same shall be electoral roll for holding the Panchayat election." We also sought the views of the then Chief Electoral Officer on this issue. The Chief Electoral Officer, Assam vide his letter No. ELE. 58/94/2, dated

31-3-94, informed us that as per the direction of the Election Commission, the special revision of electoral rolls was then in progress in both the two Legislative Assembly Constituencies that is 26 Bilasipara West and 27 Bilasipara East Legislative Assembly Constituencies and electoral rolls would be finally published on 17-5-94 only subject to the clearance and approval by the Election Commission of India. He further requested us to take legal opinion from the competent authority, if considered necessary, as to whether the unrevised rolls can be taken as the valid Electoral rolls for the purpose of holding Panchayat Elections in Bilasipara Sub-Division. The Advocate General of Assam, gave his opinion stating that "the Legal Remembrancer is right in saying that the Electoral rolls in force of the Assam Legislative Assembly, prepared under the provisions of the Representation of the Peoples Act, 1950, shall be the voters list for holding Panchayat Election. Now that the final publication of the revised electoral rolls has not yet been made and has not to wait for the decision of the Supreme Court the Government may hold election under the existing electoral rolls."

Mean while, the Assam Panchayati Raj Act, 1986, was repealed and it was replaced by an ordinance viz the Assam Panchayat Ordinance 1994. With effect from 6-5-94, the Assam Panchayat Act, 1994, came into force in place of the above mentioned ordinance. The promulgation of the new Act became necessary

in view of the Constitution (73rd amendment) Act. The Constitution (73rd amendment) Act, provides for the setting up of an Election Commission for superintendence, direction and control of the preparation of the electoral rolls for and the conduct of all elections to the Panchayats. Accordingly, the Government started the process of constituting the State Election Commission and appointing the State Election Commissioner. The State Election Commission has since been constituted and the State Election Commissioner has also been appointed. That Body is now the constitutional authority to conduct election to the Panchayats.

But, for holding the Panchayat Election, the Government has to frame the new Assam Panchayat (Constitution) Rules in conformity with the provisions of the Assam Panchayat Act, 1994. Now the Assam Panchayat (Constitution) Rules, 1994 is ready for promulgation and the views of the Judicial Department, the Legislative Department, the Legal Remembrancer and the State Election Commission have already been received. The Government expects to get Rules promulgated without any delay and once the Rules are approved it is expected that the elections to the Panchayats in Bilasipara Sub-Division will be held without any delay. This clearly shows that the Government could not hold the election for the Panchayats in Bilasipara Sub-Division due to the circumstances beyond its control.

Re : Sanction of Staffs.

Shri Suren Swargiari asked .

264. Will the Minister of Health and Family Welfare be pleased to state :

(a) Whether the Government is aware of the fact that the newly constructed building of the Anchali P. H. C. under Joint Director, D. H S., Barpeta has been partially damaged for the Non-Sanction of staffs to the P. H. C. ?

(b) If it is true, then what steps Government have been taken for the sanction of staffs to the said P. H. C. ?

(c) If not, the reason there of ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

(a) Yes. The buildings needed minor repairing. The damage was not due to non-sanction of the staff to the P. H. C.

(b) The required posts for the P. H. C. have been Sanctioned Vide Government Letter No. HLA. 548/93/13 dated 28/2/95.

(c) Does not arise.

বিষয় : চিকিৎসালয় নির্মাণ।

শ্রীমতী বেণুপমা ৰাজখোৱাই সুধিছে :

২৬৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) যোৰহাট জিলাৰ অন্তর্গত টীয়ক সমষ্টিত যোৱা ১৯৯৪ চনৰ ১৩ ডিচেম্বৰ তাৰিখে ঔষুধি চিকিৎসালয়ৰ বাবে ৩ লাখ টকাৰ অনুমোদন জনোৱাৰ পাচতো কাম আৰম্ভ নকৰাৰ কাৰণ মন্ত্রী মহোদয়ে জনাবনে ?

(খ) BPM / 15 / 86 / pt-11 / 58 dt. 23-2-88 মৰ্মে হাতীগড় প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰাক্‌কলন অনুমোদন জনোৱাৰ ইমান বছৰৰ পাচতো কিয় ইয়াৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ঔগুৰী স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণৰ বাবে গড়কাপ্তানী বিভাগে নিবেদা আহ্বান কৰিছিল যদিও উচ্চ মানৰ নিৰিখ হোৱা বাবে আৰু পুঁজিৰ অভাবত কাম আৰম্ভ কৰিব পৰা নগল ।

(খ) প্ৰয়োজনীয় পুজিৰ অভাৱত হাতীগড় প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰশাসনিক অনুমোদন দিব পৰা নাই বাবে এই চিকিৎসালয়ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা নাই ।

Re : Civil Hospital

শ্ৰীমিলন বড়োই সুধিছে ঃ

২৬৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰৰপেটা জিলাৰ Civil Hospital অত Ambulance নথকা আৰু X-Ray মেচিনটো যোৱা এবছৰ ধৰি বেয়া (বিকল) হৈ থকা কথাটো চৰকাৰ অৱগত হয় নে ?

(খ) যদি অৱগত হয় তেনে ৰৰপেটাৰ নিচিনা স্পৰ্শকাতৰ জিলাখনৰ উক্ত Civil Hospital খনত Ambulance আৰু নতুন X-Ray মেচিন যোগান ধৰাৰ ব্যৱস্থা কৰিবনে আৰু কিমান দিনৰ ভিতৰত যোগান ধৰা হব জনাবনে ?

(গ) ৰৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ Join Director ৰ কাৰ্য্যালয়কে ধৰি ৩০ খন বিচনাযুক্ত হাস্পাতাল, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আদি কোনো গাড়ী, এম্বুলেন্স নোহোৱাকৈ চলি থকা অৱস্থাটোৰ বিষয়ে জানেনে আৰু যদি জানে তেনে চিকিৎসা সেৱাৰ ক্ষেত্ৰত পিছপৰা ৰৰপেটা

জিলাৰ উক্ত অসুবিধা সমূহ দূৰ কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে জনাবনে ?

ডাঃ ভূমিধ্ৰৱ বৰ্ম্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ চিভিল হাস্পাতালত এখন এম্বুলেন্স আছে। উক্ত গাড়ীখন মেৰামতিৰ বাবে স্বাস্থ্য বিভাগৰ গুৱাহাটীৰ কেন্দ্ৰীয় কাৰখানালৈ অনা হৈছে ও মেৰামতি কৰি থকা হৈছে। বৰপেটা অসামৰিক চিকিৎসালয়ৰ এক্স-ৰে মেচিনটো বেয়া হৈ থকাটোও চৰকাৰ অৱগত।

(খ) উক্ত এম্বুলেন্স গাড়ীখন অলপ দিনৰ ভিতৰতে ভাল কৰি উলিয়াই দিব পৰা হব।

ওপৰত উল্লেখিত এক্স-ৰে মেচিনটো বিভাগীয় অভিযন্তাৰ দ্বাৰা মেৰামতি কৰাৰ চেষ্টা কৰা হৈছিল কিন্তু বহু পুৰণি বাবে কাৰ্য্যক্ষম কৰি তুলিব পৰা নহ'ল।

(গ) বৰপেটা জিলাৰ পাঠশালাত ৩০ খন বিচনাযুক্ত হস্পিতালত এখন Ambulance আছে। অন্য ঠাইটো দিয়াৰ চেষ্টা কৰি থকা হৈছে।

Re : Opening of P. H. C.

Shri Karendra Basumatary asked :

267. Will the Minister of Health & Family Welfare be pleased to state :

(a) Why the newly completed twin Primary Health Centres (P. H. C) named Udmari P. H. C and Bamunjuli P. H. C in the Panery Constituency of the Darrang District have not been opened or inaugurated ?

(b) When Government will Sanction the Official Staff and post Doctors in the public interest as pressed by the local M. L. A. of the said constituency ?

(c) What are the reasons for delay in these matter ?

(d) When can it be expected to start functioning of the Hospitals ?

Dr. Bhumidhar Barman (Minister Health & Family Welfare) replied :

(a) The buildings of Udmari and Bamunjuli P. H. C. could not be inaugurated since the buildings have not been handed over by the P. W D. to Health Deptt. as yet.

(b) Health Deptt. will take up with Finance and Planning & Development Deptt. for creation of posts and for its opening.

(c) As stated at (a) above.

(d) The buildings will start functioning after the completion of construction works and after handing over by P. W. D. and creation of necessary posts.

বিষয় ঃ পৰিবহণ নিগমৰ বাছ চলোৱাৰ ব্যৱস্থা।

শ্ৰীমতী ৰূপম কুম্ভীয়ে সুধিছে ঃ

২৬৮। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ টিয়ক নামচেচু, বৈছাহাবিলৈ বৰ্ত্তমান দিনত এবাৰকৈ বাছ যোৰহাটলৈ অহা যোৱা কৰাৰ বিনিময়ত চেলেংহাট ৰাম খাং সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজ তথা স্কুল কলেজৰ ছাত্ৰ ছাত্ৰীৰ যাতায়তৰ বাবে বহু কষ্ট ভোগীব লগীয়া হৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ক আগতে অৱগত কৰোৱা মতে সেই পথেদি দিনৰ ভাগত দুবাৰকৈ নিগমৰ বাছ চলোৱাৰ ব্যৱস্থা কৰিবনে ? নতুবা বেচৰকাৰী বাছ দিয়াৰ ব্যৱস্থা কৰিবনে ?

(খ) কেতিয়া কৰিব জনাবনে ?

(গ) ইয়াৰোপৰি যোৰহাটৰ পৰা-হোলোঙ্গাপয়ৰা জটকীয়া আৰু ফেচুৱালৈ দিনত দুবাৰকৈ যাতায়তৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীশিউশম্ভু ওজা (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্তমান নিগমৰ এখন বাছ দিনে এবাৰকৈ অহা যোৱা কৰি উক্ত পথত চলি আছে।

(খ) বৰ্ত্তমান এনে কোনো আঁচনি নাই।

(গ) ঐ

Re : Registration of Birth & Death.

Shri Dewan Joynal Abedin asked :

269. Will the Minister of Health be pleased to State :

(a) Whether it is a mandatoy responsibility of the State Government to register Births and Deaths of Citizens ?

(b) If so, under which Act ?

(c) Which is the nodal department entrusted with the duty ?

(d) Is the Government aware of large-scale practice of corruption in the maintenance and issue of birth certificates leading to harasment of the people ?

Dr. Bhumidhar Barman (Minister, Health & Family Welfare) replied :

(a) Yes.

(b) The Registration of Birth and Death Act. 1969 (Act No. 18. of 1969).

(c) Health & Family Welfare Department.

(d) No. such allegations are received from any quarters.

বিষয় : বি, এ, চিৰ সীমা নিৰ্দ্ধাৰণ।

শ্ৰীক্ষীৰেণ বৰগয়াৰী আৰু শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মই সুধিছে :

২৭০। মাননীয় ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ সীমা নিৰ্দ্ধাৰণৰ কাম সম্পূৰ্ণ হ'ল নেকি ?

(খ) যদি হোৱা নাই কেতিয়া হব ?

(গ) বড়োলেণ্ড উত্তৰাঞ্চলৰ বনগাওঁ সমূহক (Forest Villages) বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ সীমাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিলে নেকি ?

(ঘ) কিমানখন বনগাওঁ অন্তৰ্ভুক্ত কৰা হব ? (বনগাওঁ সমূহৰ নামৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল।)

(ঙ) ABSU য়ে দাবী কৰা ৫১৫ খন গাওঁবোৰক বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ সীমাত অন্তৰ্ভুক্ত কৰা হব নেকি ?

শ্ৰীযুত গোস্বেশ্বৰ পেগু (ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) প্ৰশ্ন নুঠে।

(গ) যোৱা ১৬-০৬-৯৪ তাৰিখে নতুন দিল্লীত ভাৰত চৰকাৰ অন্তৰৱৰ্ত্তী-কালীন বড়োলেণ্ড স্বায়ত্ব পৰিষদ আৰু অসম চৰকাৰৰ মাজত হোৱা আলোচনা মৰ্ম্মে আন্তঃৰাষ্ট্ৰীয় সীমাৰেখাৰ ১০ কিঃ মিঃ ভিতৰত থকা অধিসূচীত বনগাওঁ সমূহ পৰিবেশ আৰু প্ৰতিৰক্ষা মন্ত্ৰনালয়ৰ অনুমোদন সাপেক্ষে বড়োলেণ্ড এলেকাৰ অন্তৰ্ভুক্ত কৰাত অসম চৰকাৰৰ কোনো আপত্তি নাই। সেই মৰ্ম্মে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰনালয়লৈ বিতং প্ৰতিবেদন ভাৰত চৰকাৰৰ বিবেচনাধীন।

(ঘ) ৫৬ খন বনগাওঁৰ অন্তৰ্ভুক্তিৰ বাবে প্ৰতিবেদন পঠোৱা হৈছে। তালিকা পতাকা 'ক' ত দিয়া হ'ল।

(See the Annexure— IX)

(ঙ) A. B. S. U আৰু B. P. A. C. য়ে দাবী কৰা ৩০৮৫ খন গাওঁৰ ভিতৰত ২৫৭০ খন গাওঁ বড়োলেণ্ডৰ অন্তর্ভুক্ত কৰণ হৈছে। বাকী থকা ৫১৫ খন গাওঁ বড়োলেণ্ডৰ এলেকাৰ সৈতে লেঠাৰি নিছিগাকৈ আৰু একে থুপতে নপৰা কাৰণে আৰু ৫০ শতাংশ জনজাতি নথকাৰ কাৰণে অসম চৰকাৰে উক্ত গাওঁ সমূহ বড়োলেণ্ডৰ এলেকাৰ অন্তর্ভুক্ত কৰিব নোৱাৰিলে।

যি হওক, আন্তঃৰাষ্ট্রীয় সীমাৰেখাৰ ১০ কিঃ মিঃ ভিতৰৰ বাজহ গাওঁ সমূহ বড়োলেণ্ডৰ এলেকাৰ ভিতৰত অন্তর্ভুক্তৰ বাবে অন্তবর্ত্তী-কালীন বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ লগত অসম চৰকাৰে আলোচনা চলাই আছে।

(Unstarred Question no. 271 was deferred)

Re : DEVELOPMENT SCHEMES FOR WEAVERS.

Smti. Pramila Rani Brahma asked :

272. Will the Minister of Handloom & Textile be pleased to state :

(a) How many weavers are there in the Kokrajhar Districts ?

(b) What are the schemes for the development of Tribal Weavers in the Kokrajhar District ?

(c) Is there any schemes for the skilled Weavers which is provided with the Central Government's assistance in Kokrajhar District ?

(d) If yes, then the name of the scheme and the location of the project may be given ?

Smti. Amiya Gogoi (Minister of State Handloom & Textile etc.) replied :

(a) There are 74,876 nos. of Weavers in the District of Kokrajhar as per Census Report 1987.

(b) The following schemes are schemes for development of Tribal Weavers under T. S. P. in Kokrajhar Distrtct.

(1) Scheme for production of Handloom Fabrics.

(a) Supply of flysouttle sleys with accessories and yarns.

(b) Grants for construction of 100m shed.

(c) Grants to organisations / Mahila Samities for purchase of raw materials and equipments.

(2) Scheme for development of Training programe for training of Artisans.

(3) Incentive for boosting of Handloom product by Weavers.

(4) Margin money Assistance to Primary Weaving Co-operative Society.

(5) Loan Assistance to become member of Primary Weaving Co-operative Society.

(6) Modernisation of looms.

(7) Workshed cum Housing scheme.

(8) Marked development Assistance Scheme,

(c) Yes.

(d) There are two schemes of Central Government Assistance implemented in Kokrajhar District.

(i) Integrated Handloom Village Development Scheme at Patgaon in Kokrajhar District.

(ii) Margin Money Assistance to destitute Handloom Weavers giver through following societies :

(a) Bhabanipur Raisunari Janajati Mahila B.K.S.S. Ltd.

(b) Dakhin Kokrajhar B. K. S. S. Ltd. P. O. Kokrajhar.

(c) Sebapur Mahila B. K. S. S. Ltd.

Re : 'Handloom package Scheme'.

Shri Sasha Kamal Handique asked :

273. Will the Minister of Handloom & Textile be pleased to State :

(a) When the stipend to the trainees under Handloom package Scheme will be paid in the District of Dibrughar ;

Smti. Amiya Gogoi (Minister, Handloom Textile & Sericulture) replied :

(a) The stipend will be paid under the project package Scheme as soon as the required fund is released. The release of fund is in process.

বিষয় ঃ আয়ুর্বেদিক ফার্মাচিষ্টৰ সমস্যা।

শ্রীহিতেশ ডেকাই সুধিছে :

২৭৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ৰাজ্য চৰকাৰৰ অধীনস্থ 'আয়ুর্বেদিক ফার্মাচী পাঠ্যক্রমত উত্তীর্ণ হোৱা মুঠ ছাত্র-ছাত্রীৰ সংখ্যা কিমান ?

(খ) এই ছাত্র-ছাত্রী সকলক চৰকাৰে 'পঞ্জীয়ন' দিলে নে ?

(গ) যদি দিয়া নাই এওঁলোকৰ পঞ্জীয়নৰ বাবে চৰকাৰে কি কার্য্য ব্যৱস্থা গ্রহণ কৰিছে ?

(ঘ) ৰাজ্যখনত মুঠতে "আয়ুৰ্বেদিক ফার্মাচিষ্ট"ৰ পদ কিমান খালী হৈ আছে আৰু এই পদসমূহ কেতিয়া পূৰণ কৰা হ'ব ?

ডাঃ ভূমিধ্বৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰাজ্য চৰকাৰৰ অধীনস্থ আয়ুৰ্বেদিক ফাৰ্মাচী পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱা মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ল ২২ জন।

(খ) বৰ্ত্তমান আমাৰ ৰাজ্যত আয়ুৰ্বেদিক ফাৰ্মাচিষ্ট সকলক পঞ্জীয়ন দিয়াৰ বাবে কোনো বোৰ্ড বা কাউন্সিল নাই। সেয়েহে তেওঁলোকক পঞ্জীয়ন দিয়া হোৱা নাই।

(গ) চৰকাৰে এই সমস্যাটোৰ এটা সমিধান উলিয়াবলৈ যত্নপৰ হৈছে আৰু এই মৰ্মে স্বাস্থ্য সেৱা সঞ্চালক, চিকিৎসা সঞ্চালক আৰু অসম আয়ুৰ্বেদিক চিকিৎসা বোৰ্ডৰ পঞ্জীয়ককক নিৰ্দেশ দিয়া হৈছে। (প্ৰতিলিপি লগতে গাঠি দিয়া হ'ল।

(See the Annexure—X)

(ঘ) ৬ টা পদ খালী হৈ আছে। উক্ত পদসমূহ পূৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বিষয় : বৃদ্ধৰ বাবে বিনামূল্যীয়া টিকট।

শ্ৰীবিজামুদ্দিন খানে সুধিছে :

২৭৫। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৃদ্ধ লোকসকলৰ বিনামূলীয়া টিকটেৰে ভ্ৰমণৰ ব্যৱস্থা আছেনে ?

(খ) যদি আছে ১৯৯১ চনৰ ৩০ জুনলৈ কিমান বৃদ্ধ লোকক এনেকুৱা অনুজ্ঞা পত্ৰ দিয়া হৈছিল ?

(গ) ১৯৯১ চনৰ ১ জুলাই পৰা ১৯৯৫ চনৰ ২৮ ফেব্ৰুৱাৰীলৈকে কিমান বৃদ্ধ লোকক এনেকুৱা অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে।

(ঘ) যদি 'ক' প্ৰশ্নৰ উত্তৰ নাই, তেনেহ'লে এই ব্যৱস্থা প্ৰবৰ্ত্তন কৰিবনে ?

শ্ৰীশিউশম্ভু ওজা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আছে।

(খ) যিহেতু উক্ত পাছসমূহ উপায়ুক্ত / মহকুমাধিপতি আৰু চক্রবিষয়াৰ কার্য্যালয়ৰ পৰাহে দিয়া হয়, গতিকে এই বিষয়ে সঠিক হিচাব দিব পৰা নহ'ল।

(গ) ঐ

(ঘ) প্রশ্ন নুঠে।

Re : A. S. T. C. Office at Ramkrishna Nagar.

Shri Rampyare Rabidas asked :

276. Will the Minister of Transport be pleased to state :

(a) Whether Government has sanctioned fund for parmanently construction of the A. S. T. C. Office, Staff Quarters, Bus shed etc. RAMKRISHNA NAGAR in the District of Karimganj ?

If Yes. what is the amount ?

(b) When the construction will be started ?

(c) Whether Khas land has been alloted by the settlement Officer, Karimganj to the A. S. T. C. authority for the purpose at Ramkrishna Nagar ?

If Yes, how much ? (In Bighas).

Shri Shio Sambhu Ojha (Minister of Transport) replied :

(a) No.

(b) Does not arise.

(c) The Deputy Commissioner, Karimganj has alloted a small plot of 10 Katha 5 chattak of land under Mouza Ramkrishna Nagar Part-III. But the said land is not accepted by A. S. T. C. authority as the area is not suitable for the purpose.

Re : Purchases of Machines.

Shri Samarendra Nath Sen asked :

277. Will the Minister of Health be pleased to state :

(a) Is it a fact that the Government has purchased one Cobalt Therapy Machine for Silchar Medical College ?

(b) Is it a fact that the machine is lying in Calcutta port and the Government is paying demurrage @ Rs. 1,00/- (one lakh) per month ?

(c) If so, what are the reasons for not releasing it from the port and not installing it in Silchar Medical College ?

Dr. Bhumidhar Barman (Minister, Health and Family Welfare) replied :

(a) Yes.

(b) Yes. The Cobalt is lying at Calcutta port since 17. 10 93. It is fact that for delay in lifting the machine demurrage accrued but not @ Rs. 1,0,0000 (one lakh) per month.

The total demurrage as per report dated 23. 2. 95. of the local Agent of M/S. Birla Medical Tachnologies, New Delhi is Rs. 9,40.000/- details below :

(a) C. P. T. Demurrage charge : Rs. 4,95.000/- (approx.)

(b) Container Detention Charge Rs. 4,45,000/-

Total = Rs, 9,40,000/-

(c) Initially due to non-availability of "Category Cartificate for Custom clearance from Government

of India and also due to non-availability of fund & other circumstancial reason the equipment could not be lifted, resulting accumulation of demurrage.

The fund of Rs. 30.00 lakhs released during March, 1994, was kept in Revenue Deposit as per Government instruction.

The said amount was released during November, 1994 and the amount drawn immediately and sent to Principal, Silchar Medical College, by Bank draft with instruction to lift the equipement.

Meanwhile, we have moved Government of India as well as the port Authority at Calcutta, New Delhi and also the Company owned the container to waive the demurrage. However. steps are taken to depute responsible Officer of the Department shortly to contact the Port Authority etc. for quick arrange-ment of lifting of the Machine.

বিষয় : পৰিবহণৰ ৰাজহ সংগ্ৰহ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

২৭৮। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯২-৯৩, ৯৩-৯৪ আৰু ৯৪-৯৫ চনত অসম ৰাজ্যিক পৰিবহণ নিগমে কিমান ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল জনাবনে ?

(খ) উল্লেখিত বছৰ কেইটাত ৰাজ্যিক পৰিবহণ নিগমৰ লাভ লোকচানৰ পৰিমাণ কিমান ?

(গ) যদি লোকচান হৈছে, তেনেহলে এই লোকচান পূৰাবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব, জনাবনে ?

শ্ৰীশিউশম্ভু ওজা (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বাজহৰ পৰিমান তলত দিয়া হ'ল :

১৯৯২-৯৩ = ২১২৬,৯২ লাখ টকা।

১৯৯৩-৯৪ = ১৮২৮,০৪ লাখ টকা।

১৯৯৪-৯৫ = ১৬৪৯,৬৩ লাখ টকা।

(ফেব্রুৱাৰীলৈকে)

(খ) লোকচানৰ পৰিমাণ তলত দিয়া হ'ল :

১৯৯২-৯৩ = ২৭৭৪,৫২ লাখ টকা।

১৯৯৩-৯৪ = ৩১২৪,৪৯ লাখ টকা।

১৯৯৪-৯৫ = ২৮৫০,৩৯ লাখ টকা।

(ফেব্রুৱাৰীলৈকে)

(গ) উপাৰ্জন আৰু খৰচৰ অসমতা থকাৰ বাবেই যি লোকচান হৈছে, এই লোকচান অসম পৰিবহণ নিগমক চৰকাৰে Non-plan ৰ শিতানত টকা যোগান ধৰি আহিছে। ইয়াৰোপৰি নিগমে ব্যয় সংকোচন কৰা তথা অধিক উপাৰ্জনৰ বাবে কেতবোৰ প্ৰশাসনীয় ব্যৱস্থা হাতত লৈছে।

বিষয় ঃ দৃষ্টিহীনক পেঞ্চন।

শ্ৰীবদন বৰুৱাই সুধিছে ঃ

২৭৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কিমান দৃষ্টিহীন লোক আছে আৰু তেওঁলোকৰ কিমানে জলপানী বা পেঞ্চন পায় ?

(খ) ১৯৯১-৯২, ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ এই বিত্তীয় বছৰ কেইটাত কিমান দৃষ্টিহীন লোকে চৰকাৰী কামত নিযুক্তি পাইছে ?

(গ) অসমত দৃষ্টিহীনৰ বাবে বিদ্যালয় কেইখন আছে, আৰু তাৰে ভিতৰত কেইখন চৰকাৰী ?

(ঘ) অসমত দৃষ্টিহীন ছাত্ৰ সন্থাই দৃষ্টিহীনৰ বাবে বিদ্যালয় সমূহ চৰকাৰী কৰিবলৈ জনোৱা দাবী সম্পৰ্কে চৰকাৰ অৱগত নে ?

(ঙ) যদি অব্রগত, কি ব্যব্রস্থা গ্রহণ কবিছে? আৰু সেই ব্যব্রস্থা কেতিয়াকৈ কার্য্যকৰী হব?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে:

(ক) অসমত দৃষ্টিহীন লোকৰ সংখ্যা আমাৰ হাতত নাই আৰু তেওঁলোকৰ বাবে জলপানী বা পেঞ্চনৰ ব্যব্রস্থা কৰা হোৱা নাই।

(খ) ১৯৯১-৯৪ চনলৈ এই বিত্তীয় বছৰ কেইটাত আমাৰ বিভাগত দৃষ্টিহীন লোকক চৰকাৰী কামত নিযুক্তি দিয়া হোৱা নাই।

(গ) অসমত দৃষ্টিহীনৰ বাবে মুঠ ছয়খন বিদ্যালয় আছে। তাৰে এখন চৰকাৰী কৰা হৈছে।

(ঘ) হয়, অব্রগত।

(ঙ) এই সংক্রান্তত শিক্ষা বিভাগৰ লগত গুৱাহাটী অন্ধ বিদ্যালয় খনক চৰকাৰী কৰণ কৰাৰ বাবে যোগাযোগ কৰা হৈছে আৰু সোনকালে কার্য্যকৰী কৰাৰ চেষ্টা কৰা হৈছে।

বিষয়: সবাৰ জন্য চিকিৎসা।

শ্রীমধুসুদন তেওয়াৰী জিজ্ঞাসা কৰছেন:

২৮০। মাননীয় স্বাস্থ্য পৰিয়াল কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি:

(ক) পাথাৰকান্দি সমষ্টির একমাত্র প্রাথমিক স্বাস্থ্য কেন্দ্র ও মেডিকেল সাবসেন্টার গুলিতে ঔষধ পত্রাদি এমন কি বেণ্ডেজের কাপড় পর্য্যন্ত নাই, এই ব্যব্রস্থা সবার জন্য চিকিৎসা কথাটির সার্থকতা কোথায় জানাবেন কি?

(খ) জ্বর, আমাশয়, ম্যালেরিয়া, জণ্ডিস, সর্দি, কাশীর জন্য ন্যূনতম মূল্যার ঔষধ পত্র গুলি সৰবৰাহ কৰিলেও জনসাধাৰণ উপকৃত হবেন, এই ব্যাপাৰে অতি সত্বর কি ব্যব্রস্থা গ্রহণ কৰিবেন, জানাবেন কি?

(গ) ৯৪ / ৯৫ ইং অর্থ বৎসৰে ঔষধ বাবৎ কৰিমগঞ্জ জিলায় মোট ক'ত টাকা ব্যয় কৰা হয়েছে?

(ঘ) সীমান্ত অঞ্চল উন্নয়ন স্কীমে কাঠাল তলি মেডিকেল সাব-সেণ্টাৰেৰ কাজ কতটুকু অগ্ৰসৰ হয়েছে, জানাবেন কি ?

ডাঃ ভূমিধ্ৰৱ বৰ্ম্মণ (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পাথাৰকান্দি সমষ্টিৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু মেডিকেল চাব-চেণ্টাৰ বিলাকত যথাসম্ভৰ প্ৰয়োজনীয় ঔষধ, বেণ্ডেজ আদি যোগান ধৰি থকা হৈছে।

(খ) জ্বৰ, আমাশয়, মেলেৰিয়া, জণ্ডিছ আদি ৰোগৰ বাবে প্ৰয়োজনীয় ঔষধ আদি যোগান ধৰি থকা হৈছে।

(গ) ১৯৯৪-৯৫ ইং বিত্তীয় বছৰত (ফেব্ৰুৱাৰী মাহলৈ) কৰিমগঞ্জ জিলাত ঔষধৰ বাবদ ১৩,৫৯,৩৩০/- টকা ব্যয় কৰা হৈছে।

(ঘ) কাঠালতলি মেডিকেল চাব-চেণ্টাৰ নিৰ্মাণৰ বাবে গড়কাপ্তানী বিভাগক মাটি হস্তান্তৰ কৰা হৈছে।

বিষয় : ৰোগীৰ বিছনা।

শ্ৰীপৰিমল শুক্লই সুধিছে ঃ

২৮১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চৰকাৰৰ পূৰ্ববৰ্ত্তী স্বাস্থ্য মন্ত্ৰী মহোদয়ে ধলাই সমষ্টিৰ অন্তৰ্গত বড়জালেঙ্গা নিউ পি, এইচ, চি পৰিদৰ্শন কৰি ঘোষণা কৰিছিল যে উক্ত পি, এইচ, চিত অতি সোনকালে ৰোগীৰ বাবে দহখন বিছনা আৰু ৰোগীৰ চাহিদা অনুপাতে দুজন ডাক্তৰৰ ব্যৱস্থা কৰা হব কিন্তু আজিলৈকে কি কাৰণে উক্ত আশ্বাস কাৰ্য্যকৰী কৰা নহ'ল ?

(খ) উক্ত আশ্বাস কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী কৰা হব ?

ডাঃ ভূমিধ্ৰৱ বৰ্ম্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কাছাৰ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ তথ্য মতে আৰু বৰজেলেঙ্গা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোত ছয়খন বিছনাৰ ব্যৱস্থা কৰিবলৈ

আৰু গড়কাপ্তানী বিভাগৰ পৰা প্ৰাক্‌কলন বিচৰা হৈছে। বৰ্ত্তমানে এই চিকিৎসালয়ত এজন ডাক্তৰে সেৱা আগবঢ়াই আছে।

(খ) অতিৰিক্ত ডাক্তৰ নিয়োগকে আদি কৰি এই চিকিৎসালয় খনৰ উন্নতিৰ প্ৰয়োজনীয় ব্যৱস্থা পুজি অনুযায়ী পৰ্য্যায় ক্ৰমে লোৱা হ'ব।

বিষয় ঃ কৰ্ম্মচাৰীৰ সংখ্যা।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

১৮২। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ মুঠ কৰ্ম্মচাৰীৰ সংখ্যা কিমান ?

(খ) কৰ্ম্মচাৰী সকলৰ দৰমহা দিবৰ বাবে মাহে কিমান টকাৰ প্ৰয়োজন হয়।

(গ) কেইবাটাও ঘাটত কৰ্ম্মচাৰীৰ নামত ভুৱা বিল দি দৰমহা লোৱা অভিযোগ সঁচানে ঃ

(ঘ) যদি সঁচা চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থ গ্ৰহণ কৰিছে ?

শ্ৰীশিউশম্ভু ওজা (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ কৰ্ম্মচাৰীৰ সংখ্যা ৫৭৯২ জন।

(খ) ১০৪,০০ লাখ টকা।

(গ) অভিযোগ পোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় –আঁচনিৰ টকাৰ পৰিমান।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২৮৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯০-৯১ চনত JRY আঁচনিত হাপাজান ব্লকত কেইটা আঁচনিৰ বাবে DRDA/DBR/JRY/1/90-91/12008-10

dated 13.3.91 নং চিঠি যোগে কিমান টকা দিয়া হৈছিল জনাবনে ?

(খ) আঁচনি সমূহৰ বিপৰীতে প্ৰত্যেকটো আঁচনিত কিমান টকা ধৰা হৈছিল ?

(গ) প্ৰত্যেকটো আঁচনিৰ বিপৰীতে কিমান মানুহ লগোৱা হৈছিল জনাবনে ?

শ্ৰীগৌতম বয় (গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯০-৯১ চনত JRY ৰ ৮টা আঁচনি ৰূপায়ণৰ বাবে হাপাজান ব্লকলৈ উক্ত চিঠি মৰ্মে ১,৫৫,০০০,০০ (এক লাখ পচপন্ন হেজাৰ) টকা দিয়া হৈছিল।

(খ) তলত দিয়া হ'ল —

আঁচনি	আঁচনিৰ বাবে ধাৰ্য্য কৰা মুঠ টকা	মোকোলাই দিয়া টকা
(১) দৈদামৰ পৰা ৰূপাইঘাট বিং বান্ধ নিৰ্মান	২,৮১,০০০·০০ টকা	৫০,০০০·০০
(২) গাইজান নদীৰ পৰা ডিক্ৰু নদীলৈ জল-সিঞ্চনৰ বাবে নলা খন্দা বাবদ	১,৩০,০০০·০০ টকা	১৫,০০০·০০ টকা
(৩) বগীজান গাওঁ পথাৰত নলা খন্দা	১,৩০,০০০·০০ টকা	১৫,০০০·০০ টকা
(৪) ৰূপাই পথাৰ গাওঁত নলা খন্দা	১,৫০,০০০·০০ টকা	২০,০০০·০০ টকা

আঁচনি	আঁচনিৰ বাবে ধাৰ্য্য কৰা মুঠ টকা	মোকোলাই দিয়া টকা
(৫) দীঘল চক মোতাপুং বাস্তা নিৰ্মাণ	১ ৫০,০০০·০০ টকা	১০,০০০·০০ টকা

(৬) লিমুগুৰি গড়কাপ্তানি

ৰাস্তাৰ পৰা গোটোং গাওঁ ৰাস্তালৈ সম্প্রসাৰণৰ বাবে (শেষ চোৱা)	১,৩০,০০০·০০ টকা	৫,০০০·০০ টকা
(৭) পঙাজান পথাৰৰ পৰা দোমদোমালৈ নলী খন্দা	২,৩০,৩০০·০০ টকা	২৫,০০০· টকা
(৮) লক্ষী পথাৰ নৱজ্যোতি কাপাহুৰা জলসিঞ্চনৰ বাবে নলা খন্দা	২,৩০,৩০০·০০ টকা	১৫,০০০·০০ টকা
সৰ্বমুঠ	১৪,৩১,৬০০·০০ টকা	১,৫৫,০০০,০০ টকা

(গ) তলত উল্লেখ কৰা হ'ল—

	দিন হাজিৰা হিচাবে (Mandays)
(১) দৈদামৰ পৰা ৰূপাইঘাট ৰিং বান্ধ নির্মানৰ বাবে	২,০০০
(২) গুইজান নদীৰ পৰা ডিব্রু নদীলৈ জলসিঞ্চনৰ বাবে নলা খন্দা কামত	৬০০
(৩) বগীজান গাওঁ পথাৰত নলা খন্দাৰ বাবে	৬০০
(৪) ৰূপাই পথাৰ গাওঁত নলা খন্দাৰ বাবে	৮০০
(৫) দীঘল চকু মোতাপুং ৰাস্তা নির্মাণ	৪০০
(৬) লিমুগিৰি গড়কাপ্তানি ৰাস্তাৰ পৰা গোটোং গাওঁ ৰাস্তা সম্প্রসাৰণৰ বাবে (শেষ চোৱা)	২০০
(৭) পঙাজান পথাৰৰ পৰা দোমদমা নলা খন্দাৰ বাবে	১,০০০

(৮) লক্ষীপথাৰ নৱজ্যোতি কাপহুৱা
জলসিঞ্চনৰ নলা খন্দাৰ বাবে ৬০০

বিষয়— স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ

শ্রীমুজিবুৰ ৰহমানে সুধিছে :

২৮৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ অন্তৰ্গত ধিং বিধান সভা সমষ্টিৰ পূৰ ৰষালীমাৰীত এখনি ৩০ খন শয্যা বিশিষ্ট PHC স্থাপন কৰা হব নেকি ?

(খ) ধিং সমষ্টিৰ বেচামাৰীত নিৰ্মাণ কৰি থকা স্বাস্থ্যকেন্দ্ৰৰ কাম কেতিয়া সম্পূৰ্ণ কৰা হব ?

(গ) মৰিগাওঁ জিলাৰ মৈৰাবাড়ী প্রাথমিক স্বাস্থ্যকেন্দ্রত কেইজন ডাক্তৰ আছে ? যদি প্রয়োজন অনুযায়ী ডাক্তৰ নাই তেন্তে কেতিয়া প্রয়োজনীয় ডাক্তৰ দিয়া হব।

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান কোনো প্রস্তাৱ নাই। কোনো P.H.C. তে ৩০ খন শয্যা দিয়াৰ নিয়ম নাই।

(খ) গড়কাপ্তানী বিভাগৰ শেহতীয়া প্রতিবেদনমতে বেচামাৰী প্রাথমিক স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণৰ ২০% শতাংশ কাম সম্পূৰ্ণ হৈছে। গড়কাপ্তানী বিভাগে পৰ্য্যায়ক্রমে গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাতো নিৰ্ভৰ কৰিব প্রতি বছৰৰ বাৰ্ষিক বাজেটৰ ওপৰত।

(গ) মৰিগাওঁ জিলাৰ মৈৰাবাড়ীত ৩০ খন বিচনাযুক্ত গ্রাম্য চিকিৎসালয় খনত বৰ্ত্তমানে তিনিজন চিকিৎসক ও স্বাস্থ্য বিষয়াই কাম কৰি আছে। জ্যেষ্ঠ চিকিৎসা বিষয়াৰ খালী হৈ থকা পদটো পূৰণ কৰিবলৈ বিহীত ব্যৱস্থা লোৱা হৈছে।

বিষয় : অমনি বাছৰ অনুজ্ঞা পত্র।

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে :

২৮৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমত ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ কিমানটা অমনি বাছৰ

অনুজ্ঞাপত্র দিয়া হৈছে জিলা ভিত্তিত এটি তালিকা সদনত দাখিল কৰিবনে ?

(খ) পৰিবহন বিভাগত ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ কিমানজন প্ৰাৰ্থী কি কি পদত নিযুক্তি দিছে তাৰ জিলা ভিত্তিত এটি তালিকা সদনত দাখিল কৰিবনে ?

(গ) লেংটিছিঙা, অভয়াপুৰী চহৰৰ পৰা কোচবিহাৰলৈ যোৱা পৰিবহন নিগমৰ বাছ চলাবলৈ সুবিধা দিয়া হব নেকি ?

শ্ৰীশিউশম্ভু ওজা (পৰিবহন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) অমনি বাছৰ অনুজ্ঞাপত্ৰ জিলা ভিত্তিত দিয়া নহয়। ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ অমনি বাছৰ পৰিসংখ্যা তলত দেখুৱা হ'ল।

	সদৌ অসম পৰ্য্যটক অমনি বাছ	ৰাষ্ট্ৰীয় পৰ্য্যটক অমনি বাছ
১৯৯১	৩০৮ খন	১৫৩ খন
১৯৯২	৮৪ খন	১৫০ খন
১৯৯৩	৬৩৫ খন	১২৫ খন
১৯৯৪	২৪৯ খন	১৫৪ খন

(খ) পৰিবহন আয়ুক্ত কাৰ্য্যালয়ত আৰু অসম ৰাজ্যিক পৰিবহন নিগমত ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ নিযুক্তি দিয়া মুঠ পদৰ পৰিসংখ্যা তলত দেখুওৱা হ'ল।

পৰিবহন আয়ুক্ত কাৰ্য্যালয় ঃ

	তৃতীয় শ্ৰেণী	৪থ শ্ৰেণী	মুঠ
১৯৯১	৪৮ জন	২৮ জন	৭৬ জন
১৯৯২	১০ জন	৬ জন	১৬ জন
১৯৯৩	২৫ জন	৭ জন	৩২ জন
১৯৯৪	১৭ জন	৫ জন	২২ জন

অসম ৰাজ্যিক পৰিবহন নিগম—

	তৃতীয় শ্ৰেণী	চতুৰ্থ শ্ৰেণী	মুঠ
১৯৯১			
১৯৯২	২ জন	২ জন	৪ জন
১৯৯৩			
১৯৯৪			

যোৱা ১৯৮৮ চনৰ ৫ অক্টোবৰ তাৰিখৰ পৰা নিগমত নিয়মীয়া নিযুক্তি বন্ধ আছে।

আভ্যন্তৰীণ জল পৰিবহন বিভাগ—

	তৃতীয় শ্রেণী	চতুর্থ শ্রেণী	মুঠ
১৯৯১	—	—	—
১৯৯২	—	—	—
১৯৯৩	—	—	—
১৯৯৪	—	৫০ জন	৫০ জন

(গ) অসম আৰু পশ্চিম বঙ্গৰ মাজত থকা পৰিবহন চুক্তিত লেংটিছিঙা অভয়াপুৰী-কোচবিহাৰ পথটো অন্তর্ভূক্ত হোৱা নাই। অৱশ্যে ৰাষ্ট্রীয় অনুজ্ঞাপত্র পর্য্যটক ওমনি বাছ চলাচলত কোনো বাধা নাই।

Re : Appointment in the Department of Social Welfare

Shri Maulana Abdul Jalil Ragibi asked :

286. Will the Minister of Social Welfare be please to State.

(a) How many appointments have been made in Social welfare Deptt. during the year 1993-91/1991-92/1992-90/1993-94/1994-95, Particularly against the Post of ICDPO ?

(b) Out of the appoints, if any how many in Hojai Sub-Division and how many in Jamunamukh constituency ?

(c) What is the norms & sules to select workers and helpers against every I.C.D. Anganwadi Centre ?

Shri Kul Bahadur Chetri (Minister, Social Welfare) replied :

(a) During the period 1990-95 following appoints are made in Social Welfare Department.

1. C.D.P.O. = 11 Nos.
2. Superviser = 72 Nos.
3. L.D.A. cum Typist = 26 Nos.
4. Peon / Chowkidars = 19 Nos.
5. Statistical Asstt. = 22 Nos.
6. Anganwadi workers = 509 Nos.
7. Anganwadi Helpers = 506 Nos.

(b) In Hojai Sub-Division there are two (2) I.C.D.S project (a) Jogijan (b) Lanka, during that period appointments in the both I.C.D.S. project are made as follows.

	Anganwadi workers	Helpers
Jogijan	60 Nos.	57 Nos.
Lanka	186 "	186 "

I.C.D.S. projects are coterminers with Dev. Blocks only and not with the Assembly constituency.

(c) The rules and norms to select workers and Helpers against every I.C.D.S. Anganwadi Centre are enclosed.

(See the Annexure—XI)

বিষয় : সম্পাদক নিযুক্তি।

শ্রীধ্রুব কুমাৰ সেনে সুধিছে ঃ

২৮৭। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পঞ্চায়তৰ সম্পাদক (চেক্রেটাৰী) হিচাপে অসম চৰকাৰে যি সকলক নিযুক্তি দিছে তেওঁলোকক নিয়মিত দৰমহা দিয়া হৈছে নেকি ?

(খ) যদি দিয়া নাই নিদিয়াৰ কাৰণ জনাবনে ?

ডাঃ ভূমিধ্বৰ বৰ্মন (পঞ্চায়ত আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) কেবা মাহৰো দিব পৰা নাই।

(খ ইংৰাজী ১৯৯৪-৯৫ চনৰ বিভাগীয় বাজেটত আৱশ্যকীয় পৰিমাণৰ ধনৰ অভাৱেই ইয়াৰ কাৰণ। বৰ্ত্তমানে আৱশ্যকীয় পৰিপূৰক মঞ্জুৰী বিধান সভাত অনুমোদনৰ বাবে উত্থাপন কৰা হৈছে।

বিষয় : Community Health Centre স্থাপন।

শ্রীপ্রণব কুমার বাগ্র জিজ্ঞাসা করছেন :

২৮৮। মাননীয় স্বাস্থ্য বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি :

(ক) করিমগঞ্জ C. M. H. O. কর্ত্তৃক পত্র নং 2029, Dated Karimganj, the 3rd July, 1993 তে Director of Health Services, Assam, Hengrabari, Gauhati-6 প্রেরিত পত্রের মর্মানুযায়ী বিভাগীয় করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত বাজারঘাটে একটি Community Health Centre স্থাপন করার ব্যাপারে কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন ? যদি না কেন ?

(খ) বর্ত্তমান অর্থ বছরে বাজারঘাটে একটি C. H. C. স্থাপন করার ব্যবস্থা নেবেন কি ?

(গ) করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত এম, সি, অধ্যুষিত এলাকায় নগেন্দ্র নগর পি, এইচ, সির কাজ শুরু করা হচ্ছেনা কেন ?

(ঘ) নগেন্দ্র নগর তপশিলী জাতি অধ্যুষিত এলেকায় মঞ্জুরীকৃত পি, এইচ, সি, স্থাপন করার বিষয়ে চরকারের এহেন বৈমাতৃ সুলভ আচরণ করার উদ্দেশ্য কি ?

ডাঃ ভূমিধ্বৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) স্বাস্থ্য সঞ্চালকালয়ৰ তৰফৰ পৰা Fresh feasibility report বিচৰা হৈছে।

(খ) Feasibility report অনুযায়ী ব্যৱস্থা লব পৰা হ'ব।

(গ) নগেন্দ্র নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে নিৰ্ব্বাচিত ঠাইলৈ যোৱা গড়কাপ্তানী বিভাগৰ পথৰ অৱস্থা শোচনীয় হোৱা হেতুকে এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ পাট পলুৰ সঁচৰ সংৰক্ষণ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৮৯। মাননীয় বেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য খনত উৎপাদিত পাট পলুৰ সঁচ সংৰক্ষীত কৰি ৰখাৰ বাবে কামৰূপৰ সহকাৰী বেচম সঞ্চালকৰ অধীনত গুৱাহাটী খানাপাৰাত ছয় কোঠালীযুক্ত শীতলীকৰণ ভৱালকেন্দ্ৰ থকাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) অসমত কিমান খন চৰকাৰী বেচম ফাৰ্ম আছে, কৰ্ম্মচাৰীৰ সংখ্যা কিমান, মাটি কালি কিমান ?

(গ) কিন্তু ইমান কেইখন ফাৰ্ম থকা সত্বেও গুৱালকুছিৰ শিপিনীক মাত্ৰ পাঁচ শতাংশহে পাট সুতা উক্ত ফাৰ্ম সমূহে যোগান ধৰিব পাৰে, এই কথা সঁচানে ?

(ঘ) তাঁত শালত সপোনৰ ফুল বাচিব পৰা শিপিনীক ৯৫ শতাংশ পাট সুতা প্ৰতি বছৰে বাঙ্গালোৰ, হায়দৰাবাদ, ৰাচী, মালদাৰ পৰা আমদানী কৰি আনিব লগা হয়। এইটো চৰকাৰৰ অৱগত নে ?

(ঙ) যদি অৱগত, গুৱালকুছি শিপিনীৰ আৰু অসমৰ অন্যান্য ঠাইৰ শিপিনীৰ অভাৱ দূৰ কৰিবৰ কাৰণে চৰকাৰে কি কি আঁচনি হাতত লৈছে জনাবনে।

শ্ৰীমতী অমিয়া গাঁগ (হস্ত তাঁত বস্ত্ৰ আৰু বেচম বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) অসমত মুঠ ১২ খন (পাট পলুৰ সঁচ উৎপাদনৰ বাবে) চৰকাৰী ৰেচম ফাৰ্ম আছে। এই ১২ খন ফাৰ্মত মুঠ ৯৬ জন ৰেচম কৰ্ম্মচাৰী আছে আৰু সৰ্বমুঠ মাটি কালিৰ পৰিমাণ ৩৩৮·২ একৰ।

(গ) সঁচা নহয়।

(ঘ) হয়, অৱগত। পিছে আমদানিৰ পৰিমাণ ৯৫ শতাংশ নহয় আনুমানিক বছৰি চাহিদা ৯০ মেট্ৰিক টনৰ পৰিবৰ্ত্তে ৰাজ্যৰ উৎপাদন প্ৰায় ২৮ মেট্ৰিক টন।

(ঙ) 'অষ্টম পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ বাকী থকা কালছোৱাত ৰেচম শিল্পৰ সম্প্ৰসাৰণৰ বাবে আঁচনিসমূহ--(১) পাট পলুৰ সঁচৰ আঁচনি (২) আৰ্থিক সাহায্য আঁচনি, (৩) ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ণ বেংকৰ দ্বাৰা অনুমোদিত আঁচনি (৪) সংহত গ্ৰামীণ বিকাশ আঁচনি, (৫) পাট সূতা কটা কেন্দ্ৰসমূহৰ অধিক সম্প্ৰসাৰণ আৰু আধুনিকীকৰণ আঁচনি।

বিষয় : পৰিবহণ বাহুৰ চলাচল।

শ্ৰীকোম্পেশ্বৰ বৰুৱাই সুধিছে :

২৯০। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দুবছৰমানৰ আগতে শোণিতপুৰ জিলাৰ পুব সীমাৰ ছাৰাজানৰ পৰা গুৱাহাটীলৈ এখন পৰিবহণ বিভাগৰ বাছ চলাচলৰ দিহা কৰা সঁচানে ?

(খ) পৰিবহণ মন্ত্ৰী স্বৰূপে সেইখন বাছ চলাচলৰ ফিটা কাটি শুভ উদ্বোধন কৰিছিল মন্ত্ৰীয়ে নিজে, সেইখন বাছৰ চলাচল কেতিয়াবাই বন্ধ হ'ল বুলি গম পাইনে ?

(গ) যদি গম পাই, সেই বাছখন আকৌ চলোৱাৰ কথা কেতিয়াবা ভাবিছেনে ?

শ্ৰীশিউশম্ভু ওজা (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) হয়, গম পাওঁ।

(গ) উপাৰ্জ্জন আশানুৰূপ নোহোৱাৰ বাবে উক্ত সেৱা বন্ধ কৰিব লগা হ'ল।

Re : Printing of Calendar and Booklet etc.

Shri Derhagra Mochahary asked :

291. Will the Minister of W.P.T. & B.C. Assam be pleased to State :

(a) Is it a fact that Assam Plains Tribes Development Corporation have printed Calendar and Booklet in the year 1995 ?

(b) If so, what was the total budget for Calendar and Booklet, and in which Board meeting that decisions were taken ?

Shri Gomeswar Pegu (Minister, W. P. T. & B. C.) replied :

(a) Yes.

(b) There was no specific budget provision for printing of Calendar and Booklet. But there was provision of Rs. 2.00 Lakhs in the budget for 1994-95 under Printing and Stationery head and Rs. 5.00 Lakhs under united fund.

The Board of Director in its meeting held on 04-10-94 approved the proposal and also approved the expenditure in its meeting held on 04-01-95.

Re : Services of A.S.T.C. Buses.

Shri Kaliranjan Deb asked :

292. Will the Minister of Transport be pleased to state :

(a) How many numbers of new State Transport Buses have been placed for regular plying in Barak Valley since September, 1994 till December 1994.

(b) How many numbers of A.S.T.C. buses are now plying regularly in the State of Assam.

(District wise figure may be shown—separately for each District).

Shri Shio Sambhu Ojha (Minister of Transport) replied :

(a) During the period September '94 to December '94 no new bus has been placed in Barak Valley.

(b) 393 buses are plying regularly as under :—

1.	Tinsukia	—	26 Buses
2.	Jorhat Division	—	70 ,,
3.	Nagaon Division	—	33 ,,
4.	Guwahati Division	—	88 ,,
5.	Bongaigaon Division	—	25 ,,
6.	Silchar Division	—	19 ,,
7.	Tezpur Division	—	48 ,,
8.	North Lakhimpur	—	20 ,,
9.	City Service	—	64 ,,
	Total	—	393 ,,

বিষয় : উন্নয়ণ খণ্ডৰ স্থায়ী কাৰ্য্যালয়।

শ্রীনজমুল হকে সুধিছে :

২৯৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাত নতুনকৈ গঠন কৰা উন্নয়ণ খণ্ডৰ স্থায়ী কার্য্যালয় খৰমুজাত স্থাপন কৰাৰ প্রতিবাদত ৰাইজৰ অভিযোগ সম্পর্কে মন্ত্রী ডাঙৰীয়া অৱগত আছেনে ?

(খ) খণ্ড উন্নয়নৰ স্থায়ী কার্য্যালয় আঞ্চলিক পঞ্চায়ত এলেকাৰ মধ্যৱর্ত্তী ঠাইত স্থাপন কৰা হবনে ?

(গ) খৰমুজা গাওঁখন উক্ত আঞ্চলিক পঞ্চায়ত এলেকাৰ একেবাৰে পূৰ্ব সীমাত অৱস্থিত আৰু জনজাতি বেষ্টনীৰ মাজত পৰা বুলি চৰকাৰে জানেনে ?

(ঘ) যদি নেজানে, তেন্তে খৰমুজা আঞ্চলিক পঞ্চায়তৰ চাৰিসীমাৰে সৈতে তাৰ ম্যাপ (Map) সদনৰ মজিয়াত দাখিল কৰিবনে ?

(ঙ) মধ্যৱৰ্ত্তী স্থান নির্ণয় কৰাৰ বাবে তদন্ত কৰিবলৈ সদন কমিটি পঠোৱাৰ ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মন (পঞ্চায়ত বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) চৰকাৰে বৰ্ত্তমান তেনে কোনো সিদ্ধান্ত লোৱা নাই । বিষয়টো বৰ্ত্তমান মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন ।

(গ) হয়, জানে ।

(ঘ) প্রশ্ন নুঠে ।

(ঙ) যিহেতু বিষয়টো বৰ্ত্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন, গতিকে চৰকাৰে তেনে কোনো সিদ্ধান্ত লোৱা নাই ।

বিষয় ঃ পৰিবহণ নিগমৰ বাস ।

শ্রীবদ্রীনারায়ণ সিং জিজ্ঞাসা করছেন ঃ

২৯৪ । মাননীয় পরিবহন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) শিলচর ধোয়ারবন্ধ হইতে লোহারবন্ধ পর্য্যন্ত পরিবহণ নিগমের বাস প্রায় দুই মাস থেকে বন্ধ তা সরকার অবগত আছেন কি ?

(খ) যদি অবগত বন্ধের কারণ দর্শাইবার এবং শীঘ্রেই চলাচলের ব্যবস্থা নেওয়া হইবে কি ?

শ্রীশিউশম্ভু ওজা (পরিবহণ বিভাগের মন্ত্রী) য়ে উত্তর দিয়েছেন ঃ

(ক) অবগত ।

(খ) পর্য্যাপ্ত পরিমানের সচল বাস না থাকার জন্যে নিয়মিত ভাবে ঐ

লাইনে বাস চালাতে পারা যায়নি। তবে বাসের অবস্থা সন্তোষজনক হইলে আবার ঐ লাইনে নিয়মিত ভাবে চলাচল করিবো।

Point of Order

Hon'ble Speaker : Question Hour is over.

শ্রীদিলীপ কুমার শইকীয়া : অধ্যক্ষ মহোদয়, পইন্ট অব অর্ডার, পইন্ট অব অর্ডার আছে, চিলা পথারত যোন্ধাকালি পুলিচে মিচিং জনজাতি লোকর ওপরত গুলি চলাই কেইবাজনকো আঘাট করিছে, পুলিচো আঘাট প্রাপ্ত হৈছে বুলি মই যোন্ধা বাতি গম পাইছো। গতিকে বিষয়টো গুরুত্বপূর্ণ।

Mr. Speaker : You may draw my attention. It is not a point of order. I will examine it. আপুনি কিবা থাকিলে মোক লগ করি জনাব, এতিয়া মোর এটেনচন দ্র করিছে, মোর শুনিবলৈ সময় নাই। এতিয়া জিৰ' আৱার শেষ হৈছে পিচত আপুনি মোর লগত যোগাযোগ করিব।

শ্রীফণী ভূষণ চৌধুরী : অধ্যক্ষ মহোদয়, মোর হাতত তথ্যপাতি আছে মোক পিছত জনাব মই কি করিব লাগে, করিম।

Shri Chandra Mohan Patowary : Sir, I would like to draw your kind attention on a very important matter i.e. মই আপোনার জরিয়তে গড়কাপ্তানি বিভাগর মন্ত্রী মহোদয়র দৃষ্টি আকর্ষণ করিব খুজিছো যে, এই বিভাগর মাষ্টার রোল কর্মচারী সকলে দরমহা পোরা নাই। তেওঁলোকক দরমহা দিয়ার ব্যবস্থা করিব লাগে লগতে যি সকলক নিযুক্তি দিয়া নাই দিব লাগে।

Mr. Speaker : I have received as many as 9 Zero Hour notices for 24-3-95 in the name of the following Hon'ble members :

1. Shri Dilip Kumar Saikia
   Shri Hitendra Nath Goswami
2. Dr. Kamala Kalita
3. Shri Binod Gowala
4. Shri Binod Gowala
5. Md. Mohibul Haque
6. Shri Dhruba Kumar Sen
7. Shri Dhruba Kumar Sen
8. Shri Nizamuddin Khan
9. Shri Ramendra Narayan Kalita.

As per Rules, I have selected only 3 Zero Hour notices for raising before the House today.

I now, call upon the Hon'ble Member Dr. Kamala Kalita to raise his Zero Hour motion which was published in 'Ajir Batori' dt. 23-3-95 under the caption. "প্রাদেশিকৰণৰ পাচ বছৰতো উপেক্ষিত পঞ্চায়ত কর্মচাৰী"

Discussion During Zero Hour

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ 'আজিৰ বাতৰি' কাকতত 'প্রাদেশিকৰণৰ পাচ বছৰতো উপেক্ষিত পঞ্চায়ত কর্ম্মচাৰী' শীর্ষক বাতৰিটোৰ প্রতি পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো। অলপ আগতে পঞ্চায়ত মন্ত্রীয়ে এটা প্রশ্নৰ উত্তৰত এই সম্পর্কত বক্তব্য কিছু ৰাখিছে। পঞ্চায়ত কর্ম্মচাৰী সকলৰ কাৰণে বিভাগে বহুতো কৰিছে বুলি ঘোষণা কৰিছে যদিও বাস্তৱ ক্ষেত্রত তেওঁলোকৰ কাৰণে বিশেষ একো কৰা হোৱা নাই বুলি কর্ম্মচাৰী সমূহাই অভিযোগ আনিছে। তেওঁলোকৰ চাকৰি যোৱা ২-১০-৯১ তাৰিখৰ পৰা চৰকাৰীকৰণ কৰিছে যদিও আজিলৈকে তেওঁলোকৰ বিভিন্ন সমস্যাৰ সমাধান হোৱা নাই বুলি তেওঁলোকে বাতৰি কাকতত বিবৃতি প্রকাশ কৰিছে। তেওঁলোকক এতিয়াও

* Speech not corrected

চৰকাৰে উপেক্ষিত কৰি ৰাখিছে। পঞ্চায়ত কৰ্ম্মচাৰী সকলে কেইবাবাৰো বিভাগীয় মন্ত্ৰী, ৰৰমূৰীয়া সকলৰ লগত তেওঁলোকৰ বিভিন্ন দাবী, সমস্যাৰ বিষয়ে আলোচনা কৰিছে যদিও একো সুফল পোৱা নাই। তেওঁলোকক নামতহে চৰকাৰীকৰণ কৰা হৈছে কামত হোৱা নাই। এতিয়াও তেওঁলোক অবহেলিত আৰু উপেক্ষিত হৈ আছে। তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যাবোৰ সমাধানৰ বাবে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। বি, কম পাছ কৰা লোক সকলক পঞ্চায়ত সচিব হিচাবে চৰকাৰে নিযুক্তি দিছে যদিও তেওঁলোকৰ মনত সন্দেহ হৈছে তেওঁলোকৰ চাকৰি নিয়মীয়া হবনে নাই, তেওঁলোকে নিৰ্দ্ধাৰিত স্কেলত দৰমহা পাবনে নাই, তেওঁলোকৰ চাকৰিবোৰ চৰকাৰীকৰণ হবনে নাই? আগৰ পঞ্চায়তৰ সচিব সকলৰ চাকৰি চৰকাৰে চৰকাৰীকৰণ কৰাৰ ৫ বছৰৰ পিচতো তেওঁলোকৰ সমস্যা সমস্যা হৈয়েই আছে। তেওঁলোকৰ পদবোৰ প্ৰাদেশিকৰণ কৰা হ'ল, কিন্তু তেওঁলোকৰ যিখিনি নাৰ্য্য প্ৰাপ্য সেইখিনি বিভাগে দিয়া নাই। গতিকে এই বিষয়টোৰ প্ৰতি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা সবিশেষ জানিব খুজিছো।

* ডাঃ ভূমিধৰ বৰ্ম্মন (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো যে তেখেতে এই বিষটো উত্থাপন কৰিছে, আপোনাকো ধন্যবাদ জনাইছো মোক কবলৈ সুবিধা দিয়াৰ কাৰণে। পঞ্চায়ত বিভাগত একো কাম হোৱা নাই বুলি প্ৰায়েই অভিযোগ শুনা যায়। কিন্তু অধ্যক্ষ ডাঙৰীয়া, মই কও যে আমাৰ এই চৰকাৰৰ দিনত পঞ্চায়তৰ কাৰণে যিমান কৰা হৈছে আগৰ কোনো এটা চৰকাৰৰ দিনত ইমান-খিনি কৰা হোৱা নাছিল। দ্বিতীয় কথা হৈছে পঞ্চায়ত কৰ্ম্মী সকলক যিমানখিনি দিব লাগিছিল সেই গোটেইখিনি দিব পৰা নাই, এইটো মই স্বীকাৰ কৰিছো। যোৱা ২ ১০-৯১ তাৰিখৰ পৰা ৪ হেজাৰবো অধিক কৰ্ম্মচাৰীক নিয়মিত ভাবে দৰমহা দি থকা হৈছে

* Speech not corrected

বুলি বিভাগে মোক জনাইছে। এই ক্ষেত্রত চৰকাৰে ৪০ কোটিৰো অধিক টকা খৰচ কৰিছে।

(ভয়চ : এই ৪০ কোটিৰো অধিক টকা ক'ত গ'ল ? কোনে খালে ?)

মই যি তথ্য পাইছো তাকেই আপোনালোকক কৈছো। যদি ভুল হৈছে মই শুধৰাই দিম।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ কনফিউজন হৈছে যদি পিচত বিপ্লাই দিব পাৰে।

মাননীয় অধ্যক্ষ : হব, তেখেতে এই বিষয়টোৰ ওপৰত পিচত সদনত বিবৃতি দিব।

Matter which are related to Zero Hour notice Minister will reply.

* **Shri Chandra Mohan Patowary** : Sir, about the Development of Panchayat Department let Minister Speak Sir,

ইতিমধ্যে তেখেতে কৈছেই, তেখেতৰ বোধেৰে আৰু কি কি কয় কৰলৈ দিয়া ভাল।

* শ্রীৰঘেন্দ্র নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০ মাৰ্চ তাৰিখে 'দৈনিক অসমত' প্রকাশিত "থলুৱা লোকক উচ্ছেদৰ জাননী" শিৰোনাম বাতৰিটোৰ প্রতি মই মাননীয় বাজহ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো। মোৰ সমষ্টিৰ বাণী অঞ্চলত ৫০০ জনজাতীয় লোকক উচ্ছেদ কৰাৰ বাবে জিলা প্রশাসনে নটিছ জাৰি কৰিছে। এতিয়া কথা হ'ল, এই মানুহ বিলাক তাত এতিয়াৰ বসবাস কৰা মানুহ নহয়, তেওঁলোকে তাত ৩০ / ৪০ বছৰ বসবাস কৰি থকা মানুহ। জিলা প্রশাসনৰ লগত যোগাযোগ কৰাত গম পোৱা গ'ল যে গেছ ক্রেকাৰৰ গোট এটা স্থাপনৰ বাবে তিনি হেজাৰ বিঘা মাটিৰ প্রয়োজন হৈছে। যদি গেছ ক্রেকাৰৰ বাবে ৩ হেজাৰ বিঘা ম টিৰ প্রয়োজন বাবে এই মানুহখিনিক নটিছ দিছে, এই উচ্ছেদিত

---

* Speech not corrected

হব লগা মানুহ খিনিক পুনৰ সংস্থাপনৰ কিবা ব্যৱস্থা কৰিছে নেকি ? মই ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। যিখিনি মানুহক নটিছ দিয়া হৈছে, সেই মানুহখিনি, গেছ ক্ৰেকাৰ স্থাপন কৰিব বিচৰা ঠাইৰ পৰা বহুত দূৰত। যিখিনি ঠাইত গেছ ক্ৰেকাৰৰ উৎপাদন গোটটো স্থাপন কৰাৰ পৰিকল্পনা চৰকাৰে কৰিছে, তাত মাটি লোৱাত সেই অঞ্চলৰ ৰাইজে আপত্তি কৰা নাই। মই মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ক, উক্ত গেছ ক্ৰেকাৰ প্ৰকল্পৰ উৎপাদন গোটটো স্থাপনৰ বাবে যিখিনি মাটি প্ৰয়োজন সেই মাটিখিনিৰ ক্ষেত্ৰত উক্ত অঞ্চলৰ জনসাধাৰণৰ লগত আলোচনা কৰিহে মাটি লোৱাৰ ব্যৱস্থা কৰিবলৈ বিশেষ ভাৱে অনুৰোধ জনালো। যদি মানুহখিনিক উচ্ছেদ কৰিবলগীয়া হয়, তেওঁলোকৰ পুনৰ সংস্থাপন কৰাৰ পিচতহে উচ্ছেদ কৰাৰ ব্যৱস্থা লবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। তাৰোপৰি যদিও নটিছ জাৰি কৰিছে, প্ৰকৃততে তাত গেছ ক্ৰেকাৰৰ গোটটো স্থাপন হ'ব নে নহয় আৰু এইটো প্ৰকল্প স্থাপনৰ ফলত যিসকল লোক উচ্ছেদিত হ'ব তেওঁলোকক ক্ষতিপূৰণ দিয়া হবনে নহয় তাৰ ওপৰত ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা এটা বক্তব্য বিচাৰিছো।

* শ্ৰীযতীন ম্যালী ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে ময়ো এটা কথা কৈ থওঁ, যে এই গেছ ক্ৰেকাৰৰ গোটটো প্ৰকৃততে স্থাপন হয় নে নহয় চাব লাগে আৰু যদি উচ্ছেদৰ প্ৰয়োজন হয়, তেতিয়া ততাতৈয়াকৈ পুনৰ সংস্থাপন কৰাৰ বাবে চাব লাগে।

* শ্ৰীমুকুট শর্ম্মা ঃ (ৰাজহ মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই শূন্য কালৰ কাৰ্য্যসূচীত উত্থাপন কৰা বিষয়টোৰ সম্পৰ্কত জিলা উপায়ুক্তৰ পৰা তথ্য-পাতি আনি পিচত এটা বিবৃতি দিম।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৰ ক্লেৰিফিকেচন আছে, তেখেতে বিবৃতি দিয়াৰ আগতে যিসকলক

* Speech not corrected

উচ্ছেদৰ নটিছ দিছে, সেইটো সাময়িকভাৱে বন্ধ ৰখাৰ বাবে মন্ত্ৰী মহোদয়ে এটা প্ৰতিশ্ৰুতি দিব লাগে।

* শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই অৱশ্যে নিজাকৈ একো কব নোৱাৰিম। উপায়ুক্তৰ পৰা তথ্য পোৱাৰ পিচতহে কব পাৰিম।

Mr. Speaker: Now I call upon the Hon'ble Member Shri Mohibul Haque to raise his Zero Hour Motion which was Published in 'Dainik Asom' dated 14-3-95 Under the Caption. "জীৱনক লৈ ব্যৱসায়: নার্ছিং হোম, ফার্মাচী।"

* শ্ৰীমহিবুল হক: মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৪ মার্চ ১৯৯৫ তাৰিখৰ 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশিত 'জীৱনক লৈ ব্যৱসায়, নার্চিংহোম, ফার্মাচিৰ' শীৰ্ষক বাতৰিটোৰ প্ৰতি মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ দুটামান কথা দাঙি ধৰিব খুজিছো। অধ্যক্ষ মহোদয়, এই বাতৰিত অভিযোগ উঠা মতে যথেষ্ট সত্য কথাখিনিকেই ইয়াত আছে। আমাৰ যিবিলাক চৰকাৰী হস্পিতাল আছে সেই হস্পিতাল বিলাকত আমাৰ ৰোগী সকলে ঠিক মতে ঔষধ-পাতি নাপায় আৰু আমাৰ চৰকাৰী ডাক্তৰ সকলেও যি ধৰণে ৰোগী সকলক চোৱাছিতা কৰিব লাগে সেইদৰে নকৰে। এই চৰকাৰী হস্পিতাল সমূহ আজি নার্ছিং হোমত পৰিণত হৈছে। অনেকে অভিযোগ কৰা আমি দেখিবলৈ পাওঁ যে চৰকাৰী চিকিৎসালয় বিলাকত ডাক্তৰ সকলে ৰোগীক চোৱাছিতা কৰোতে বহুত অসুবিধা দেখা যায়। আৰু এটা অভিযোগ উঠে যে চৰকাৰী ডাক্তৰ সকলৰ প্ৰত্যেকৰে নিজাবৰীয়াকৈ একোখন ক্লিনিক থাকে বা ফার্মাচিৰ লগত তেওঁলোকৰ চুক্তিবদ্ধ থাকে আৰু ৰোগী সকলক তেওঁলোকে তালৈ আহিবলৈ কোৱা শুনা বা দেখা যায়। তাৰোপৰি ৰোগী সকলৰ অস্ত্ৰোপ্ৰচাৰ বা অপাৰেচন কৰাৰ ক্ষেত্ৰতো তেওঁলোকৰ

* Speech not corrected

মতে নার্ছিং হোম ৰিকমেনডেচন কৰি দিয়ে। অধ্যক্ষ মহোদয়, অতি পৰিতাপৰ কথা, অতি দুখৰ কথা, আমাৰ চৰকাৰী ডাক্তৰ সকলে চৰকাৰী বেতন আদি লৈ কি কাৰণে আকৌ ফার্মাচি বিলাকত থাকিব লাগে। একোজন ডাক্তৰে চৰকাৰী হস্পিতালত ৰোগী চোৱাচিতাত যিমান গুৰুত্ব দিব লাগে সিমান নিদিয়ে, তেওঁলোকে ফার্মাচিত ৰোগী চোৱাতহে বেছি গুৰুত্ব দিয়ে। গতিকে মই আজি মাননীয় স্বাস্থ্য মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো যে এই প্রক্রিয়া বন্ধ হোৱা উচিত। তৃতীয়তে অধ্যক্ষ মহোদয়, এটা কথা, আমাৰ বহুত ফার্মাচী মুকলি হৈ আছে। কিন্তু এই ফার্মাচী বিলাকত ফার্মাচীষ্ট থকা দেখা নাযায়। নিয়মমতে ফার্মাচী বিলাকত লাইচেন্স হল্ডাৰ ফার্মাচিষ্ট থাকিব লাগে। আমাৰ তিনিখন চিকিৎসা মহাবিদ্যালয়ত ফার্মাচীষ্ট শিক্ষাৰ ব্যৱস্থা আছে যদিও আসনৰ সংখ্যা খুউব কম। শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ফার্মাচীষ্ট শিক্ষা এতিয়াও স্বীকৃতিপ্রাপ্ত হোৱা নাই। অধ্যক্ষ মহোদয়, আপুনি আচৰিত হব আমাৰ যিমানখিনি ফার্মাচীষ্ট পাচ কৰি আছে সেইখিনি বিভিন্ন চৰকাৰী বা বেচৰকাৰী প্রতিস্থানত নিয়োগ হৈ যায়। কিন্তু যি অনুপাতে আমাৰ ফার্মাচীষ্ট ওলাইছে তাতকৈ বহুত বেছি অনুপাতে ফার্মাচী মুকলি হৈ আছে। বহুত ফার্মাচীত স্বীকৃতি প্রাপ্ত ফার্মাচীষ্ট নোহোৱাকৈ মানুহক ঔষধ বিক্রী কৰি আছে। কোনো ক্ষেত্রত লাইচেন্স হল্ডাৰ ফার্মাচীষ্টৰ নামত বেলেগ লোকে ঔষধ বিক্রী কৰি আছে। কোনো ক্ষেত্রত একোখন ফার্মাচীত লাইচেন্স প্রাপ্ত ফার্মাচীষ্ট জনৰ মৃত্যু হোৱাৰ পিচত বা তেওঁ তাৰ পৰা বেলেগলৈ যোৱাৰ পিচত তেওঁৰ নামতে তাত বেলেগে ঔষধ বিক্রী কৰি আছে। মই মাননীয় স্বাস্থ্য মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো যাতে এই বিলাক বন্ধ কৰাৰ বাবে যথাবিহিত ব্যৱস্থা কৰি ফার্মাচী বিলাকত ফার্মাচীষ্ট বিলাকৰ নাম আৰু ৰেজিষ্ট্রেচন নাম্বাৰ বোর্ডত লিখি ৰখাৰ ব্যৱস্থা কৰিব লাগে। দৰকাৰ হ'লে ফটোও আৰি থোৱাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এনেকৈ অস্বীকৃত কিছুমান মানুহে ৰোগীক ঔষধ পাতি বিক্রী কৰি বা ইনজেকচন আদি দি মানুহৰ

জীৱনক লৈ খেলা কৰাৰ কোনো অধিকাৰ নাই। এই কথাখিনিৰ প্ৰতি মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ পুনৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

* ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহ'ক চাহাবে যিখিনি কথা কৈছে সেইখিনি মই মনোযোগেৰে শুনিছো আৰু কাকতে-পত্ৰে যিবিলাক ওলাইছে সেইখিনিও মই ভালদৰে পঢ়িছো। এই কথাটো মই অস্বীকাৰ নকৰো যে কিছুমান চৰকাৰী চিকিৎসকে, কম সংখ্যক হলেও কেৱল টকাৰ কাৰণেহে মেডিকেল প্ৰেক্তিচ কৰে বা চৰকাৰী চাকৰি কৰে। এইটোও অভিযোগ পাইছো যে যিখন চৰকাৰী চিকিৎসালয়ত কাম কৰে তাত ৰোগী মনোযোগেৰে নাচায়। আৰু সেই ডাক্তৰ সকলে নাৰ্চিং হোমলৈ গৈ কাম কৰে আৰু বেচি ভালকৈ চায়। সেই কাৰণে অধ্যক্ষ মহোদয়, আপোনালোকে জানেই যে আমি এই সংক্ৰান্তত এখন বিল পাছ কৰিছো আৰু সেইখন এতিয়া জুডিচিয়েল ডিপাৰ্টমেণ্টত আছে। বিলখনৰ বেছিভাগ কাম হৈছেই আৰু অলপ কাম বাকী আছে। জুডিচিয়েল ডিপাৰ্টমেণ্টৰ পৰা বিলখন আহিলে এইটো বহুত নিয়ন্ত্ৰিত হব বুলি মই ভাবো। লগতে যিবিলাক অঞ্চলত এনে ধৰণৰ কাৰ্য্য চলি আছে সেই অঞ্চলৰ মাননীয় বিধায়কসকলক আৰু উপায়ুক্ত সকলক অনুৰোধ কৰা হৈছে যাতে তেখেতসকলে এই কথাবিলাক চাই আৰু মোক জনাই তেতিয়াহলে মই তাৰ ওপৰত ব্যৱস্থা লব পাৰিম আৰু ইতিমধ্যে কিছু ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে এই কথাও ঠিক। দ্বিতীয়তে এই কথাটো তেখেতে কৈছে যে বহু ফাৰ্মাচী আছে য'ত উপযুক্ত ফাৰ্মাচিষ্ট নাই আৰু তাত কিছুমান পঢ়িব নোৱাৰা লোকে ফাৰ্মাচি বিলাক চলাই আছে। ড্ৰাগচ ইন্সপেক্টৰ বিলাকেও তেওঁলোকক নধৰে বুলি কৈছে। তেনেকুৱা অভিযোগো পাইছো। ইতিমধ্যে আমি নিৰ্দেশ দিছো যাতে এনে ধৰণে চলি থকা সকলো

* Speech not corrected

ফার্মাচী সকলো ঠাইতে উচ্ছেদ কৰা হয়। কাৰণ এইটো মানুহৰ জীৱনৰ লগত জড়িত বিষয়। সেয়েহে আমি এনেকৈ চলাই থাকিবলৈ দিব নোৱাৰো।

* শ্রীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা বছৰে তেখেতক সম্পূর্ণ নথি-পত্র দিছো যে ৯৯ ভাগ ফার্মাচীয়ে এনেকুৱাকৈ অবৈধভাৱে চলাই আছে। স্বাস্থ্য বিভাগৰ মন্ত্রীয়ে যোৱা বছৰে ব্যৱস্থা লব বুলি কৈছিল। কিন্তু এতিয়ালৈ কোনো ব্যৱস্থা নললে।

* ডাঃ ভূমিধ্রৱ বর্ম্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এনেকৈ চলি থকা ফার্মাচী বিলাকৰ ওপৰত ব্যৱস্থা লোৱাৰ বাবে নির্দেশ দিম আৰু মাননীয় সদস্যসকলেও তেখেতসকলৰ এৰিয়াত যদি এনেকৈ চলি থকা ফার্মাচী আছে তেখেতসকলে মোক কনফিডেনচিয়েলি লিখি দিব মই নিশ্চয় ব্যৱস্থা লম। মই নিজেও এই বিষয়ে চকু দিম। আপোনালোক পাৰলিক ৰিপ্রেজেনটেটিভ গতিকে আপোনালোকে কৰিলে বেছি ভাল হব। অধ্যক্ষ মহোদয়, আমাৰ কম্পাউণ্ডাৰ আৰু ফার্মাচীষ্টৰ কিছু চর্ত আছে। সেই কাৰণে আমাৰ প্রথমতে জি, এম, চিত ফার্মাচীষ্ট পাঠাক্রমৰ ব্যৱস্থা কৰা হৈছিল তাৰ পিচত শিলচৰ মেডিকেলত ব্যৱস্থা কৰা হৈছে।

* শ্রীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডাক্তৰ সকল চাহাব। তেওঁলোকে গাওঁলৈ নাযায়। গুৱাহাটীত থাকে, ডিব্রুগড়ত থাকে, শিলচৰত থাকে, চহৰ বিলাকত থাকে কিন্তু গাওঁলৈ নাযায়। গাওঁবিলাকত কম্পাউণ্ডাৰ সকলে গৈ মানুহক ইনজেকছন দিয়ে, ঔষধ দিয়ে। গতিকে মই বিভাগীয় মন্ত্রী ডাঙৰীয়াৰ পৰা জানিবলৈ বিচাৰিছো চলিত বছৰতে গাওঁলৈ ডাক্তৰ পঠোৱাৰ ব্যৱস্থা কৰিবনে ?

* ডাঃ ভূমিধ্রৱ বর্ম্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) : অধ্যক্ষ মহোদয়, গাওঁলৈ ডাক্তৰ নোযোৱাটো সঁচা। কিন্তু এতিয়া আমি

* Speech not corrected

ডাক্তৰ সকল গাওঁলৈ যোৱাটো কম্পালচৰি কৰি দিছো। তেওঁলোকে পাঁচ বছৰ কাম কৰিবই লাগিব।

* শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আপুনি এই বিষয়ৰ ওপৰত কলিং দিছে আমি আদৰণি জনাইছো। এই সম্পর্কত কবলৈ খুব কম সময় পোৱা হয়। মই বেছি নকও মই মাত্র আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রীক অনুৰোধ কৰিবলৈ বিচাৰিছো পঞ্চায়তৰ কর্মচাৰী, প্রেচিডেণ্ট, কাউন্সিলৰ সকলক পাৰিতোষিক দিয়াৰ বিষয়টো চৰকাৰৰ দৃষ্টিলৈ আনিলো আৰু এই বিষয়ে এটা ষ্টেটমেণ্ট দিয়াৰ অনুৰোধ কৰিলো।

Mr. Speaker : Hon'ble Member Shri Hiteswar Deka to call the attention of the Minister Social Welfare.

Call Attention Notice

শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ৭ মার্চ তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্রকাশিত "কোনে কান্দিব এই হতভাগাৰ বাবে? শীর্ষক বাতৰিটোৰ প্রতি সমাজ কল্যাণ বিভাগৰ মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব বিচাৰিছো।

* শ্রীকুল বাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৭-৩-৯৫ তাৰিখে 'আজিৰ বাতৰি কাকতত প্রকাশিত "কোনে কান্দিব এই হতভাগাৰ বাবে" এই শীর্ষক বাতৰিটোৰ প্রতি আমাৰ দৃষ্টিগোচৰ হৈছে। এই বিষয়টো অনুসন্ধানৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে। জনামতে মানুহজন এতে ঠাইত প্রায় নাথাকে। মাজে মাজে মানুহজনক জনসাধাৰণে অ'ত ত'ত দেখা পায়। মানুহজন ক'ত থাকে, কি কৰে এই

* Speech not corrected

কথাৰ সম্পূৰ্ণ বিতং তথ্য পোৱাৰ পিছতহে আৰু অনুসন্ধানৰ বিপোৰ্ট পোৱাৰ পিছতহে ব্যৱস্থা লব পৰা হ'ব।

শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই আৰু অলপ কথা যোগ দিবলৈ বিচাৰিছো। বাতৰি কাকতত যিটো বাতৰি প্ৰকাশ হৈছে সেইটো সমাজ কল্যাণ বিভাগৰ মন্ত্ৰীৰ ব্যক্তিগত দৃষ্টি নপৰিব পাৰে। সমাজ কল্যাণ বিভাগৰ নিচিনা এটা বিয়াগোম বিভাগ য'ত কোটি কোটি টকাৰ শ্ৰাদ্ধ চলি আছে। গুৱাহাটীৰ বিভিন্ন ঠাইত ফাঁচী বজাৰ আদি বিভিন্ন অঞ্চলত বহুতো কুষ্ঠৰোগী আৰু বিকলাঙ্গ মানুহ ঘূৰি ফুৰে। এই নিৰাশ্ৰয়ী লোক সকলৰ বাবে চৰকাৰী ভাৱে কোনো আশ্ৰয়ৰ ব্যৱস্থা কৰিব নোৱাৰেনে? যিটো বিভাগত কোটি কোটি টকাৰ শ্ৰাদ্ধ হৈ থাকে সেই বিভাগে অসমৰ প্ৰত্যেকখন জিলাতে নিৰাশ্ৰয়ী, বিকলাঙ্গ সকলৰ বাবে আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰিব নোৱাৰেনে? এই লোকসকলৰ আশ্ৰয়ৰ ব্যৱস্থা কৰিবনে? অধ্যক্ষ মহোদয়, গুৱাহাটীত এনেকুৱা বহুত নিৰাশ্ৰয়া মহিলা আছে যিবিলাকে উপায় নাপাই বেয়া কামত নিজকে নিয়োজিত কৰিবলৈ লৈছে। গতিকে এই লোক সকলক আশ্ৰয় দিয়াৰ ব্যৱস্থা কৰিবনে?

* শ্ৰীকুল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে : মাননীয় অধ্যক্ষ মহোদয়, নিৰাশ্ৰয়া লোকসকলক আশ্ৰয় দিয়াৰ বাবে আশ্ৰয় শিবিৰৰ ব্যৱস্থা আছে। আকৌ তেখেতে যিটো কথা কৈছে বেয়া কামত নিজকে নিয়োজিত কৰাৰ কথাটো। এই ক্ষেত্ৰত বাইজৰো দায়িত্ব আছে। বেয়া বৃত্তি লোৱা সকলে নিজে নিজে এই বৃত্তি বাছি লয়।

Mr. Speaker : Hon'ble Member Shri Nizamuddin Khan to draw the Attention of the Minister Revenue.

---

* Speech not corrected

Matter Under Rule 301

* শ্রীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ অসম বাতৰি কাকতত প্রকাশিত এটা বাতৰিৰ সম্পর্কত মই ৰাজহ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। মন্ত্রী মহোদয়ে এই সম্পর্কত স্পষ্টকৈ কব। মই কেইটামান বিষয়ত জানিব বিচাৰিছো যে ৰেলৱে কলনিত বাতৰি পোৱা মতে ৫০ টা হৰিজন পৰিয়ালক উচ্ছেদ কৰা হৈছে। উচ্ছেদ কৰাৰ পিচত তেওঁলোকৰ কোনো সংস্থাপন কৰা নহ'ল। এই সম্পর্কত কেন্দ্রীয় ভীখা মন্ত্রীয়ে ৰেল মন্ত্রীৰ যোগেদি অসম চৰকাৰলৈ লিখি পঠিয়াইছে আৰু সেই লিখনি মর্মে কামৰূপৰ দিচিয়ে নির্দিষ্ট মাটি বিচাৰি এই সংস্থাপনৰ কাৰণে চেষ্টা কৰিছে। কিন্তু পৰিতাপৰ আৰু দুখৰ বিষয় আজিলৈকে সেই পৰিয়াল কেইটা এনেকুৱা অৱস্থাত আছে যে তেওঁলোকৰ কোনো আশ্রয়ৰ স্থল নাই, মুকলি আকাশৰ তলত থাকিব লগা হৈছে। আমি দেখা পাইছো গুৱাহাটীৰ বুকুত মন্ত্রী, বিধায়ক নামত মাটি পট্টন দিয়া হ'ল আৰু বিধান সভাৰ প্রশ্নোত্তৰত ওলাইছে। হৰিজনৰ নিচিনা নিম্ন শ্রেণীৰ মানুহখিনিক নির্মম ভাৱে উচ্ছেদ কৰা হৈছে। য'ত কেন্দ্রীয় মন্ত্রীৰ পৰামর্শ আছিল আৰু মুখ্যমন্ত্রীৰ দৃষ্টি গোচৰ কৰিছে। আনকি কলিং পার্টিৰ সভাপতিৰ অনুমোদন আছে। তেনেস্থলত এই হৰিজন পৰিয়াল বিলাকক সংস্থাপন দিয়াৰ কাৰণে কি ব্যৱস্থা গ্রহণ কৰিলে এই সম্পর্কত মন্ত্রী মহোদয়ে জনাব লাগে। লগে লগে এটা কথা দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে অকল গুৱাহাটীতে নহয়, গোটেই অসমত বিভিন্ন জিলাত যি সকল হৰিজন আছে তেওঁলোকৰ সংস্থাপনৰ কাৰণে গ্রামোন্নয়ণ বিভাগৰ ইন্দিৰা আবাস যোজনাৰ মাধ্যমত হওক বা মাটি এলট কৰি হলেও আৱাস গৃহ নির্মাণ কৰা সম্পর্কত চৰকাৰৰ কি দৃষ্টিভঙ্গী জনাব।

* শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

"আজিৰ অসম" কাকতত প্রকাশিত কে-২ ২৪-৩-৯৫ "ৰাজ্য চৰকাৰৰ চূড়ান্ত অৱহেলাৰ বাবে ৫০ টা হৰিজন পৰিয়াল মুকলি আকাশৰ তলত"

---

* Speech not corrected

শীর্ষক বাতৰি সন্দর্ভত আজি বিধান সভাত ৰাজহ মন্ত্রীয়ে দিয়া বিবৃতিৰ নকল।

অধ্যক্ষ মহোদয়, যোৱা ১/১০/৯৪ তাৰিখে ভাৰতীয় ৰেলৰে বিভাগৰ জমিত বেদখল কৰি থকা ৫০ টা পৰিয়ালক উক্ত বিভাগে উচ্ছেদ কৰা বুলি জনা যায় যদিও অসমৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ ওচৰত দাখিল কৰা উক্ত ৫০ ঘৰ হৰিজন লোকৰ মুখীয়াল শ্রীবঞ্চিত বাসফোৰৰ ১৮/১২/৯৪ তাৰিখৰ আবেদন আৰু মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ নির্দ্দেশ মর্মে গুৱাহাটী বন্দৱস্তি এলেকাধীন ৰেলতলা মৌজাৰ বৰ্ষাপাৰা গাওঁৰ ৯০, ৯১ আৰু ৯২ দাগে মুঠ ২ বিঘা ২ কঠা ১০ লেচা জমি হৰিজন কলনি হিচাবে উক্ত ৫০ টা হৰিজন পৰিয়ালৰ নামত পট্টন দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

* শ্রীনিজামুদ্দিন খান ঃ এই ৫০ টা পৰিয়ালক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু গোটেই অসমত থকা সকলৰ বাবে মাটি পট্টন দিয়াৰ কি ব্যৱস্থা কৰিছে ?

* শ্রীমুকুট শর্ম্মা (ৰাজহ মন্ত্রী): এই সম্পর্কত ইতিমধ্যে ব্যৱস্থা আছে।

Mr. Speaker : Now item No. 4, General Discussion on the Budget. Hon'ble Member Shri Jatin Mali.

General Discussion on the Budget

শ্রীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ বিত্তীয় বছৰটো চলাবৰ কাৰণে বিত্তমন্ত্রী মহোদয়ে যিখন বাজেট উপস্থাপন কৰিছে সেই সম্পর্কত মই কেইটামান মোৰ দৃষ্টিভঙ্গী উথাপন কৰিছো। ইয়াত যিখন বাজেট উপস্থাপন কৰিছে ইয়াৰ জৰিয়তে যদিও বিত্তমন্ত্রীয়ে কেতবোৰ বিষয়ত কৰ ৰেহাইৰ প্রস্তাৱ আগবঢ়াইছে। দেখা গ'ল ইয়াৰ জৰিয়তে সৰ্ব্বসাধাৰণ বাইজ সিমান উপকৃত হব পাৰিব বুলি আশা কৰিব নোৱাৰি। নিম্নতম দিশত সকাহ দি

* Speech not corrected

সৰ্ব্বসাধাৰণ লোকক সকাহ দিয়াৰ কাৰণে চিন্তা কৰা নাই যাৰ ফলত মই ভাবিছো এটা কথা কোৱা ভাল। ঘাটি বাজেট যদি হয় তেন্তে সেই বাজেটৰ জৰিয়তে এখন ৰাজ্যৰ জনসাধাৰণৰ উন্নয়ণমূলক কাম আশা কৰিব পাৰি কিন্তু বৰ্ত্তমান চৰকাৰৰ ক্ষেত্ৰত এনে হোৱা নাই। কিন্তু দেখা গল যে যিখন বাজেট চলিত বিত্তীয় বছৰৰ ৩১ মাৰ্চত শেষ হব তাতো বিত্তীয় নিয়ন্ত্ৰণৰ সম্পৰ্কত একেই সন্দেহ কৰিছো। যি ধৰণে বাজেট উপস্থাপন নকৰক কিয় মই ভাৱো একে ধৰণৰ বিত্তীয় বিশৃংখলা নিয়ন্ত্ৰণৰ বাহিৰলৈ যাব। যাৰ ফলত এই বছৰৰ দৰে কোনো উন্নয়ণমূলক কাম-কাজ দেখা নাযাব। বিত্ত বিভাগৰ কাম-কাজত প্ৰথমৰ পৰা নিয়ন্ত্ৰণ ৰক্ষা কৰি যি যি হেডত টকা দিয়া যায় সেই সেই হেডত বিভাগ বিলাকক টকা বিলাক সময়োপযোগী ভাৱে উলিয়াই দি অনুমোদন দিয়া মতে উন্নয়ণমূলক কামত বা সকলো দিশত আগবাঢ়ি যাব লাগে। উদাহৰণ আছে এই সম্পৰ্কত সুস্থিৰ পদক্ষেপ লোৱা দেখা নাযায়। যোৱাকালি বিধান সভাৰ মজিয়াত মুখ্যমন্ত্ৰীয়ে চৰকাৰৰ বিত্তীয় শৃংখলা, চাউণ্ডনেচ সম্পৰ্কত তেখেতে বক্তব্য ৰখা শুনিছো আৰু এইখিনি কথা বিত্ত বিভাগক কব বিচাৰিছো চলিত বছৰটোত বিত্তীয় শৃংখলা চৰকাৰৰ নাছিল যাৰ কাৰণে ২৭ বাৰ অভাৰ ড্ৰাফট লৈছিল। এই তথ্য চৰকাৰে গোপন কৰি ৰাখিছিল। এটা সময়ত বাধ্য হৈ চৰকাৰৰ ২৭ বাৰ অভাৰ ড্ৰাফট লৈছে। চৰকাৰে দাবী কৰা ধৰণে উন্নয়ণ হোৱা নাই। উন্নয়ণৰ নামত থকা সকলক টকা বিলাকক ১৯৯৪ চনৰ ৩১ মাৰ্চত ৰেভিনিউ দেপ'জিট কৰা হৈছিল। উদাহৰণ আছে। এই ধৰণে ৩৮ টা বিভাগৰ টকা ৰেভিনিউ দিপ'জিত হৈছিল। কিন্তু টকাবোৰ এতিয়ালৈ সম্পূৰ্ণকৈ উলিয়াই দিয়া নাই, গতিকে উন্নত কামত সামগ্ৰিক ভাবে ব্যাহত হৈছে।

মাননীয় সভাপতি মহোদয়, ৰেভিনিউ ডিপ'জিতত টকা আছে, কিমান সংখ্যক উলিয়াই দিছে, মই কৈছো উলিয়াই দিয়া নাই। উদাহৰণ স্বৰূপে সমাজ কল্যাণ বিভাগৰ ৩·৩০ কোটি টকা ৰেভিনিউ ডিপ'জিট হৈছিল আৰু সেই টকা চৰকাৰে আজিলৈকে বিভাগক

উলিয়াই দিয়া নাই। ঠিক তেনেকৈ ৰেভিনিউ ডিপ'জিটত গড়কাপ্তানী বিভাগত আছিল ৩৩২৫·২৯ লাখ টকা, সেই টকাও বৰ্তমান সম্পূৰ্ণকৈ উলিয়াই দিয়া নাই। তাৰে মাত্ৰ ১০৮৫·৫২ লাখ টকাহে উলিয়াই দিছে। বাকী বিলাক টকা কি হ'ল। এতিয়া প্ৰশ্ন হৈছে— ১৯৯২-৯৩ চনত বিত্তীয় বৰ্ষত ৰেভিনিউ ডিপ'জিতত টকা আছিল তাৰ সামান্য অংশহে উলিয়াই দিয়া হৈছে। যিবিলাক টকা বৰ্তমান ৰেভিনিউ ডিপ'জিতত আছে বা ৰাখিছে সেই টকা বিলাক কি পৰ্য্যায়ত ৰাখিছে আৰু ক'ত আছে চৰকাৰে সদনত বিতংভাৱে জনাব লাগে। ১৯৯৩-৯৪ চনৰ ৰেভিনিউ ডিপ'জিত হৈ থকা টকা বিলাক এতিয়াও উলিয়াই দিব খোজা নাই। মাননীয় সভাপতি মহোদয়, উন্নয়নমূলক কাম কাজৰ বাবে চৰকাৰৰ মনোভাব ঠিক নহয় কাৰণে ৰাইজ উপকৃত হব পৰা নাই। পুষ্টিকৰ খাদ্যৰ শিতানত সমাজ কল্যাণ বিভাগক ৫·১৮ কোটি টকা দিছিল, এই টকাটো ৮ মাৰ্চলৈ ৪৫% উলিয়াই দিয়া নাই। উদাহৰণ স্বৰূপে সমাজ কল্যাণ বিভাগে 'নিউট্ৰেশ্যনৰ টকা ১৯৯১-৯২ ৪০ লাখ, ১৯৯২-৯৩ ত ৯৫·৫ লাখ আৰু ১৯৯৪-৯৫ ত ২৯·২৩ লাখ। ইয়াৰ কিছু টকা খৰছ কৰিছে আৰু বাকীখিনি টকা চৰকাৰে উলিয়াই দিয়া নাই, এই কথাটো চাব লাগে। এইবাৰৰ বাজেট 'ইৰিগেশ্যন ডিপাৰ্টমেণ্ট' আৰু 'ফ্লাড কণ্ট্ৰোল' বিভাগত কিছু কিছু 'হেডত টকা কম দিছে, কি যুক্তিত টকা কমালে। 'ইৰিগেশ্যন ডিপাৰ্টমেণ্ট ফেল কৰিবলৈ আৰম্ভ নেকি নে যে হঠাতে টকা কমালে। এই বিভাগটোৰ কাম-কাজ বিলাকৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। মাননীয় মুখ্যমন্ত্ৰীয়ে যোৱা কালি কোৱা কথাৰ ওপৰত কব বিচাৰিছো। চাৰ, যোৱা বছৰ ১৯৯৪ চনৰ দুৰ্গাপূজাৰ সময়ৰ ঘটনা। গড় কাপ্তানী বিভাগৰ পৰা ঠিকাদাৰক টকা দিয়াৰ অৰ্থে এল ও চি দিয়া হৈছে বুলি কাগজে-পত্ৰে প্ৰচাৰ কৰিছিল। ঠিকাদাৰ সকলে বাকী পৰি থকা টকা পাম বুলি ভাবিছিল, কিন্তু আচৰিত কথা বিত্ত বিভাগৰ এটা নিৰ্দেশ 'ট্ৰেজাৰী'ক দি কৈছিল যে বৰ্তমান কোনো বিল পেমেণ্ট কৰিব নালাগে। এইটো কিয় হবলৈ পালে, কি খেলিমেলি হ'ল যিটো

আগৰ 'অর্ডাৰ' আছিল পিচৰ 'অর্ডাৰে' তাক আঘাট কৰিলে যাৰ ফলত ঠিকাদাৰ সকলে প্রাপ্য হেৰুৱালে। ভাৰতৰ প্রধান মন্ত্রীয়ে ১৯৯৩-৯৪ বিত্তীয় বর্ষত অসমৰ 'ফাইনেনচিয়েল ক্লাইচিছ' হোৱা সম্পর্কে জানিব বিছাৰি অসম চৰকাৰলৈ দুখন চিঠি দিছিল। সেই চিঠি দুখন চৰকাৰে 'অপেন' কৰা নাই। আজিলৈকে সেই চিঠি দুখন কিয় 'অপেন' কৰা হোৱা নাই সদনক কব নেকি? কাকতত ইতিমধ্যে ওলাই গৈছে সেই সম্পর্কে চৰকাৰে ব্যাখ্যা দিব লাগে। তাৰ পিচতে মই কবলৈ গৈছো চৰকাৰে বৃদ্ধ পেঞ্চনৰ টকা প্রতি বিত্তীয় বছৰত কেন্দ্রৰ পৰা পাই আহিছে। সেই টকা বিলাক কেন্দ্রৰ পৰা পোৱাৰ পিচত অসম চৰকাৰে বাখি থয় বা বেলেগ 'হেড'ত খৰছ কৰে। যাৰ ফলত এই বিভাগটোৱে বৃদ্ধৰ পেঞ্চন আজিলৈকে ১৮ মাহে হিতাধিকাৰী সকলক দিব পৰা নাই, গতিকে চৰকাৰৰ উন্নতি ক'ত?

শ্রীকুল বাহাদুৰ ছেত্রী (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়া সেইবোৰ দিবলৈ লৈছো।

শ্রীযতীন মালী: মাননীয় অধ্যক্ষ মহোদয়, দিছে বুলি কৈছে, পিচত উলিয়াই দিছে। প্রত্যেকটো কথা বিৰোধী পক্ষৰ পৰা কলেহে কৰে নেকি? যদি কব লাগে প্রত্যেকটো বিভাগৰে পৰা মই কম আৰু আমাৰ দলপতিয়ে কব, আমি কলেহে এই বিলাক দিব নেকি? এইবোৰ এখন চৰকাৰৰ বাবে ঠিক কথা নহয়।

মাননীয় সভাপতি মহোদয়, সদনত মই আজি প্রস্তাৱ কৰিব বিচাৰিছো যে ১৯৮৯ চনৰ "পে কমিচনৰ" পৰামর্শৰ ভিত্তিত প্রতি গৰাকী বৃদ্ধ পেঞ্চনৰ হিতাধীকাৰীক প্রতিমাহে ৪৫০ টকাকৈ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব লাগে, আৰু পৰৱর্তী বিত্তীয় বছৰৰ পৰা ইয়াক কার্য্যকৰি কৰিব লাগে।

(Chairman vacated the Chair and Hon'ble Deputy Speaker took the Chair.)

উপাধ্যক্ষ মহোদয়, এই গোটেই কথা বিলাক মই কৈয়েই শেষ কৰিব খোজা নাই, অন্যান্য মাননীয় সদস্য সকলেও সেইবোৰ বিষয়ত কব। মই এটা কথা কব খুজিছো যে অসমৰ হাইয়েষ্ট আৰু প্রেষ্টিজিয়াচ Educational ইনষ্টিটিউচন হ'ল গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্রুগড় বিশ্ববিদ্যালয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা খবৰ বাতৰি কাকতত ওলাইছে "ভিক্ষা বিছাৰি ৰাজ পথলৈ ওলাই আহিব বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী সকল"। আজি বাতিপুৱা চাহ খাবলৈ ওলাই বাতৰি কাকতখন হাতত লৈয়েই এই খবৰটো পঢ়ি মই নিজে আচৰিত হৈছো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলাৰজন দেখাত বৰ্তমান চৰকাৰৰ লগত বৰ ভাল যেন লাগে। তেখেতে চৰকাৰৰ লগত ইমান ভাল হৈ থকা অৱস্থাতো বিশ্ববিদ্যালয় খনৰ অৱস্থা কিয় এনে হৈছে সেইটো চৰকাৰে চাব লাগে। আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী সকল ভিক্ষা বিচাৰি ৰাজপথলৈ ওলাই আহিব লগা অৱস্থা হোৱাটোৱে এখন ৰাজ্যৰ বিত্তীয় অৱস্থা সুস্থ বুলি কোনেও নাভাবে। সেইদৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অৱস্থাও আপোনালোকে জানে। এতিয়া বিত্তমন্ত্রী মহোদয়ে যিখন বাজেট সদনত উপস্থাপন কৰিছে ইয়াৰ জৰিয়তে আহিব লগা বিত্তীয় বছৰটোত বিত্তীয় শৃংখলা থাকিব বুলি আমি নাভাবো, যিহেতু বিত্তীয় শৃংখলা নাথাকিব গতিকে উন্নয়নমূলক কামো নহব। গতিকে সদনত যিখন বাজেট উপস্থাপন কৰিছে তাৰ দ্বাৰা অসমৰ জনসাধাৰণ উপকৃত হব বুলি মই নাভাবো আৰু বিত্তমন্ত্রীয়ে এই বাজেটখন যি উৎসাহেৰে উপস্থাপন কৰিছে তেনে উৎসাহ তেখেতে নাপাব। গতিকে বাজেট বক্তৃতা সম্পৰ্কত এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member Shri Kosheswar Barua,

শ্রীকোষেশ্বৰ বৰুৱা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনৰ বাবে যিখন বাৰ্ষিক বাজেট আমাৰ বিত্তমন্ত্রী ডাঙৰীয়াই উপস্থাপন কৰিছে সেই খনৰ গণ্ডীৰ ভিতৰতে থাকি বাজেটৰ ওপৰত মই

দুষাৰমান কৰ ওলাইছো। এই বেলিৰ এই বাজেট খন সম্পৰ্কে আমি অতি সাধাৰণ ভাবে মন্তব্য কৰিলে এই বুলি কৰিব পাৰো যে এই বাজেটখন ৰাজ্যখনৰ চোলাৰ জোখৰ বাজেট। ৰাজ্যখনৰ উপাৰ্জন, ৰাজ্যখনৰ স্থিতি, ৰাজ্যখনৰ অৰ্থনৈতিক পৰিস্থিতি ইয়াৰ ওপৰত ভিত্তী কৰি এই বাজেট খন প্ৰস্তুত কৰা যেন লাগে। সেই ফালৰ পৰা বাজেট খনৰ প্ৰস্তুতিৰ দৃষ্টিভঙ্গী নিতিবাচক ভাবে চালেই নহব, আমি এই বাজেট খনত যিবিলাক নীতি নিৰ্দেশনা দিছে সেইবিলাক ইতিবাচক দৃষ্টিৰে চাব লাগে। আমাৰ ৰাজ্যখন যিহেতু ভাৰতবে এখন ৰাজ্য গতিকে ভাৰতৰ অৰ্থ কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰ প্ৰভাৱ ইয়াৰ ওপৰত নিশ্চয় পৰিব। তাৰ পৰা দিয়া টকা অনুপাতে আৰু আমাৰ ৰাজ্যখনৰ নিজৰ উপাৰ্জনৰ পৰা পোৱা টকা যোগ বিয়োগৰ ওপৰত ভিত্তি কৰি এই বাজেটখন প্ৰস্তুত কৰিব লগা হৈছে আৰু সেই মতে বিত্ত মন্ত্ৰী ডাঙৰীয়াই এই বাজেটখন আমাৰ ওচৰত দাখিল কৰিছে। আমি এই বাজেটখন প্ৰস্তুত কৰাৰ আগ মুহূৰ্তৰ কথা কিছু চিন্তা কৰিব লাগিব। আমি এই বাজেট খনক অসমৰ বিগত কেইবছৰমানৰ অৰ্থ নৈতিক বিসঙ্গতি আঁতৰাই অসমৰ অৰ্থনীতিত নতুন পদক্ষেপৰ বাজেট বুলি কব পাৰো। কাৰণ এই চৰকাৰে দায়িত্ব লোৱাৰ আগৰ ঋণৰ পৰিমাণ আৰু এই চৰকাৰৰ নিজৰ উপাৰ্জন আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা টকাৰ পৰিমাণ হিচাব কৰিলে দেখা যায় যে এই চৰকাৰে কেন্দ্ৰীয় চৰকাৰক আগৰ ঋণৰ ধাৰ মাৰি কি পৰ্য্যায়ত উপনীত হৈছেহি আৰু কি পৰিস্থিতিত এই বাজেটখন প্ৰস্তুত কৰিব লগা হৈছে তাৰ স্বৰূপটো আমি বিচাৰ কৰিব লাগিব। সেই ফালৰ পৰা চালে আমি দেখিবলৈ পাওঁ যে বাজেটত আমি ভালেখিনি ঋণ মুক্ত হৈছো আৰু আশাপ্ৰদ ভৱিষ্যতৰ বেঙনি দেখিবলৈ পাইছো। এই বাজেট খনত আগৰ কেইবছৰৰ তুলনাত উন্নয়ণমূলক কামত অধিক বিনিয়োজনৰ ব্যৱস্থা কৰা হৈছে আৰু যোৱা কেই বছৰৰ তুলনাত এই বাৰৰ বাজেটত আমি হিচাব কৰি দেখিছো ১১ৰ পৰা ৩০-৩৪ ভাগ টকা খৰচৰ পৰিমাণ বৃদ্ধি পাইছে আৰু তাৰ ফলত নিশ্চয় উন্নয়ণৰ কাৰ্য্যসূচী

বৃদ্ধি পাব। আমি এটা কথা দেখিছো যে এইখন এখন ঘাটি বাজেট। গোটেই ভাৰতবর্ষৰে বিভিন্ন ৰাজ্য বিলাকৰ বাজেটৰ এটা নমুনা হৈ পৰিছে। ঘাটি বাজেট হোৱাৰ কাৰণে আমি এই বিষয়ত বিশেষ সমালোচনা কৰিব লগা নাই। কাৰণ, ঘাটি বাজেট হলেহে ৰাইজৰ ওপৰত কৰ কাটলৰ হেচাঁ বেচিকৈ নপৰে। কিন্তু এই ঘাটিখিনি কেনেকৈ পুৰাব সেই কথাখিনিও এই বাজেটত উল্লেখ কৰা হৈছে। এই বাজেটখনত ২৮৫'৫২ কোটি টকা ঘাটি দেখুওৱা হৈছে যদিও সেই ঘাটি পুৰাবৰ কাৰণে বিশেষ কৰ লগোৱাৰ প্ৰস্তাব ইযাত নাই। কেন্দ্ৰীয় চৰকাৰৰ অর্থ সাহায্যৰ ওপৰত এই বাজেটখন নির্ভৰশীল আৰু ৰাজ্য খনৰ নিজা উপাৰ্জনৰ ওপৰত যিহেতু কাম কৰাৰ ব্যৱস্থাহলী নির্দ্ধাৰণ কৰা হৈছে আৰু সেই ফালৰ পৰা এই ৰাজ্য খনৰ স্বাভাৱিক উপাৰ্জন অন্য ৰাজ্যৰ তুলনাত সীমিত। সেই কাৰণে আটাইবোৰ দিশ এই বাজেট খনত প্ৰতিফলিত হৈছে। এই ক্ষেত্ৰত মই আৰু এটা কথা উল্লেখ কৰিব খোজো যে ডি, আৰ, ডি, এ, আৰু ই, এ, এচ, আদি যিবোৰ কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সেই আঁচনিৰ আধাৰত ইতিমধ্যে ভালেমান টকা আমাৰ ৰাজ্য খনলৈ আহিছে আৰু আহিব। এই টকা খিনি আমাৰ গ্ৰামাঞ্চলৰ উন্নয়ণ মূলক আঁচনিৰ কামত খৰচ কৰা হব আৰু তাৰ দ্বাৰা আমাৰ নিজৰ উপাৰ্জনৰ যিখিনি ঘাটি সেইখিনি নিশ্চয় পূৰণ কৰিব পাৰিব।

উপাধ্যক্ষ মহোদয়, নিশ্চিত কৰ্ম্ম সংস্থান আঁচনি কেন্দ্ৰীয় চৰকাৰৰ। এই আঁচনি অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ পৰা ভালেমান টকা আহিছে বা আহিব। এই টকা আমাৰ উন্নয়ণমূলক দিশত খটুৱাব পাৰিব। আমাৰ নিজৰ আঁচনিৰ ধনৰ পৰিমাণ ইমান কম যে সেই আঁচনিৰ দ্বাৰা আমি গোটেই কাম কৰিব নোৱাৰো। কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকাৰে গ্ৰাম্যাঞ্চলৰ উন্নয়ণমূলক আঁচনিৰ কাম নিশ্চিন্ত ভাবে কৰা হব। এই বাজেটখনত যিখিনি ঘাটি সেইখিনি আমাৰ নিজৰ টকাৰ পৰা পূৰাব পৰা হব। ৯৪ কোটি টকা এই বাজেটখনত গ্ৰাম্যাঞ্চলৰ উন্নয়নমূলক কামৰ কাৰণে ধাৰ্য্য

কৰা হৈছে। গতিকে ভালেখিনি কাম হব। মই নিজৰ সমষ্টিতে দেখিছো নিশ্চিত কৰ্ম্মসংস্থান আঁচনিৰ জৰিয়তে যোৱা বছৰ প্ৰায় এক কোটি টকা দিছে। গতিকে ইয়াৰ যোগেদি গাওঁৰ মানুহক সহায় কৰা হৈছে। এইখিনি টকা পাই গাওঁৰ ৰাইজ নিশ্চয় সন্তুষ্ট হৈছে। সেই কাৰণে এই বাজেট খনৰ প্ৰভাৱ গ্ৰাম্যাঞ্চলত ইতিবাচক হব বুলি কব পাৰি। তদুপৰি পিচপৰা শ্ৰেণী সমূহৰ কাৰণে এই বাজেটখনত নতুনকৈ বেছি পৰিমাণে টকা ধাৰ্য্য কৰিছে, কেন্দ্ৰীয় চৰকাৰৰ বিশেষ সাহায্য পুঁজিৰ পৰাও জনজাতিৰ কাৰণে ১৪'৮৮ কোটি টকা আৰু অনুসুচিত সম্প্ৰদায়ৰ মানুহৰ কাৰণে ৩'৬৫ কোটি টকা ধাৰ্য্য কৰিছে। তদুপৰি ট্ৰাইবেল চাবপ্লেনৰ কাৰণে ১৪৭ কোটি টকা ধাৰ্য্য কৰা হৈছে। চিডুৱেল কাষ্ট কমপোছেণ্টৰ অধীনত ৯৮'২০ কোটি টকা ধাৰ্য্য কৰিছে। ইয়াৰ উপৰিও ধাৰ্য্য কৰা টকাই আমাৰ বাজেতখনৰ খৰচৰ পৰিমাণ বৃদ্ধি কৰিব আৰু তাৰ প্ৰভাৱ সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত ইতিবাচক হব বুলি আমি ভাবিছো। প্লেনিং কমিশ্বনত কেন্দ্ৰীয় চৰকাৰে অসম ৰাজ্যৰ কাৰণে ধাৰ্য্য কৰা টকাৰ পৰিমাণ ১৯৯৪-৯৫ চনত আছিল ১০ শ ৯১ কোটি টকা, কিন্তু এইবাৰ এই বাজেটত প্লেনিং কমিশ্বনে এডমিনি-ষ্ট্ৰেটিভ ফাণ্ডত ১৪ শ ১৮ কোটি টকা দিছে। ইয়াৰ বৃদ্ধিৰ হাৰ ৩৪'৪৫ ভাগ, ট্ৰাইবেল চাব প্লেনত টকা ধাৰ্য্য কৰা হৈছে ১৪৭ কোটি টকা। পাৰ্ব্বত্য অঞ্চলৰ চাব প্লেনৰ কাৰণে ৯১'৬০ কোটি টকা আৰু এচ, চি. কমপোনেণ্ট প্লেনৰ কাৰণে ৯৮'২০ কোটি টকা। এইদৰে সেই শিতানত স্পেচিয়েল চেণ্ট্ৰেল এছিচটেণ্টৰ কাৰণে ১৪'৮৮ কোটি টকা, ছিল এৰিয়াৰ কাৰণে ৪২'০৫ কোটি টকা, এচ, চি, কম্পোনেণ্ট প্লেনৰ কাৰণে ৩'৬৫ কোটি টকা। ইয়াৰ বৃদ্ধিৰ হাৰ বাঢ়িছে। সেই ফালৰ পৰা বড়ো লেণ্ড অটোন'মাচ কাউন্সিলত সেই একে হিচাবে ৭৯'১১ কোটি টকা সাধাৰণ ভাবে ধৰা হৈছে। এৰিয়া ডেভেলপমেণ্ট ফাণ্ডত ৪৪'৪৯ কোটি টকা, ৩'২২ কোটি টকা এচ, চি, কমপোনেণ্ট ফাণ্ডৰ পৰা ধৰা ধাৰ্য্য কৰা হৈছে। সেই ফালৰ পৰা বড়ো লেণ্ড অটোন'মাচ কাউন্সিলৰ কাৰণে আগতে যিমান পৰিমাণৰ টকা দিয়া হৈছিল তাৰ বৃদ্ধিৰ হাৰ

ভালেখিনি বাঢ়িছে। বড়োলেণ্ড অটোনমাচ কাউন্সিল নতুন সৃষ্টি, ইয়াৰ চৌহদৰ ভিতৰত থকা ৰাইজে সন্তুষ্ট হৈছে, এইবাৰ প্ৰায় ৯০ কোটি টকা ব্যৱহাৰ কৰি বহু দিনীয়া আশা আকাংশা ভালেমান দিশত পূৰণ কৰিব পাৰিব বুলি মই আশা ৰাখিছো। বাজেটত আমাৰ উন্নয়ণমূলক কাম বিলাকৰ কাৰণে কেইটামান কথা পোণ-পোতীয়াকৈ উল্লেখ কৰা হৈছে। সেই কেইটা হ'ল ক্ষুদ্ৰ সঞ্চয়ৰ দিশ, আশানুৰূপ ফলশ্ৰুতি দেখিবলৈ পাইছো। অসম ৰাজ্যৰ ৰাইজৰ কাৰণে বাজেটৰ ব্যৱস্থাবলী আশাপ্ৰদ ৰেঙণি। ক্ষুদ্ৰ সঞ্চয়ত ৯৪ কোটি টকাৰ হিচাব দিয়া হৈছে। এইটোও কম নহয় আশা ৰাখিছো ইয়াৰ ভৱিষ্যতে ক্ষুদ্ৰ সঞ্চয়ৰ যি ব্যৱস্থাবলীত আৰু সুদৃঢ় হ'ব। ইয়াৰ ভৱিষ্যতে অৰ্থনীতিৰ দিশত যথেষ্ট সহায়ক হ'ব। তদুপৰি আমাৰ অসমত দুটা দিশত আমি নিবনুৱা সংস্থানৰ ব্যৱস্থা কৰিব পাৰিছো, এই কথাখিনি ইয়াত প্ৰতিফলিত হৈছে। পোণপতীয়া ভাবে শিক্ষিত নিবনুৱা সকলৰ নিযুক্তিৰ ইয়াত ব্যৱস্থা আছে। কিছুমান আঁচনি আছে, তাত টকা ধাৰ্য্য কৰিছে, পাবলিক চেক্টৰ বা প্ৰাইভেট চেক্টৰত নিবনুৱা শিক্ষিত লোকক নিযুক্তি দিয়াৰ ব্যৱস্থা উনুকিয়াই দিয়া আমি দেখিবলৈ পাইছো। আনহাতে সকলোতকৈ ফলশ্ৰুতি থকা, ফলপ্ৰসুভাবে কামত অহা আঁচনি আমাৰ পৰিলক্ষিত হৈছে, সেইটো হল গ্ৰাম্যাঞ্চল বিলাকত নিশ্চিত কৰ্ম সংস্থান আঁচনি যেনে জৱাহৰ ৰোজগাৰ যোজনা, ট্ৰাইচেম ইত্যাদি আঁচনিৰ ভৱিষ্যতে সৰ্ব্বসাধাৰণ ৰাইজ উপকৃত হৈছে। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কাৰণে যথেষ্ট টকা যোগান ধৰিছে। এই আঁচনিৰ ভৱিষ্যতে গাওঁৰ নপঢ়া ভালে সংখ্যক নিবনুৱাই নিযুক্তি পাইছে, কাম কৰি গ্ৰাম্যাঞ্চলৰ অৰ্থনীতি স্বাৱলম্বী কৰাৰ কাৰণে আগবাঢ়ি আহিছে। আগতে আমাৰ মানুহে মাটি নাকাটিছিল, পুখুৰী নাখাণ্ডিছিল, এতিয়া সেই বিলাক কাম কৰা হৈছে। মোৰ সমষ্টিত দুটা পুখুৰী খণ্ডা প্ৰকল্প লৈছো, চাৰি পাচ লাখ টকাকৈ অনুদান ধাৰ্য্য কৰা হৈছে। মিছিং মানুহ বিলাকে কেতিয়াও লোকৰ ঘৰত হাজিৰা কৰা নাছিল, এইটো তেওঁলোকৰ ধৰ্মগত বা জাতিগত স্বভাৱ। কিন্তু এইবাৰ

দেখিবলৈ পোৱা গৈছে যে তেওঁলোকে পুখুৰী খান্দিবলৈ মন মেলিছে, মৃত্তিকা পাচি লৈ মাটি কঢ়িয়াই পুখুৰী খান্দিছে, পইচাও পাইছে। গতিকে কৰ্ম সংস্থানৰ দিশত এই অঁচনি বিলাকৰ জৰিয়তে যথেষ্ট উপকৃত হ'ব, এই কথাটো বাজেটত উল্লেখ কৰা হৈছে। এইটো আমাৰ ইতিবাচক পদক্ষেপ, ইয়াৰ দ্বাৰা ভালেখিনি উপকৃত হব। আমি সদায় ভাবো যে মেট্ৰিক পাছৰ ওপৰৰ খিনি নিবন্ধুৱা। ভাৰত চৰকাৰৰ মাননীয় প্ৰধান মন্ত্ৰী মহোদয়েও উপলব্ধি কৰিছে যে গ্ৰাম্য নিশ্চিতকৰণ অঁচনিৰ যোগেদি দুখীয়া নিবন্ধুৱা সকলক কৰ্ম সংস্থাপন দিয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, পাব্লিক চেক্টৰত আমাৰ নিযুক্তিৰ হাৰ নগণ্য যদিও পাইলট চেক্টৰত হাৰ বাঢ়িছে। তথাপি স্ব-নিয়োজিত আচনিবিলাকৰ জৰিয়তে ভালেমান ডেকা মানুহক (শিক্ষিত) নিশ্চিত সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। আৰু ইয়াৰ ইংগিত এই বাজেটত দিছে। মই আগতেই কৈছো বাজেটখনৰ ভালেমান দিশৰ বিসংগতিৰ জোৰা মাৰি এইবাৰ নতুন পদক্ষেপ লৈছে। সেইকাৰণে এই বাজেট অসমৰ নিবন্ধুৱা ৰাইজৰ কাৰণে আশাৰ ৰেঙণি। ইয়াৰ উপৰিও আৰু এটা আমাৰ ভাল কথা হ'ল ভাৰত চৰকাৰৰ বাজেটত উত্তৰ পূৰ্ব্বাঞ্চলৰ কাৰণে এটা উন্নয়ণ বেংক, উত্তৰ পূৰ্ব্বাঞ্চলৰ উন্নয়ণৰ কাৰণে খোলাৰ বাবে পদক্ষেপ লৈছে। এইটো সকলোৱে প্ৰশংসা কৰিছে। ইয়াৰ পৰা শিক্ষিত যিবিলাক নিবন্ধুৱা আছে, সেইসকল স্ব-নিয়োজিত হব বুলি আশা ৰাখিছো। এই বাজেটখন জনকল্যাণমূলক বাজেট। জনকল্যাণৰ বিষয়ে মই অলপ চমুকৈ কম। এই বাজেটখন বিৰোধী দলৰ সদস্য সকলেও বেয়া পোৱা নাই যদিও তেখেতসকলে মুখেৰে কিবা কিবি কৈ আছে। গতিকে এইটো দিশত মই বেছি নকৈ বাজেটখনৰ জন-কল্যাণমুখি কেইটামান ব্যৱস্থাৱলীৰ কথা কব খুজিছো। দহটকীয়া চাউল দিওতে খেলিমেলি হৈছে হয়। কিন্তু ওপৰৰপৰা দিওতে খেলিমেলি হোৱা নাই। খেলিমেলি হৈছে বিতৰণ কৰোতেহে। ইতিমধ্যে আমাৰ অসমৰ দহ টকীয়া চাউল পোৱা উপযুক্ত মানুহৰ

সংখ্যা ১৫ লাখ ৩৩ হাজাৰ আছিল। টকাৰ অভাৱৰ কাৰণে মানুহে বেচি দামৰ চাউল কিনি খাব নোৱাৰে। সেইখিনি মানুহক আমি দহ টকীয়া দৰত চাউল দিব পৰা হৈছো। চাউলৰ ৰেট ৭-৮ টকা কিন্তু আমি দিও দুটকাত। গতিকে ৪-৬ টকা চৰকাৰে নিজে ভৰিবলগীয়া হয় প্ৰতি কিলোত। চৰকাৰে ইমান বিলাক চাউল দিওতে কিমান টকা ভৰিব লাগে। গতিকে এইবাৰ ১৫ লাখ ৩৩ হাজাৰ, যিখিনি ২০০০ টকা দৰৰ চাউল পোৱাৰ উপযুক্ত লোক আছে, সেইখিনিয়ে পাব। এইটো এটা জনহিতকৰ কাৰ্য্যসূচী আমাৰ বাজেটখনত দেখিবলৈ পাইছো। ইয়াৰ উপৰিও মমবাতি সেন্দুৰ, লৰা-ছোৱালীয়ে পঢ়াৰ ক্ষেত্ৰত সা-সজুলিৰ বাবে যিখিনি কৰ ৰেহাই দিছে সেইটো উৎসাহজনক হৈছে। ই ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱক সকলৰ কাৰণে ভাল খবৰ। বাহৰ কথা বাদেধি কাকতত কোনোবাই কৈছে। বাহৰ খেতি একে কোবে কৰিব পৰা খেতি নহয়। বহুত দিন লাগে। গতিকে মানুহৰ মনত উৎসাহ যোগাবৰ কাৰণে ৰেহাই ব্যৱস্থা লৈছে। বাইজৰ লাভ হব খেতিয়কৰ লাভ হব। বাহ উৎপাদন কৰি পইচা যাতে বেচি পাই তাৰ ব্যৱস্থা কৰিব লাগে। (ভইচ - বাহৰ ফকৰাটো কওক) যাৰ নাই বাহ তাৰ নাই সাহ। বাহ বেচিব পাৰে, বাহৰ পৰা কাগজ বনাব পাৰে, লৰা-ছোৱালীৰ কিতাপ আদি কৰিব পাৰে।

উপাধ্যক্ষ মহোদয়, এতিয়া মই বোৱনীৰ কথালৈ আহিব বিচাৰিছো। এইটো সাধাৰণ মানুহৰ কাৰণে এটা উৎসাহজনক দিশ। বোৱনীক ঘৰ সাজি তাঁত বোৱাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। প্ৰাথমিক ছাত্ৰ-ছাত্ৰীৰ বাবে দুপৰীয়াৰ আহাৰ সকলো স্কুলৰ ছাত্ৰ-ছাত্ৰীক দিয়াৰ বাবে খৰচ ধৰা আছে। তাৰ উপৰিও বৃদ্ধ পেঞ্চনৰ (খেতিয়কক) দিয়াৰ কথা কৈছে ৬৫ বছৰৰ ওপৰলৈ। ৫৯২৭ ক দিয়াৰ দিহা কৰা হৈছে। এক হাজাৰ যুৱকক বিনামূলীয়া কম্পিউটাৰ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা আছিল। ২ হাজাৰ ৮শ জনক আৰ্থিক সাহায্য দিয়া হৈছে। আমাৰ মুক্তি যুজাক সকলৰে যি সকলে দেশৰ কাৰণে অশেষ কষ্ট স্বীকাৰ কৰিছে, তেখেতসকলৰে

পেঞ্চন দিয়াৰ উপৰিও অন্যান্য সাহায্য দিয়াৰ প্ৰস্তাৱ লৈছে। বিধৱা মহিলা সকলক সাহায্য দিয়াৰ কথা আমাৰ ইলেকচন মেনিফেষ্টত আছিল। ইয়াৰ উপৰিও আমাৰ মুদ্ৰাস্ফীতিৰ কথা আছে। অৰ্থনীতিৰ এজন ছাত্ৰই এই বাজেট ভালদৰে চালে কথাটো বুজি পাব, অনুভৱ কৰিব পাৰিব। এইটো নেচনেল লেভেলৰ কথা। ভাৰত চৰকাৰৰ যি মুদ্ৰা স্ফীতি সেইটো হৈছে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিষয় আন্তৰ্জাতিক পৰ্য্যায়ৰ কথা। ভাৰত চৰকাৰৰ যি মুদ্ৰাস্ফীতি সেই মুদ্ৰাস্ফীতিৰ প্ৰভাৱ আমাৰ ইয়াত পৰিব। শতকৰা ১১ ভাগ মুদ্ৰাস্ফীতিৰ প্ৰভাৱ আমাৰ বাজেটত দেখুওৱা হৈছে। কিন্তু ভাৰত চৰকাৰৰ যি প্ৰাইচ ইনদেক্স, আমাৰ ইয়াত সেই প্ৰাইচ ইনদেক্সৰ প্ৰভাৱ অসমত নপৰা নহয়। আমাৰ মূল্য বৃদ্ধি হৈছে। অন্যান্য ৰাজ্য বিলাকত এইটো কেনেভাৱে মূল্য বৃদ্ধি হৈছে। আমাৰ ইয়াত কম নে আন ৰাজ্যত কম সেইটো চাব লাগিব। বাজেটখনত মূল্য বৃদ্ধিৰ প্ৰভাৱ নহব পাৰে। ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ যি কোনো প্ৰভাৱৰ কাৰণে আমাৰ ইয়াত মূল্য বৃদ্ধি হব পাৰে। বাজেটত কৰ লগোৱা আদি কথা বিলাক দেখুওৱা হোৱা নাই। চৰকাৰৰ উন্নয়ণমূলক কাম-কাজত যিখিনি টকা ধাৰ্য্য কৰিছে, সেইখিনি অন্যান্য চৰকাৰ পৰিচালনাৰ, যিবিলাক ইষ্টাব্লিচমেণ্টৰ খৰচ তাতকৈ বেচি নহয়। ৰাইজৰ উন্নয়নমূলক কামতহে খৰচ বেচি হয়। এইটো মূল কথা বাজেটত দেখুওৱা হোৱা নাই। খৰচো বাঢ়িছে মানুহো বাঢ়িছে আৰু আমাৰ সমস্যাও বাঢ়িছে। এই গোটেই কামখিনি যদি চোৱা যায়, উন্নয়ণমূলক কাৰ্য্যসূচীৰ কথা যদি চাও, তেতিয়াহলে দেখিবলৈ পাও যে বাজেটখন ওপৰ গধুৰ হোৱা নাই। উন্নয়নমূলক কামৰ কাৰণে ধাৰ্য্য কৰা টকাৰ পৰিমাণ আৰু খৰচৰ শিতানত কৰিবলগীয়া টকাৰ পৰিমানতকৈ ব্যৱধান বেচি নহয়। এই ব্যৱধান কেন্দ্ৰীয় চৰকাৰৰ সাহায্যই পূৰণ কৰিব।

মাননীয়, অধ্যক্ষ মহোদয়, উন্নয়ণমূলক কাৰ্য্যসূচীত ধাৰ্য্য কৰা টকাৰ পৰিমাণ আৰু আমাৰ খৰছৰ শিতানত ধাৰ্য্য কৰা টকাৰ পৰিমাণৰ যিটো ব্যবধান সেইটো বৰ বেছি নহয়। কিন্তু কেন্দ্ৰীয় চৰকাৰে যিখিনি সাহায্য দিছে, সেইখিনিৰে আমাৰ এই ব্যবধানটো

পূৰণ কৰিব পাৰিব আৰু তেতিয়া আমাৰ সংস্থাপনৰ কামত অলপ সকাহ পোৱা হ'ব আৰু উন্নয়ণমূলক কামত পুনৰ অলপ বহলাই খটুৱাব পাৰিব। এইটো ইকনমিক্সৰ কথা। মই এই কথাখিনি কৰ বিচাৰিছোঁ যে এই ২৮৫ কোটি ৫০ লাখ টকা কেনেকৈ পূৰণ হ'ব? এই কথা আমাৰ মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট ভাষণত উল্লেখ কৰিছে যে এইটো সাধাৰণ জনসাধাৰণৰ ওপৰত জধে-মধে কৰ বহুৱাই ঘাটি পূৰণ কৰা নহয়। এইটো এটা অৰ্থনৈতিক টাৰ্ম। অৰ্থনৈতিক ক্ষেত্ৰত সেইটো মানুহৰ আশা নাই। আমাৰ ভালেমান বিৰোধী দলৰ সদস্য এগৰাকীয়ে কৈছে আৰু মইও কওঁ যে খৰছ কমাই মানুহক কিছু সকাহ দিব লাগে। আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত কৈছে— এইটো এটা ডাঙৰ দায়িত্বৰ কথা, এইটো কৰিবলৈ চেষ্টা কৰিব লাগে। প্ৰশাসন যন্ত্ৰই, শাসন যন্ত্ৰই ফাইনেনচিয়েল ব্যৱস্থাটো ঠিক মতে চলাই নিলেহে আমাৰ ২৮৫ কোটি ৫০ লাখ টকা ঘাটি পূৰণ কৰা হ'ব। তেতিয়াহে উন্নয়ণমূলক কামখিনি সম্পূৰ্ণ হ'ব। নহলে বাইজৰ ওপৰত বাজেটৰ প্ৰভাব পৰিব। এইটো চৰকাৰ আৰু প্ৰশাসন যন্ত্ৰৰ আৰু খৰছ কৰোঁতা মানুহৰ সততাৰ ওপৰত হে নিৰ্ভৰ কৰিব। আৰু ৰাজ্যৰ পৰিস্থিতিৰ ওপৰতো এই কথা নিৰ্ভৰ কৰিব। ৰাজ্যখনৰ সাধাৰণ বাইজৰ মাজতো কোনো গন্দগোল পৰিস্থিতিৰ পৰিবেশ সৃষ্টি হ'ব নেলাগিব। উন্নয়ণমূলক কাম কৰিবলৈ যাওঁতে যাতে আধা কৰি থাকোতেই কোনো গোন্দগোলীয়া পৰিবেশ সৃষ্টি নহয়, তালৈ চকু ৰাখিব লাগিব। নহলে আধা কাম কৰি এৰি দিলে টকা অবাবতে খৰছ হৈ যাব কিন্তু কাম আধাকৰা হৈ থাকিব। কোনো এটা সমষ্টি বা জিলাই বেছিকৈ পাইছে, কোনো-বাই পোৱা নাই তাকে লৈ হয়তো খেলি মেলিৰ সৃষ্টি হ'ব পাৰে, গতিকে যাতে সমভাবে এই বাজেটৰ টকা বিতৰণ হয় তালৈ দৃষ্টি ৰাখিব লাগিব। প্ৰকৃততো বাজেটখন সু-প্ৰয়োগ হৈছে নে নাই, তালৈ সকলোৱে চকু ৰাখিব লাগিব। কাৰণ এইখন ৰাইজৰ বাজেট, ৰাইজৰ কামৰ কাৰণেহে, উন্নয়ণৰ কাৰণেহে প্ৰয়োগ কৰা উচিত। আমাৰ সমাজত বিভিন্ন শ্ৰেণীৰ লোক আছে ধনী,

